# Summary of the Findings

# PRACTICAL EFFECTS OF LITERATURE ON YOUTH

(MRP-Majaor-ASSA-2013-23952)

The youth is the backbone of a society and the primary agent of the change and challenge. Literature encompasses a major part of the thoughts and actions of the society. This study has made an attempt to explore the practical effects of literature on the youth. Through the qualitative as well as quantitative analysis of the collected data and information and also through the critical assessment the findings to the research questions can be summarized as follows:

1. In view of the youth, the world today is ever-changing and challenging. In the complex as well as chaotic environment of present life, according to the youth, literature has a great role to play. It can motivate and can refresh the mind of the people. It can 'reboot' the personal and social life.
2. 67% youth under study think that literature can play a vital role in showing light to the uncertain future. It helps the youth in building their inner confidence and motivates in developing a good personality which in turn will help in positive social reforms.
3. The study reveals that Literature helps more than 70% of the youth to get rid of anxiety and boredom or to control emotions, confusions, frustrations etc.
4. 32% of the youth think that literature arouses morality as well as humanity in youth and sometimes makes them aware of the global/national/regional/ethnic issues too.
5. In the present time, though it seems that the subjects pertaining to science and technology are more sought after than literature and art, even than it is found that 43.08% of the youth are interested in reading literature while the other almost 40% are very much involved in reading and writing literature.

6. A large number of youth feel that literature since long has been the most common medium of entertainment, knowledge and information and has been playing a vital role in guiding the people. But in view of a little number of young people, literature has been gradually losing importance. The mediums other than literature are becoming more attractive day by day than literature.

   Only a small portion of the youth under study has some negative opinion about literature that in the present moving and digital age, reading of literature is nothing but a useless tradition with very slow action.

7. Among the various subject-matters of literature, the youth have more attraction to the following:
   Biographical, Travel, Self developmental, Social issues, Personal experiences of the author and the topics on Science and technology. On the other hand, among the different genres, Novel is found the most favorite genre of the youth.

**Closing Remarks:**

Literature may be a very influential means as well as medium in moulding the young generation in the right direction. Reading literature requires patience and it is time consuming. Transforming literature from print mode to E-mode will go a long way to attract many techno-savvy youth towards literature.

[Nirajana Mahanta Bezborah]
Principal Investigator
Department of Assamese,
Dibrugarh University.
Dibrugarh.

# যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ

## PRACTICAL EFFECTS OF LITERATURE ON YOUTH
## A Study in Select District of Assam

Final Report of the UGC Major Project

[Project ID: MRP-MAJOR-ASS-2013-23952]

**Principal Investigator:**
Prof. (Dr.) Nirajana Mahanta Bezborah

**Department of Assamese**
Dibrugarh University
Dibrugarh-786004
Assam

2018

# আগকথা

পৰিবৰ্তন আৰু প্ৰত্যাহ্বানৰ মূল কৰ্তা আৰু ভোক্তা যুৱ সমাজৰ লগত জড়িত চিন্তা-চৰ্চাই আমাৰ অধ্যয়ন-অন্বেষণৰ জগতখনত যথোপযুক্ত গুৰুত্ব লাভ কৰিব পৰা নাই। বৰ্তমান সময়ৰ বিজ্ঞান-প্ৰযুক্তি আধাৰিত-পৰিচালিত সমাজত সাহিত্যৰ নিচিনা প্ৰাচীন, পৰম্পৰাগতকলা মাধ্যমৰ বাস্তৱিকস্থিতি আৰু ভূমিকা সম্পৰ্কীয় অধ্যয়নৰ ক্ষেত্ৰতো সেই একে কথাই প্ৰযোজ্য। এনে অৱস্থাত আজিৰ যুৱ সমাজৰনো সাহিত্যৰ লগত সম্পৰ্ক কি, তেওঁলোকৰ দৃষ্টিত বৰ্তমান সময়ত ব্যক্তিগত তথা সামাজিক জীৱনৰ বিভিন্ন দিশত অৱলম্বন যোগোৱাৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা কি তথা লগতে ভৱিষ্যতে সাহিত্যই ব্যক্তি আৰু সমাজৰ বাবে বহন কৰা সম্ভাৱনা সম্পৰ্কে তেওঁলোকৰ ধাৰণা কি —এই বিষয়ৰ অন্বেষণৰযৎকিঞ্চিৎ প্ৰয়াসেৰে এই গৱেষণা কৰ্ম সম্পাদন কৰা হৈছে।

অসমৰ সাহিত্য সম্পৰ্কীয় অধ্যয়নৰ জগতখনৰ বাবে এতিয়াও যথেষ্ট আচহুৱা এই বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত অনুমোদন তথা অনুদান আগবঢ়োৱাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগ(UGC)ৰ ওচৰত এই গৱেষক কৃতজ্ঞ।

গৱেষণা কৰ্মটিৰ প্ৰতিবেদন যুগুত কৰাৰ সময়ত প্ৰকল্প সহায়ক ড° সচ্চিদানন্দ শইকীয়াই প্ৰতিবেদনত প্ৰয়োগ হোৱা, বিশেষকৈ প্ৰযুক্তিগত কৌশলখিনিৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে আমি তেওঁৰ শলাগলোৱাৰ লগতে তেওঁৰ উজ্জ্বল বিদ্যায়তনিক ভৱিষ্যৎ কামনা কৰিছোঁ।


ইতি

**নীৰাজনা মহন্তবেজবৰা**

অসমীয়া বিভাগ

ডিব্ৰুগড় বিশ্ববিদ্যালয়।

# তালিকা আৰু চিত্ৰৰ সূচী

## তালিকাঃ


**তালিকা ১**সাহিত্যৰ বিষয়বস্তুৰ প্ৰতি আকৰ্ষণ পৃ.৬৮

**তালিকা ২**সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণ পৃ.৭১

**তালিকা ৩**সাহিত্যৰ দ্বাৰা প্ৰভাৱিত দিশ পৃ.৭৪


## চিত্ৰঃ


**চিত্ৰ ১**দৈনন্দিন জীৱনত সাহিত্যৰ দ্বাৰা যুৱসমাজৰ দিগদৰ্শন পৃ.৩৮

**চিত্ৰ ২**সাহিত্যৰদ্বাৰা সমাজ-সংস্কাৰ/সামাজিক পৰিবৰ্তন পৃ.৪২

**চিত্ৰ ৩** সাহিত্যৰদ্বাৰা জাতীয়/গোষ্ঠীগত/বিশ্বাত্মক/আঞ্চলিকতাবাদী আদি ধৰণৰ ভাৱনা আৰু ধাৰণাৰ উত্থান, জাগৰণ কিম্বা বিকাশ পৃ.৪৬

**চিত্ৰ ৪** ব্যক্তিগত জীৱনৰ উৎকণ্ঠা, আবেগ, দ্বিধা, হতাশা নিয়ন্ত্ৰণত সাহিত্যপৃ.৫০

**চিত্ৰ ৫**তথ্যদাতাৰ পৰিসংখ্যা পৃ.৫৯

**চিত্ৰ ৬** সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা পৃ.৬০

**চিত্ৰ৭** বয়স অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা পৃ.৬১

**চিত্ৰ ৮** লিংগ অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা পৃ.৬১

**চিত্ৰ ৯** বিদ্যাশাখা অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা পৃ.৬২

**চিত্ৰ ১০** সাহিত্য পঢ়াৰ অভ্যাসৰ তীব্ৰতা পৃ.৬৩

**চিত্ৰ ১১** বয়স অনুযায়ী সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহ পৃ.৬৩

**চিত্ৰ ১২** লিংগ অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ অনুপাত পৃ.৬৪

**চিত্ৰ ১৩** বিদ্যাশাখা অনুযায়ী সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহ পৃ.৬৪

**চিত্ৰ ১৪** সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত পৃ.৬৫

**চিত্ৰ ১৫** বয়স অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত পৃ.৬৬

**চিত্ৰ ১৬** লিংগ অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত পৃ.৬৬

**চিত্ৰ ১৭** বিদ্যাশাখা অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত পৃ.৬৭

**চিত্ৰ ১৮**বিষয়বস্তুৰ প্ৰতি আকৰ্ষণ পৃ.৬৮

**চিত্ৰ ১৯** বয়স অনুযায়ী বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা পৃ.৬৯

**চিত্ৰ ২০** লিংগ অনুযায়ী বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা পৃ.৬৯
**চিত্ৰ ২১** বিদ্যাশাখা অনুযায়ী বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা পৃ.৭০
**চিত্ৰ ২২**সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণ পৃ.৭১
**চিত্ৰ ২৩** বয়স অনুযায়ী সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা পৃ.৭২
**চিত্ৰ ২৪** লিংগ অনুযায়ী সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা পৃ.৭২
**চিত্ৰ ২৫** বিদ্যাশাখা অনুযায়ী সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা পৃ.৭৩
**চিত্ৰ ২৬**সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ পৃ.৭৪
**চিত্ৰ ২৭** বয়স অনুযায়ী সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ পৃ.৭৫
**চিত্ৰ ২৮** লিংগ অনুযায়ী সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ পৃ.৭৫
**চিত্ৰ ২৯** বিদ্যাশাখা অনুযায়ী সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ পৃ.৭৬

# যুৱসমাজৰওপৰতসাহিত্যৰপ্ৰভাৱ

## বিষয়-সূচী


**অধ্যায়- ১ : প্ৰস্তাৱনা** পৃ.১-৭

১.১বিষয়-প্ৰৱেশ

১.২অধ্যয়নৰগুৰুত্ব

১.৩অধ্যয়নৰউদ্দেশ্য

১.৪গৱেষণাপ্ৰশ্নসম্পৰ্কীয়বিবৃতি

১.৫অধ্যয়নৰপৰিসীমা

১.৬গৱেষণাকৰ্মৰৰূপৰেখা

**অধ্যায়- ২ : পূৰ্বকৃতঅধ্যয়নৰসমীক্ষা** পৃ.৯-১৮

২.১ তাত্ত্বিক আধাৰ সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

২.২ যুৱ-অধ্যয়ন সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

২.৩ সাহিত্য আৰু সমাজ সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

২.৪ যুৱ সমাজ আৰু সাহিত্য সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

**অধ্যায়- ৩ : অধ্যয়নৰপদ্ধতি** পৃ.১৯-২৭

৩.১ অধ্যয়নৰ তাত্ত্বিক আধাৰ

৩.২ প্ৰস্তুত অধ্যয়নৰ কাৰ্য্যপদ্ধতি

৩.৩ গৱেষণা সঁজুলি

**অধ্যায়- ৪ : যুৱ সমাজৰ দৃষ্টিত সাহিত্যৰস্বৰূপআৰুউপযোগিতা** পৃ.২৯-৫৭

৪.১মনোৰঞ্জনৰমাধ্যমৰূপেসাহিত্য

৪.২জ্ঞানঅৰ্জনৰমাধ্যমৰূপেসাহিত্য

৪.৩দৈনন্দিনজীৱনৰপথপ্ৰদৰ্শকৰূপেসাহিত্য

৪.৪সামাজিকসংস্কাৰআৰুপৰিবৰ্তনৰকাৰকৰূপেসাহিত্য

৪.৫আঞ্চলিক/গোষ্ঠীগত/জাতীয়/বিশ্বাত্মকধাৰণাৰউত্থানআৰুবিকাশতসাহিত্য

৪.৬ব্যক্তিগতজীৱনৰউৎকণ্ঠা, আবেগ, দ্বিধা, হতাশানিয়ন্ত্ৰণতসাহিত্য

৪.৭ব্যক্তিগতজীৱনতসাহিত্যৰবিশেষপ্ৰভাৱতথাপ্ৰেৰণা

৪.৮সাহিত্য, ইলেক্ট্ৰনিকসাহিত্যআৰুসাহিত্যৰভৱিষ্যৎ

৪.৯ যুৱ সমাজৰ দৃষ্টিত সাহিত্যৰ উপযোগিতা

**অধ্যায়- ৫ : যুৱ সমাজত সাহিত্যৰ প্ৰয়োগ আৰু প্ৰভাৱ** পৃ.৫৯-৭৬

৫.১যুৱপাঠকৰসাহিত্যপঢ়াৰপ্ৰতিআগ্ৰহ

৫.২যুৱপাঠকৰসাহিত্যপঢ়াৰঅভ্যাস

৫.৩সাহিত্যৰদ্বাৰাপ্ৰভাৱিতযুৱপাঠক

৫.৪সাহিত্যৰবিষয়বস্তুআৰুযুৱপাঠক

৫.৫সাহিত্যৰবিভিন্নপ্ৰকাৰআৰুযুৱপাঠক

৫.৬সাহিত্যৰদ্বাৰাযুৱপাঠকপ্ৰভাৱিতহ'বপৰাবিষয়

**অধ্যায়-৬ : উপসংহাৰ** পৃ.৭৭-৮৩

৬.১যুৱ সমাজৰ দৃষ্টিত সাহিত্য

৬.২অধ্যয়নৰগুৰুত্বআৰুকাৰ্যকাৰিতা

৬.৩অধ্যয়নৰসীমাবদ্ধতা

৬.৪ভৱিষ্যৎঅধ্যয়নৰসম্ভাৱনা

৬.৫সামৰণীমন্তব্য

**গ্ৰন্থপঞ্জী** পৃ.৮৫-৯২

**পৰিশিষ্ট** পৃ.৯৩-৯৮

# অধ্যায়-১ : প্ৰস্তাৱনা

## ১.১ বিষয়-প্ৰবেশ

যুৱ প্ৰজন্ম সমাজৰ মেৰুদণ্ড স্বৰূপ। সমাজৰ এই অংশটো পৰিবৰ্তনৰ মুখ্য অভিকৰ্তা বা কাৰক(agent)। বৰ্তমানৰ অভূতপূৰ্ব পৰিবেশ-পৰিস্থিতিৰ সমান্তৰালভাবে যোৱা কেইটামান দশকত যুৱ সমাজৰ চিন্তা আৰু কৰ্মকে ধৰি সমস্ত গতি-বিধিলৈকো নাটকীয় পৰিবৰ্তন আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যুৱ সমাজে তেওঁলোকৰ মানসিক কৰ্ষণ, জ্ঞান-বুদ্ধি-কৌশলৰ পৰিবৰ্দ্ধনৰ বাবে কি বিচাৰে তথা কিহৰ বা কোনবোৰ বিষয়ৰ প্ৰতি আগ্ৰহ অনুভৱ কৰে সেই প্ৰসঙ্গবোৰ নিশ্চয় বিবেচনা কৰি চাব লগীয়া।

কলা মানৱ জীৱনৰ এক পুৰণি সঙ্গী। সভ্যতাৰ প্ৰথম খোজৰে পৰা ই মানৱ জীৱনৰ মনোৰঞ্জন, দিগ্‌দৰ্শন আৰু উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে। বিভিন্ন কলাৰ ভিতৰত সাহিত্যই সমাজৰ অধিক সংখ্যক লোকক জড়িত কৰিব পাৰে। অনেক সময়ত সঙ্গীত, চিত্ৰ, ভাস্কৰ্য্য, নাট্যাভিনয়, চলচ্চিত্ৰ, দূৰদৰ্শনৰ ধাৰাবাহিক আদিকে ধৰি আন বহুবিধ কলাৰ মূল ভেটি হিচাপে কাম কৰি অহাৰ দৃষ্টিৰেও বিভিন্ন কলাসমূহৰ ভিতৰত সাহিত্যৰ স্থান গুৰুত্বপূৰ্ণ। বৰ্তমান সময়তো সাহিত্যই আমাৰ সামগ্ৰিক জীৱনৰ চিন্তা আৰু কৰ্মৰ এক বৃহৎ অংশ আৱৰি আছে শিক্ষাৰ এক বিষয়ৰ ৰূপতো সাহিত্যৰ বিশেষ গুৰুত্ব পৰিলক্ষিত হয়। কিন্তু সমাজত সাহিত্যৰ প্ৰভাব আৰু প্ৰাসঙ্গিকতা সম্পৰ্কে তেনেকৈ চিন্তা-চৰ্চা হোৱা নাই।

বৰ্তমান সমাজ ভৌতিকতাবাদী দৃষ্টিসম্পন্ন। সাহিত্যৰ নিচিনা কলাতকৈ বিজ্ঞান-প্ৰযুক্তিৰ লগত জড়িত বিষয়হে আজিৰ সমাজৰ লগত অধিক খাপ খায়। সাহিত্য কল্পনা-আধাৰিত। বৰ্তমান সময়ত তথ্য-আধাৰিত বিষয়সমূহৰহে গুৰুত্ব অধিক। এনে অৱস্থাত সমাজ জীৱনৰ সবাতোকৈ সক্ৰিয় আৰু সম্ভাৱনাপূৰ্ণ অংশ যুৱ প্ৰজন্মৰ মাজত সাহিত্যৰ স্থান অথবা তেওঁলোকৰ ওপৰত সাহিত্যৰ প্ৰভাব কেনে ধৰণৰ সেই সম্পৰ্কে জানিবৰ বাবে “যুৱ সমাজত সাহিত্যৰ প্ৰভাৱ” শীৰ্ষক অধ্যয়নটি কৰিবলৈ আগবঢ়া হৈছে।

**১.২ অধ্যয়নৰ আৱশ্যকতা আৰু গুৰুত্ব**

প্ৰস্তুত অধ্যয়ন আংশিকভাৱে সাহিত্যিক আৰু আংশিকভাৱে সামাজিক প্ৰয়োজনীয়তাৰ লগত জড়িত। সেয়েহে কেইবাটিও দৃষ্টিকোণৰ পৰা অধ্যয়নটিৰ গুৰুত্ব প্ৰতিপাদিত হয়।

(ক) সাহিত্য অধ্যয়নৰ দৃষ্টিৰে

সাহিত্যৰ অধ্যয়ন সাধাৰণতে সাহিত্যৰ সাহিত্যিক মূল্যতে কেন্দ্ৰীভূত হৈ থকাৰ বাবে ইয়াত সাহিত্যৰ সামাজিক মূল্য প্ৰায় উপেক্ষিত হৈয়ে থাকি যায়। সাহিত্যৰ সামাজিক ভূমিকা স্পষ্ট কৰিব পৰা ধৰণৰ অধ্যয়ন নোহোৱাৰ কাৰণতে সাহিত্যৰ বহুমাত্ৰিক দিশসমূহ উপযুক্তভাৱে উদ্ঘাটিত হোৱা নাই। প্ৰকৃততে পাঠকৰ দ্বাৰা গ্ৰহণ আৰু পাঠকৰ ওপৰত তাৰ ইতিবাচক প্ৰভাৱতেহে কোনো ৰচনাই সাৰ্থকতা লাভ কৰেগৈ। সমাজত সাহিত্যৰ অস্তিত্ব আৰু সাহিত্যিকৰ স্থিতি সম্পৰ্কেও পাঠক সম্পৰ্কীয় অনুসন্ধানৰ পৰাহে জানিব পৰা যায়। পাঠকৰ ওপৰত ৰচনা আৰু ৰচনাকাৰৰ প্ৰভাৱ আৰু তাৰ পৰিণাম স্বৰূপে পাঠকৰ, অৰ্থাৎ সমাজৰ প্ৰতিক্ৰিয়া সম্পৰ্কীয় বিশ্লেষণেহে সামগ্ৰিকভাৱে সাহিত্য জগতখনৰ সামাজিক প্ৰাসঙ্গিকতা স্পষ্ট কৰিব পাৰে। সাহিত্যৰ সামাজিক প্ৰাসঙ্গিকতাৰ সন্ধানৰ প্ৰয়াসৰ দৃষ্টিৰে প্ৰস্তুত অধ্যয়ন গুৰুত্বপূৰ্ণ।

(খ) আন্তৰ্বিদ্যাৱৰ্তী অধ্যয়নৰ দৃষ্টিৰে

এই অধ্যয়নত সমাজতাত্ত্বিক পদ্ধতি আৰু দৃষ্টিভঙ্গীৰে সাহিত্যৰ বিচাৰ কৰা হৈছে। সাহিত্য এবিধ কলা। সমাজত্ত্ব সমাজবিজ্ঞানৰ অন্তৰ্গত এটা বিষয়। সমস্ত সমাজক সামৰি লোৱাৰ কথাটো এই দুয়োটা বিষয়ৰে উমৈহতীয়া লক্ষণ। সমাজক ব্যৱস্থিত কৰি, সমাজৰ ভাঙোনমুখী অথবা অসামাজিক তত্ত্ববিলাক দূৰ কৰি সুস্থ সামাজিক পৰিবেশৰ সৃষ্টি কৰা দুইটাৰে উদ্দেশ্য। যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয় এই অধ্যয়ন সাহিত্য আৰু সমাজতত্ত্ব দুয়োটা বিষয়ৰ লগত জড়িত আৰু এই অধ্যয়নে দুয়োটাৰে অধ্যয়ন-ক্ষেত্ৰত কিছুমান নতুন দিশৰ উন্মোচন তথা নতুন তথ্যৰ সংযোজন কৰাৰ সম্ভাৱনাৰ বাবে এই অধ্যয়ন গুৰুত্বপূৰ্ণ।

(গ) সাহিত্যৰ সমাজতত্ত্ব শীৰ্ষক বিদ্যাশাখাৰ দৃষ্টিৰে

বিংশ শতিকাৰ মাজ ভাগত প্ৰতিষ্ঠা লাভ কৰা 'সাহিত্যৰ সমাজতত্ত্ব' নামৰ বিষয়ে সাহিত্য অধ্যয়নৰ ক্ষেত্ৰখনত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটা ৰূপতে বিশ্ব জুৰি প্ৰসিদ্ধি আৰু প্ৰচলন লাভ কৰিছে৷ ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত, আনকি অসমৰো উচ্চশিক্ষাৰ পাঠ্যক্ৰমত ইয়াক অন্তৰ্ভুক্ত কৰা হৈছে৷ কিন্তু বাস্তৱ ক্ষেত্ৰত বৰ্তমানলৈকে এনে ধৰণৰ অধ্যয়ন গুণগত আৰু পৰিমাণগত উভয় দিশতে তেনেই নগণ্য। এই ফালৰ পৰাও প্ৰস্তুত অধ্যয়নে বিশেষ তাৎপৰ্য্য বহন কৰিছে।

(ঘ) সমাজত সাহিত্যৰ গুৰুত্ব স্পষ্ট কৰাৰ দৃষ্টিৰে

বৰ্তমানৰ ভৌতিকতাবাদী তথা বিজ্ঞান-প্ৰযুক্তি আধাৰিত যুগৰ সমাজত, বিশেষকৈ যুৱ সমাজত সাহিত্যৰ প্ৰাসঙ্গিকতা আৰু স্থিতিৰ উন্মোচন এই অধ্যয়নৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ। যুৱ সমাজৰ ৰুচি, বোধ, আগ্ৰহ, দৃষ্টিভঙ্গী আদিৰ ধাৰণা লাভ; কেনেকুৱা সাহিত্য যুৱ সমাজৰ গ্ৰহণযোগ্য; কেনেকুৱা সাহিত্যই সামাজিক পৰিবৰ্তনত সহায় কৰিব পাৰিব; সমাজৰ বাবে সাহিত্যৰ আৱশ্যকতা কিমান আদি কেইবাটাও আনুষঙ্গিক দিশ স্পষ্ট কৰাৰ ক্ষেত্ৰত এই অধ্যয়নৰ যথেষ্ট গুৰত্ব আছে।

**১.৩ অধ্যয়নৰ উদ্দেশ্য**

যুৱ সমাজৰ সামগ্ৰিক প্ৰেক্ষাপটৰ বিচাৰ কৰি তাৰ আধাৰত বৰ্তমানৰ দ্ৰুত পৰিবৰ্তিত প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ যুৱ সমাজ উপযুক্তভাবে সজ্জিত হ'ব পৰা সাধনসমূহৰ সন্ধান আৰু সিবিলাকৰ মাজত সাহিত্যৰ স্থিতি নিৰূপণক মূল লক্ষ্যৰ ৰূপত ৰাখি এই অধ্যয়ন প্ৰস্তুত কৰা হৈছে।

অধ্যয়নৰ মূল উদ্দেশ্যসমূহ হৈছেঃ

(ক) সাহিত্যৰ লগত যুৱ সমাজৰ সম্বন্ধ আৰু যুৱ সমাজৰ দৃষ্টিৰে সাহিত্যৰ উপযোগিতাৰ সন্ধান কৰা।

(খ) সাহিত্যৰ প্ৰতি যুৱ সমাজৰ নিজস্ব মনোভাব তথা সাহিত্য সম্পৰ্কীয় অভিজ্ঞতা-উপলব্ধি-প্ৰতিক্ৰিয়াৰ সন্ধান কৰা

(গ) জ্ঞান আৰু মনোৰঞ্জনৰ বিভিন্ন মাধ্যমৰ মাজত সাহিত্যৰ তুলনামূলক স্থিতিৰ সন্ধান কৰা।

(ঘ) সাহিত্যৰ বিভিন্ন বিধাৰ ভিতৰত যুৱ সমাজৰ বাবে প্ৰিয় আৰু গ্ৰহণযোগ্য বিধাসমূহ চিহ্নিত কৰা।

(ঙ) বৰ্তমানৰ বিজ্ঞান-প্ৰযুক্তি আধাৰিত বস্তুবাদী যান্ত্ৰিকতাৰ যুগত সাহিত্যৰ নিচিনা কলাৰ স্থিতি সম্পৰ্কীয় সন্ধান কৰা।

## ১.৪ গৱেষণা প্ৰশ্ন সম্পৰ্কীয় বিবৃতি

কোনো বিষয়ৰ জীৱন আৰু সমাজত থকা ভূমিকাৰে তাৰ প্ৰাসঙ্গিকতা বা আৱশ্যকতা নিৰ্ণিত হয়। সাহিত্যৰ ক্ষেত্ৰতো এই কথা খাটে। বৰ্তমানৰ সমাজখন সাহিত্য জগতখনৰ লগত কিমান আৰু কেনে ৰূপত জড়িত আৰু সেই দৰেই সমাজক সাহিত্যই কিমান পৰিমাণে আৰু কেনেদৰে প্ৰভাবিত কৰিবলৈ সক্ষম হৈছে– এইবিলাক বিষয়ত তথ্যসন্মতভাবে আলোকপাত কৰা হোৱা নাই। ভৱিষ্যৎ সমাজৰ আধাৰ আজিৰ যুৱ সমাজৰ বাস্তৱিকতা উপলব্ধি কৰাৰ বাবে জানিব-বুজিব লগীয়া প্ৰসঙ্গবোৰ উপযুক্তভাবে বিবেচিত-বিশ্লেষিত হোৱা নাই। ভবিষ্যতৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ যুৱ প্ৰজন্মৰ বাবে বৰ্তমান উপযুক্ত ভেটি নিৰ্মাণৰ ক্ষেত্ৰত সহায় কৰিব পৰা বিষয়সমূহৰ ভিতৰত সাহিত্য কিমান দূৰ সহায়ক হ'ব পাৰে সেই সম্পৰ্কে পদ্ধতিগত অধ্যয়ন-অন্বেষণৰ প্ৰয়োজন। এই উপলব্ধিৰ পৰা সৃষ্টি হোৱা প্ৰশ্নসমূহ এনে ধৰণৰ:

(ক) সাহিত্যৰ প্ৰতি যুৱ সমাজৰ সামগ্ৰিক ধাৰণা কি?

(খ) যুৱ সমাজ সাহিত্যৰ লগত কিমান জড়িত?

(গ) যুৱ সমাজৰ মনোৰঞ্জন, দিগ্‌দৰ্শন, জ্ঞানবৰ্দ্ধন, তথ্যযোগান আদিৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা কি আৰু কিমান?

(ঘ) কোনবোৰ আৰু কেনেবোৰ সাহিত্যৰ প্ৰতি যুৱ সমাজৰ আগ্ৰহ আৰু আকৰ্ষণ বেচি?

(ঙ) বিজ্ঞান-প্ৰযুক্তিৰ হাত ধৰি আগবঢ়া দ্ৰুত পৰিবৰ্তনশীল সামাজিক স্থিতিৰ পৰিপ্ৰেক্ষিতত সাহিত্যৰ ভৱিষ্যৎ সম্পৰ্কে যুৱ প্ৰজন্মৰ ধাৰণা কি?

(চ) সাহিত্যৰ নব্য ৰূপ ই-লিটাৰেচাৰ সম্পৰ্কে যুৱ প্ৰজন্মৰ ধাৰণা কি?

**১.৫ অধ্যয়নৰ পৰিসীমা**

বয়সৰ দৃষ্টিৰে যুৱাৱস্থাৰ পৰিসীমা সম্পৰ্কীয় কেইবাটাও মত আছে। ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়(Ministry of Youth and Sport Affairs)-এ ১৫-৩৫ বছৰৰ বয়সৰ সীমাক যুৱাৱস্থাৰ অন্তৰ্ভুক্ত কৰিছে। ৰাষ্ট্ৰীয় যুৱ নীতি, ২০১৪ (NYP, 2014) অনুসৰি যুৱাৱস্থাৰ সীমা ১৫-২৯ বছৰ। ২০১১ চনৰ লোকপিয়লত কিন্তু এই সীমা ১৫-২৪ বছৰ বুলি ধৰা হৈছে। ইউনেস্ক(United Nations Educational, Scientific and Cultural Organisation)ৰ মতেও ১৫ বছৰৰ পৰা ২৪ বছৰৰ মাজৰ বয়সেই যুৱাৱস্থা। কোনো কোনো ক্ষেত্ৰত আকৌ যুৱাৱস্থাৰ কথাটো বয়সেৰে নিৰ্ণিত নহয়; বৰঞ্চ সক্ৰিয়তা আৰু ধ্যান-ধাৰণাৰ আধাৰতহে এই কথাটো বিচাৰ কৰা হয়। সি যি কি নহওক, আমাৰ এই অধ্যয়নত ১৫-২৪ বছৰৰ সীমাৰেখাক গ্ৰহণ কৰি লৈ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি থকাসকলৰ ক্ষেত্ৰত উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ পৰ্য্যায়ত অধ্যয়ন কৰি থকা আৰু এই উপাধি লাভ কৰাৰ পাছতো দুই-এবছৰৰ সময় সামৰি লোৱা হৈছে। সাহিত্যকে ধৰি কলা শাখাৰ বিভিন্ন পাঠ্যক্ৰমৰ লগতে বিজ্ঞান, সমাজ বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা বিজ্ঞান আদি সকলো ধৰণৰ পাঠ্যক্ৰমৰ শিক্ষাৰ্থীক তথ্যদাতাৰ ৰূপত সামৰাৰ যত্ন কৰা হৈছে। সেইদৰে নমুনা বাচনিৰ সময়ত পুৰুষ-স্ত্ৰী, উচ্চশিক্ষিত-অৰ্দ্ধশিক্ষিত, ছাত্ৰ-চাকৰিয়াল-নিবনুৱা, আঞ্চলিক দৃষ্টিৰে গাঁও আৰু নগৰ উভয়কে সমানে জড়িত কৰাৰ প্ৰতিও দৃষ্টি ৰখা হৈছে।

আঞ্চলিক সীমাৰ ক্ষেত্ৰত ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট, কাৰবি আংলং, কামৰূপ(নগৰ), কামৰূপ(গ্ৰাম্য) আৰু লখিমপুৰ জিলা লোৱা হৈছে।

'যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ' প্ৰস্তুত অধ্যয়নৰ মুখ্য অনুসন্ধান ৰূপে বিবেচিত হৈছে যদিও ইয়াৰ বিপৰীতে যুৱ পাঠকসকলে কোনো বিশেষ ধৰণৰ সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হৈ তেনে ধৰণৰ সাহিত্যৰ পুনঃ পুনঃ সৃষ্টিত প্ৰভাৱ পেলাইছে নেকি বা নিজেও তেনে সাহিত্য সৃষ্টিৰ বাবে অনুপ্ৰাণিত হৈছে নেকি তেনে বিষয়ো গৌণ ৰূপত অনুসন্ধানৰ আওতাত ৰখা হৈছে।

সাহিত্যৰ প্ৰভাৱ অনুসন্ধানৰ ক্ষেত্ৰত সাহিত্যৰ স্থান-কাল-ভাষাৰ কোনো বিভাজন নেৰাখি সাহিত্য মাত্ৰকে সীমাৰ ভিতৰত ৰখা হৈছে৷ সেইদৰে সাহিত্যৰ প্ৰকাশ-মাধ্যমৰ ক্ষেত্ৰতো ছপা আৰু ইলেকট্ৰনিক দুয়ো মাধ্যমেৰে প্ৰকাশিত সাহিত্য সম্পৰ্কীয় বিবেচনাৰ সুযোগ ৰখা হৈছে।

সাহিত্যৰ লগত যুৱ সমাজৰ সম্পৰ্ক বিশ্লেষণ কৰাৰ ক্ষেত্ৰত বৰ্তমান সময়ত অসমৰ যুৱ সমাজৰ ওপৰত থকা সাহিত্যৰ প্ৰভাবহে প্ৰস্তুত অধ্যয়নত সামৰি লোৱা হৈছে। যুৱ সমাজৰ বাবে উপযোগী সাহিত্য, যুৱ সমস্যাৰ লগত জড়িতভাবে সাহিত্য আদি বিষয়সমূহ গুৰুত্বপূৰ্ণ হ'লেও অধ্যয়নৰ পৰিধিত সামৰা হোৱা নাই।

**১.৬ গৱেষণা কৰ্মৰ ৰূপৰেখা**

সংগৃহীত তথ্যসমূহৰ বিশ্লেষণেৰে ক্ৰমাগতভাবে অনুসন্ধানলব্ধ সিদ্ধান্তৰ দিশে আগবঢ়াৰ ক্ষেত্ৰত অধ্যয়নটি মুঠ ছয়টা অধ্যায়ত বিভাজন কৰি লোৱা হৈছে৷

- অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব, পৰিসীমা, তথা গৱেষণা প্ৰশ্নৰ বিবৃতিৰে 'প্ৰস্তাবনা' অধ্যায়ত মূল অধ্যয়নৰ বাবে দিশ নিৰ্দ্ধাৰণ কৰি লোৱা হৈছে।
- 'পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা' শীৰ্ষক দ্বিতীয় অধ্যায়ত প্ৰাসঙ্গিক সাহিত্যৰ পুনৰীক্ষণৰ যোগেদি প্ৰস্তুত অধ্যয়নৰ ভেটি নিৰ্মাণ কৰি লোৱা হৈছে। এই ক্ষেত্ৰত প্ৰাসঙ্গিক সাহিত্যসমূহ চাৰি ভাগত ভাগ কৰি আলোচনা কৰা হৈছে। সেই কেইটা হ'ল ক্ৰমে (ক) তাত্ত্বিক আধাৰ সম্পৰ্কীয়, (খ) যুৱ-অধ্যয়ন সম্পৰ্কীয় (গ) সাহিত্য আৰু সমাজ সম্পৰ্কীয় তথা (ঘ) যুৱ সমাজ আৰু সাহিত্য সম্পৰ্কীয়
- 'অধ্যয়নৰ পদ্ধতি' শীৰ্ষক তৃতীয় অধ্যায়ত অধ্যয়নৰ বাবে গ্ৰহণ কৰা (ক) তাত্ত্বিক আধাৰ আৰু (খ) গৱেষণা সঁজুলিৰে সৈতে ব্যাৱহাৰিক কাৰ্য্যপদ্ধতিৰ পৰিচয় দাঙি ধৰা হৈছে।
- সংগৃহীত তথ্যৰ বিশ্লেষণেৰে মূল অনুসন্ধান কাৰ্য 'যুৱ সমাজৰ দৃষ্টিত সাহিত্যৰ স্বৰূপ আৰু উপযোগিতা' তথা 'যুৱ সমাজত সাহিত্যৰ প্ৰয়োগ আৰু প্ৰভাৱ' শীৰ্ষকেৰে ক্ৰমে চতুৰ্থ আৰু পঞ্চম অধ্যায়ত সন্নিবিষ্ট হৈছে। এই দুটা অধ্যায়ত গুণগত(Qualitative) আৰু পৰিমাণগত(Quantitative) দুয়োটি পদ্ধতিৰে

সংগৃহীত তথ্যৰ বিশ্লেষণ কৰা হৈছে। সংগৃহীত তথ্য আৰু বিশ্লেষণৰ আৱশ্যকতা অনুসৰি দুয়োটা অধ্যায়কে কিছুমান শীৰ্ষকেৰে উপ-অধ্যায়ত ভাগ কৰি লোৱা হৈছে।

- ষষ্ঠ অধ্যায় 'উপসংহাৰ'ত অনুসন্ধানলব্ধ সিদ্ধান্তসমূহ একত্রে সন্নিবিষ্ট কৰাৰ লগতে লাভ কৰা পৰিণামৰ যোগেদি অধ্যয়নটোৰ গুৰুত্ব আৰু কাৰ্যকাৰিতা, সীমাবদ্ধতা তথা ভৱিষ্যৎ অধ্যয়নৰ আৱশ্যকতা আৰু সম্ভাৱনা সম্পৰ্কেও মন্তব্য আগবঢ়োৱা হৈছে।

❑❑❑

# অধ্যায়-২ : পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

মূল বিষয়ৰ লগত জড়িত বিদ্যায়তনিক ক্ষেত্ৰসমূহত ইতিমধ্যে সম্পাদিত হোৱা অধ্যয়নসমূহৰ গতি-বিধিৰ এক সমীক্ষা কৰি লোৱাটো গৱেষণা কৰ্ম মাত্ৰৰে প্ৰথম খোজ। ইয়াৰ দ্বাৰা মূল বিদ্যাশাখা(Discipline)ৰে পৰা ধৰি বিষয়ৰ লগত জড়িত বিভিন্ন ক্ষেত্ৰসমূহত আগতে হৈ যোৱা অধ্যয়নসমূহৰ গতি-প্ৰকৃতি, অৱদান স্পষ্ট হোৱাৰ লগতে পূৰ্বকৃত কৰ্মসমূহৰ লগত প্ৰস্তাৱিত অধ্যয়নৰ ব্যৱধান(Research Gap) স্পষ্ট হৈ পৰে। প্ৰস্তাৱিত অধ্যয়নৰ যোগেদি সমাধান কৰিবলৈ বিচৰা সমস্যা তথা অধ্যয়নটিৰ গুৰুত্বও ফটফটীয়াকৈ জিলিকি উঠে আৰু অধয়নৰ বাবে উপযুক্ত পদ্ধতিৰ সন্ধান আৰু নিৰ্ণয়তো সহায় হয়।

'যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ' শীৰ্ষক প্ৰস্তুত অধ্যয়ন মূলতে সমাজত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয়। ইয়াত সমাজৰ যুৱ শ্ৰেণীৰ সঁহাৰি বা মতামতৰ আধাৰত সাহিত্যৰ সামাজিক প্ৰভাৱ নিৰ্ণয় কৰিবলৈ বিচৰা হৈছে। অধ্যয়নটিৰ তাত্ত্বিক আধাৰ হ'ল 'সাহিত্যৰ সমাজতত্ত্ব' অথবা ই 'সাহিত্যৰ সমাজতত্ত্ব' নামৰ বিদ্যাশাখাৰ অন্তৰ্গত। সেই ফালৰ পৰা অধ্যয়নৰ তাত্ত্বিক আধাৰ স্বৰূপে সাহিত্যৰ সমাজতত্ত্ব সম্পৰ্কীয় পূৰ্বকৃত অধ্যয়নৰ পুনৰীক্ষণ ইয়াত সন্নিবিষ্ট কৰাৰ প্ৰাসঙ্গিকতা আছে। এই অধ্যয়ন মূলতে যুৱ সমাজৰ মতামত আধাৰিত হোৱাৰ বাবে যুৱ-অধ্যয়ন সম্পৰ্কীয় সাহিত্যৰ সমীক্ষাই ইয়াত দ্বিতীয় স্থান পাইছে। সমাজত সাহিত্যৰ ভূমিকা মূল বিষয় তথা সাহিত্য সম্পৰ্কীয় মতামত যুৱ সমাজৰ পৰা লোৱা হৈছে কাৰণে 'সাহিত্য আৰু সমাজ' তথা 'যুৱ সমাজ আৰু সাহিত্য' এই দুই শীৰ্ষকৰ অন্তৰ্গতভাৱেও পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা আগবঢ়োৱা হৈছে।

## ২.১ তাত্ত্বিক আধাৰ সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

১৮০০ চনত Madame de Stael-ৰ 'সামাজিক সংস্থাবিলাকৰ লগত সাহিত্যৰ সম্পৰ্ক' মূল ফৰাছী ভাষাত 'De la literature consideree dans ses rapports avec les institutions sociales' নামেৰে প্ৰকাশিত হৈছিল। এই গ্ৰন্থত পোন প্ৰথম

বাৰৰ বাবে সাহিত্যৰ সামাজিক আধাৰ তথা সাহিত্যৰ সামাজিক অস্তিত্ব সম্পৰ্কে অধ্যয়ন কৰা হয়। অৱশ্যে সাহিত্য আৰু সমাজৰ সম্পৰ্কই হওক অথবা লেখক আৰু সমাজৰ সম্বন্ধই হওক, এনেকুৱা ধৰণৰ কোনো প্ৰসঙ্গ এই গ্ৰন্থখনত সঠিকভাৱে আলোচিত হোৱা বুলি ক'ব নোৱাৰি। হ'লেও গ্ৰন্থখনে এনেধৰণৰ এক সম্বন্ধৰ বিদ্যমানতাৰ কথা প্ৰথম পোহৰলৈ আনে।

'History of English Literature' নামৰ গ্ৰন্থত ১৮৭১ চনত Hyppolite Adolphe Taine-এ সাহিত্যৰ সমাজতত্ত্বক চাৰি ভাগত বিভক্ত কৰিছে – সাহিত্যৰ ভৌতিক আধাৰ হিচাপে সমাজ, লেখকৰ গুৰুত্ব আৰু মহত্ত্বৰ বিশ্লেষণ, সাহিত্যত সমাজৰ প্ৰতিফলনৰ ব্যাখ্যা আৰু পাঠকৰ লগত সাহিত্যৰ সম্বন্ধ। সাহিত্য আৰু পাঠকৰ সম্বন্ধৰ ক্ষেত্ৰত সাহিত্যৰ নিৰ্মাণ তথা পৰিবৰ্তনত পাঠকৰ ভূমিকা সম্পৰ্কেও এই গ্ৰন্থত আলোচনা কৰা হৈছে।

'Literature and Image of Man' নামৰ ৰচনা(১৯৫৭)ত Leo Lowenthal-এ ১৬০০ চনৰ পৰা ১৯০০ চনলৈকে ইউৰোপত ৰচিত উপন্যাস আৰু নাটকত চিত্ৰিত মানুহৰ সামগ্ৰিক চিত্ৰৰ অধ্যয়ন কৰিছে।

Lewis A. Coser-এ ৰচনা কৰা 'Sociology Through Literature' (১৯৬৩)ত চাৰ্লচ ডিকেন্সৰ উপন্যাসৰ সহায়ত ঊনবিংশ শতিকাৰ ইংলণ্ডৰ সমাজত মূল্যবোধৰ পৰিবৰ্তন সম্বন্ধে অধ্যয়ন কৰা হৈছে।

ইংলণ্ডৰ Raymond Wiliams-এ ৰচনা কৰা ১৯৬৫ চনত প্ৰকাশিত 'The Long Revolution' নামৰ গ্ৰন্থত ইংলণ্ডত সাহিত্যৰ বিকাশৰ লগত পাঠক সমাজৰ সম্বন্ধৰ অধ্যয়ন কৰা হৈছে। এই গ্ৰন্থই কেৱল ইংলণ্ডৰ সাহিত্যকহে সামৰি লৈছে আৰু পাঠক সমাজত সাহিত্যৰ ভূমিকা ইয়াত চৰ্চিত হোৱা নাই।

১৯৭০ চনত প্ৰকাশিত Milton C. Albrecht আৰু সহযোগীসকলৰ দ্বাৰা সম্পাদিত 'The Sociology of Art and Literature' নামৰ গ্ৰন্থত Judith R. Kramer নামৰ লেখকৰ 'The Social Role of the Literary critic' শীৰ্ষকেৰে এটা অধ্যয়ন সন্নিবিষ্ট হৈছে। তাত ঊনবিংশ আৰু বিংশ শতিকাৰ ইংলণ্ড আৰু আমেৰিকাৰ

কিছুমান সমালোচকৰ উল্লেখেৰে সাহিত্য-সমালোচকৰ সামাজিক ভূমিকা আলোচনা কৰা হৈছে। সাহিত্যৰ সামাজিক ভূমিকা সম্পৰ্কীয় আলোচনা তাত সন্নিবিষ্ট হোৱা নাই।

Robert Darnton-ৰ ৰচনা 'Reading, Writing and Publishing in Eighteenth Century France: A Case Study in the Sociology of Literature' (১৯৭১)ত লেখক আৰু পাঠক সম্পৰ্কে পৰিমাণগত অধ্যয়ন আগবঢ়োৱাৰ লগতে সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক পটভূমিৰ পৰিপ্ৰক্ষিতত  অষ্টাদশ শতিকাৰ সমস্ত প্ৰকাশন প্ৰক্ৰিয়াটো বিচাৰ কৰাৰ যত্ন কৰা হৈছে।

সাহিত্যৰ সমাজতত্ত্বৰ বৈশিষ্ট্য প্ৰকাশক গ্ৰন্থ Robert Escarpit-ৰ 'Sociology of Literature' (১৯৭১) নামৰ তাত্ত্বিক গ্ৰন্থখনত গ্ৰন্থ উদ্যোগ, সাহিত্যৰ উৎপাদন, বিতৰণ আদিৰ বিস্তৃত প্ৰসঙ্গৰ লগতে সাহিত্যৰ সমাজতাত্ত্বিক অধ্যয়নত পাঠকৰ গুৰুত্ব সম্পৰ্কীয় বিষয়েও আলোচনাত বিশেষ স্থান লাভ কৰিছে।

Diana T. Laurenson আৰু Alan Swingewood-এ ৰচনা কৰা 'The sociology of Literature'নামৰ তিনিটা খণ্ডত প্ৰকাশিত গ্ৰন্থ(১৯৭২) খনৰ প্ৰথম ভাগত সাহিত্যৰ সমাজতত্ত্বৰ তাত্ত্বিক দিশ, দ্বিতীয় ভাগত লেখকৰ অধ্যয়ন সম্পৰ্কীয় দিশ, আৰু তৃতীয় ভাগত চাৰ্ত্ৰে, ফিল্ডিং, কেমু, নাথানিয়েল ৱেষ্ট আৰু অৰৱেলক লৈ লেখক সম্পৰ্কীয় প্ৰায়োগিক অধ্যয়ন সন্নিবিষ্ট কৰা হৈছে।

Lucien Goldmann-এ তেওঁৰ 'Towards a Sociology of the Novel' নামৰ গ্ৰন্থ (১৯৭৬)ত  সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰে সাহিত্যৰ অধ্যয়নৰ বিষয়টো চৰ্চালৈ আনিছে।

'Sociology of Indian Literature' নামৰ গৱেষণা গ্ৰন্থ(১৯৮৭)ত Sulochana Rangeya Raghava-এ দহখন প্ৰখ্যাত হিন্দী উপন্যাসক কেন্দ্ৰ কৰি সংশ্লিষ্ট ঔপন্যাসিক কেইজনৰ ব্যক্তিত্ব আৰু সৃষ্টিশীলতা; ঔপন্যাসিকৰ লগত সমসাময়িক সমাজৰ সম্পৰ্ক তথা নিৰ্বাচিত উপন্যাস কেইখনত প্ৰতিফলিত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰসঙ্গৰ অধ্যয়ন-বিশ্লেষণ আগবঢ়াইছে।

'Sociology of Literature' নামৰ Syed Fazal Rab-ৰ দ্বাৰা ৰচিত গ্ৰন্থখন(১৯৯২)ত উৰ্দু উপন্যাস আৰু ঔপন্যাসিকৰ বিষয়ে সমাজতাত্বিক দৃষ্টিভঙ্গীৰে আলোচনা কৰা হৈছে।

James F. English নামৰ গৱেষকৰ গৱেষণা পত্ৰ 'The Sociology of Literature After "The Sociology of Literature" (২০১০)ত জ্ঞান-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত সাহিত্যৰ সমাজতত্ত্বৰ প্ৰকৃতি স্পষ্ট কৰা হৈছে।

R.S. Baweja-ৰ 'Studies in Psychology and Sociology of Literature' নামৰ গ্ৰন্থ(২০১২)ত পাঠকৰ দ্বাৰা সাহিত্যৰ সংগ্ৰহণৰ প্ৰসঙ্গটো মনোবৈজ্ঞানিক তথা সমাজতাত্ত্বিক ধৰাতলত বিশ্লেষণ কৰা হৈছে।

Arun Murlidhar Jadhav-ৰ গৱেষণা পত্ৰ(২০১২) 'The Sociology of Literature: A Study of George Orwell's Down and out in Paris and London'-ত জৰ্জ অৰৱেলৰ অ-কাল্পনিক ৰচনাৰ সামাজিক অস্তিত্ব আৰু সফলতা নিৰ্দ্ধাৰণৰ আঁৰৰ কাৰকবিলাকৰ বিষয়ে অধ্যয়ন কৰা হৈছে।

Subhash Sharma-ৰ 'Sociology of Literature' নামৰ কিতাপ(২০১৩)ত প্ৰেমচন্দ, জগদীশ চন্দ্ৰ, গিৰিৰাজ কিশোৰ আৰু পাণ্ডেয় বেচন শৰ্মা 'উগ্ৰ'ৰ উপন্যাসৰ বিশেষ উল্লেখেৰে হিন্দী উপন্যাসৰ সমাজতাত্ত্বিক অধ্যয়ন আগবঢ়োৱা হৈছে।

ভাৰতীয় ভাষাৰ অধ্যয়নৰ ভিতৰত হিন্দী ভাষাত মৈনেজৰ পাণ্ডেয়ৰ 'সাহিত্য কে সমাজশাস্ত্ৰ কী ভূমিকা'(১৯৮৯) নামৰ কিতাপত সাহিত্যৰ সমাজতত্ত্ব বিষয়টোৰ ধাৰণা, উৎপত্তি, প্ৰকৃতি, প্ৰয়োগ আদি গোটেইখিনি কথা সামৰা হৈছে।

সতীশ দুবে নামৰ লেখকে 'সমাজশাস্ত্ৰীয় পৰিপ্ৰেক্ষ্য মেঁ প্ৰেমচন্দ সাহিত্য' নামৰ গ্ৰন্থ (২০০৭)খনত হিন্দী আৰু উৰ্দু দুয়োটা ভাষাৰে প্ৰসিদ্ধ লেখক প্ৰেমচন্দৰ সমস্ত ৰচনাকে দৃষ্টিত ৰাখি গ্ৰাম্য জীৱন তথা নগৰীয়া জীৱন – এই দুটা ভাগত বিভক্ত কৰি সিবিলাকৰ সামাজিক পৃষ্ঠভূমি আলোচনা কৰিছে। সমাজ সম্পৰ্কে লেখক প্ৰেমচন্দৰ চিন্তা আৰু দৰ্শনেও আলোচনাত স্থান লাভ কৰিছে।

গোৰখনাথ তিৱাৰীৰ 'অন্তিম দশক কে হিন্দী উপন্যাসোঁ কা সমাজশাস্ত্রীয় অধ্যয়ন' শীৰ্ষক গৱেষণা কৰ্ম(২০০৮)ত বিংশ শতিকাৰ অন্তিম দশকৰ বিছখন নিৰ্বাচিত উপন্যাসত চিত্রিত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক তথা ধাৰ্মিক সমস্যাসমূহ সিবিলাকৰ আৰ্থ-সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক পৃষ্ঠভূমিত ৰাখি বিশ্লেষণ কৰা হৈছে।

অসমীয়া ভাষাত নীৰাজনা মহন্ত বেজবৰাই 'সাহিত্যৰ সমাজতত্ত্ব: সিদ্ধান্ত আৰু প্ৰয়োগ' নামৰ গ্ৰন্থ(২০১১)ত বিষয়টোৰ তাত্ত্বিক আৰু প্ৰায়োগিক পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰিছে।

## ২.২ যুৱ-অধ্যয়ন সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

সাহিত্য আৰু যুৱ সমাজ – এই দুটা বিষয় প্ৰস্তুত অধ্যয়নৰ মূল বিন্দু। সাহিত্যৰ প্ৰভাৱ অধ্যয়ন কৰিবলৈ যাওঁতে পৃষ্ঠভূমিৰ ৰূপত যুৱ-অধ্যয়ন সম্পৰ্কীয় বিভিন্ন দিশসমূহৰো এই অধ্যয়নত বিশেষ গুৰুত্ব আছে।

Alton Harrison Jr. আৰু Eldon G. Scriven-এ লিখা The Clearing House, Vol.44, No.2(Oct.,1969)-ত প্ৰকাশিত 'TV and Youth' নামৰ লেখাটোত জ্ঞান অৰ্জন আৰু মনোৰঞ্জনৰ সকলো মাধ্যমৰ ভিতৰত টি.ভি. যুৱ সমাজৰ বাবে অধিক গ্ৰহণযোগ্য হৈ উঠাৰ বিষয়ে অধ্যয়ন কৰা হৈছে।

The Journal of Interdisciplinary History,Vol.2, No.2(১৯৭১)ত প্ৰকাশিত Joseph F. Kett-ৰ 'Adolescence and Youth in Nineteenth Century America' শীৰ্ষক গৱেষণা পত্ৰত ঊনবিংশ শতিকাৰ আমেৰিকাৰ কৈশোৰ আৰু যুৱ সমাজৰ সমস্যা আৰু বিকাশ সম্পৰ্কে চৰ্চিত হৈছে।

The family Coordinator, Vol.24, No.2(April,1975)-ত প্ৰকাশিত B.G. Gunter আৰু Harvey A. Moore-এ ৰচনা কৰা 'Youth, Leisure and Post-Industrial Society : Implications for the Family' নামৰ গৱেষণা পত্ৰত যুৱ মনোবিজ্ঞানৰ সম্পৰ্কত অধ্যয়ন আগবঢ়োৱা হৈছে।

Humboldt Journal of Social Relations, Vol.21, No2 (১৯৯৫)শীৰ্ষক গৱেষণা পত্ৰিকাত প্ৰকাশিত Ronald L. Taylor-ৰ গৱেষণা পত্ৰ 'African

American Youth in the 1990s'-ত আমেৰিকাৰ আফ্ৰিকান যুৱ সমাজৰ আৰ্থ-সামাজিক কল্যাণ সম্পৰ্কে অধ্যয়ন আগবঢ়োৱা হৈছে।

Annual Review of Anthropology, Vol.31(2002)-ত Marv Bucholtz-এ লিখা 'Youth and Cultural Practice' নামৰ লেখাটোত বৰ্তমান কালৰ যুৱ সংস্কৃতিৰ সংমিশ্ৰিত চৰিত্ৰৰ বিষয়ে বিশ্লেষণ কৰা হৈছে আৰু ইয়াৰ উপাদান স্বৰূপে গোলকীয় পূজিবাদ, বহুজাতিকতা তথা স্থানীয় সংস্কৃতিৰ সৃষ্টিশীল সমন্বয়ৰ প্ৰসঙ্গও উত্থাপিত হৈছে।

Journal of Consumer Psychology, Vol.13, No.3(2003)-ত Marvin E. Goldberg আৰু তেওঁৰ সহযোগীসকলে 'Understanding Materialism among Youth' নামৰ গৱেষণা পত্ৰত যুৱ সমাজত গঢ় লোৱা বস্তুবাদী মূল্যবোধৰ বিষয়ে অধ্যয়ন কৰিছে।

The annals of the American academy of political and Social Sciences, Vol.591(২০০৪)ত প্ৰকাশিত Nansook Park-ৰ 'Character Strengths and Positive Youth Development' নামৰ গৱেষণা পত্ৰত যুৱ সমাজৰ বিকাশ সম্পৰ্কীয় ভিন ভিন দিশসমূহ আলোচনা কৰা হৈছে।

Shiela Bora আৰু S.D. Goswami-এ সম্পাদনা কৰি উলিওৱা আলোচনা চক্ৰত পঠিত গৱেষণা পত্ৰৰ একত্ৰ প্ৰকাশন(২০০৭) 'Youth at the Crossroads' দুটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত সাধাৰণভাৱে যুৱ বিক্ষোভৰ সম্পৰ্কত চৰ্চা সন্নিবিষ্ট হোৱা গ্ৰন্থখনৰ দ্বিতীয় খণ্ডত যুগসন্ধিত অৱস্থান কৰা বৰ্তমানৰ উত্তৰ-পূব ভাৰতৰ যুৱ সমাজৰ বিষয়ে অধ্যয়ন আছে।

Martin Robb-এ সম্পাদনা কৰা 'Youth in Context : Frameworks, Settings and Encounters' নামৰ কিতাপখন(২০০৭)ত সন্নিবিষ্ট হোৱা লেখাবিলাকত যুৱ প্ৰজন্মৰ লগত জড়িতভাৱে থকা নতুন নতুন নীতি(Policy) আৰু সিবিলাকৰ প্ৰয়োগ সম্বন্ধীয় কথাৰে সৈতে যুৱ প্ৰজন্মক বুজাৰ আৰু তেওঁলোকৰ লগত কাম কৰাৰ উপায় সম্বন্ধে অধ্যয়ন আগবঢ়োৱা হৈছে।

Sociological Bulletin, Vol.58, No.3(Sep-Dec, 2009)ত প্ৰকাশিত A.K. Nongkynrih-ৰ 'Problems of the Youth of North-East India : A Sociological Inquiry' নামৰ গৱেষণা পত্ৰত উত্তৰ-পূব ভাৰতৰ যুৱ সম্প্ৰদায়ৰ সমস্যাৱলীৰ সমাজতাত্ত্বিক বিশ্লেষণ প্ৰস্তুত কৰা হৈছে।

'Practical Interventions for Young People at Risk'(২০০৯)নামেৰে Kathryn Geldard-এ সম্পাদনা কৰা গ্ৰন্থত যুৱ সমাজৰ লগত সম্পৰ্ক স্থাপনৰ আৰু যুৱ সমাজৰ পথপ্ৰদৰ্শনৰ ক্ষেত্ৰত কৰিব লগীয়া হস্তক্ষেপ বা ল'ব লগীয়া মধ্যস্থতাকাৰীৰ ভূমিকা সম্পৰ্কে চিন্তা-চৰ্চা প্ৰকাশ পাইছে।

Review of Research in Education, Vol.33(২০০৯) গৱেষণা পত্ৰিকাত প্ৰকাশ পোৱা Glynda Hull, Jessica Zacher আৰু Liesel Hibbert-ৰ দ্বাৰা সমূহীয়াভাৱে লিখিত 'Youth, Risk and Equity in a Global World' নামৰ লেখাত বৰ্তমানৰ গোলকীয় বিশ্বত যুৱ সমাজে মুখামুখি হোৱা সংকট আৰু পক্ষপাতশূন্য ন্যায্যতাৰ বিষয়ে চৰ্চা কৰা হৈছে।

Amanda Caffey আৰু Tom Hall-এ সম্পাদনা কৰা 'Researching Young People' নামৰ গ্ৰন্থ (২০১১) সৰ্বমুঠ তিনিটা খণ্ডত প্ৰকাশিত। এই গ্ৰন্থ প্ৰকৃততে যুৱ সমাজৰ বিষয়ে পৰীক্ষাভিত্তিক (Empirical) গৱেষণাৰ সম্পৰ্কত ৰচিত বিভিন্ন লেখাৰ সংকলন। লেখাসমূহে যুৱ-অধ্যয়ন তথা যুৱ-গৱেষণা সম্পৰ্কীয় দিশসমূহ স্পষ্ট কৰিছে।

'Working with Young People' নামৰ গ্ৰন্থখন(২০১৩) Sheila Curren, Roger Harrison আৰু Donald Mackinnon-এ সমূহীয়াভাৱে সম্পাদনা কৰা এখন গ্ৰন্থ। এই গ্ৰন্থত যুৱ প্ৰজন্মৰ লগত কাম কৰাৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা তত্ত্ব আৰু প্ৰয়োগ বিভিন্ন দৃষ্টিকোণৰ পৰা চৰ্চিত হৈছে। যুৱ প্ৰজন্মৰ সামাজিক বৰ্ণনাপ্ৰসঙ্গ(Context), যুৱ প্ৰজন্মৰ বাবে অনানুষ্ঠানিক শিক্ষাৰ গুৰুত্ব আদি প্ৰসঙ্গইও কিতাপখনত চৰ্চা লাভ কৰিছে।

Andy Ruddock-ৰ 'Youth and Media' শীৰ্ষক গ্ৰন্থ(২০১৩)ত যুৱ প্ৰজন্মৰ জীৱনৰ আকৃতি-প্ৰকৃতিৰ নিৰ্ণায়ক হিচাপে মিডিয়াক চৰ্চালৈ আনি যুৱ প্ৰজন্মৰ পৰিচয় আৰু সামাজিক কল্পনা মিডিয়াই কি দৰে পৰিভাষিত কৰিছে তাৰ অধ্যয়ন আগবঢ়োৱা হৈছে।

'Media, youth and Values' নামেৰে J. Josephine-ৰ সম্পাদিত গ্ৰন্থ(২০১৫)খন একে শীৰ্ষকৰে কনফাৰেন্স পেপাৰৰ প্ৰকাশিত ৰূপ। বিভিন্ন প্ৰকাৰৰ মিডিয়াৰ লগত যুৱ সমাজ আৰু মূল্যবোধৰ প্ৰসঙ্গ কি দৰে জড়িত হৈছে তথা যুৱ সমাজ আৰু মূল্যবোধ মিডিয়াৰ দ্বাৰা কি দৰে প্ৰভাৱিত হৈছে সেই সম্পৰ্কে ইয়াত সন্নিবিষ্ট লেখাসমূহত বিশ্লেষিত হৈছে।

ভাৰতীয় ভাষাতো যুৱ অধ্যয়ন সম্পৰ্কীয় যথেষ্ট চিন্তা-চৰ্চা হৈছে। নন্দ কিশোৰ কুমাৰত আৰু সতীশ মীণাই হিন্দী ভাষাত ৰচনা কৰা 'যুৱা সংস্কৃতি'(২০১১) মূলতে যুৱ সমাজৰ প্ৰকৃতি আৰু বিচাৰধাৰা সম্পৰ্কীয় গ্ৰন্থ। ইয়াত বিশেষকৈ বিশ্বায়নৰ প্ৰভাৱত যুৱ সংস্কৃতিলৈ অহা পৰিবৰ্তন আৰু সমাস্যাবিলাক চিত্ৰিত হৈছে।

'হিন্দী নাটকোঁ মেঁ যুৱা মানসিকতা' নামৰ গ্ৰন্থ(২০১২)ত এল. পী. লমাণী নামৰ লেখকে বিভিন্ন যুগৰ, বিভিন্ন নাট্যকাৰৰ হিন্দী নাটকসমূহৰ যোগেদি যুৱ মানসিকতাৰ অধ্যয়নৰ প্ৰয়াস কৰিছে।

'২১ৱীঁ সদী কা যুৱা ঔৰ ভাৰতীয় সমাজ' (২০১২)কৃষ্ণ কুমাৰ নামৰ লেখকৰ দ্বাৰা ৰচিত গ্ৰন্থ। ইয়াত যুৱ জীৱনৰ পুংখানুপুংখ বিচাৰ-বিশ্লেষণৰ লগতে পুৰণি প্ৰজন্ম আৰু নৱ প্ৰজন্মৰ মাজৰ ব্যৱধানৰ কাৰকসমূহৰ বিচাৰ কৰি বৰ্তমান ভাৰতৰ যুৱ সমাজ সম্পৰ্কে এক বিস্তৃত সমাজতাত্ত্বিক অধ্যয়ন আগবঢ়োৱা হৈছে। এই একে লেখকৰে 'আধুনিকতা কে আইনে মেঁ ভাৰতীয় শিক্ষিত যুৱা' নামৰ গ্ৰন্থত আধুনিকতাৰ পৰিবৰ্তিত প্ৰেক্ষাপটত শিক্ষিত যুৱক-যুৱতীৰ জীৱন শৈলীৰ এক সমাজতাত্ত্বিক অধ্যয়ন কৰা হৈছে।

বৃন্দা সেনগুপ্তাই 'সঞ্চাৰ মাধ্যম ঔৰ যুৱা' নামৰ গ্ৰন্থ(২০১৫)ত ছত্তিশগড় প্ৰদেশৰ জাঁজগীৰ-চাঁপা জিলাৰ যুৱ সমাজক আশ্ৰয় কৰি একবিংশ শতিকাৰ যুৱ সমাজ আৰু বিভিন্ন মিডিয়া কি দৰে জড়িত তথা যুৱ সমাজৰ ওপৰত ইবিলাকৰ ইতিবাচক-নেতিবাচক প্ৰভাৱ বস্তুনিষ্ঠ ক্ষেত্ৰ অধ্যয়নৰ সহায়ত বিচাৰ কৰিছে।

## ২.৩ সাহিত্য আৰু সমাজ সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

এই অধ্যয়নৰ মূল বিদ্যাশাখা সাহিত্যৰ সমাজতত্ত্ব সম্পৰ্কীয় প্ৰায়বিলাক অধ্যয়নতে বিভিন্ন দৃষ্টিকোণৰ পৰা সাহিত্য আৰু সমাজ সম্পৰ্কীয় অধ্যয়নে স্থান লাভ কৰিছে। কিন্তু

সাহিত্যৰ সমাজতত্ত্বৰ অন্তৰ্গতভাৱে নোহোৱাকৈ স্বতন্ত্ৰভাৱেও সমাজৰ লগত জড়িতভাৱে সাহিত্যৰ অধ্যয়ন সাধিত হৈছে। এনে এক অধ্যয়ন হ'ল Pamela J. Annas আৰু Robert C. Rosen-ৰ 'Literature and Society' নামৰ গ্ৰন্থ(১৯৯৪)। এই গ্ৰন্থত বৰ্দ্ধন আৰু বৃদ্ধত্ব (Growing up and Growing older), স্ত্ৰী আৰু পুৰুষ (Woman and Man), টকা-পইছা আৰু কাম (Money and Work), শান্তি আৰু যুদ্ধ (Peace and war), তথা প্ৰতিবাদৰ প্ৰকাৰ (varieties of Protest) – এই পাঁচোটা মূল ভাৱবস্তুক লৈ গল্প, কবিতা, নাটক আদি বিভিন্ন প্ৰকাৰৰ সাহিত্যিক বিধাৰ সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰা হৈছে।

'Language and Literature in Society' শীৰ্ষক গ্ৰন্থ(২০১৬)ত Hugh Dalziel Duncan নামৰ লেখকে সাহিত্যত থকা প্ৰতীকাত্মক দিশসমূহৰ সামাজিক প্ৰেক্ষাপটত অধ্যয়ন আগবঢ়াইছে।

অসমীয়া ভাষাতো ইতিমধ্যে নীৰাজনা মহন্ত বেজবৰাৰ 'পাঠকৰ দৰ্পণত অসমীয়া সাহিত্য' নামেৰে এখন গ্ৰন্থ(২০০৭) প্ৰকাশ পাইছে। এই গ্ৰন্থত ক্ৰমে ২০০২ আৰু ২০০৪ চনত ক্ষেত্ৰভিত্তিক সমীক্ষাৰ আধাৰত সম্পাদিত 'সাম্প্ৰতিক অসমত সাহিত্য আৰু পাঠক' তথা 'অসমীয়া সাহিত্যৰ সামাজিক ভূমিকা' শীৰ্ষক অনুসন্ধান কৰ্ম দুটাৰ প্ৰতিবেদন সন্নিবিষ্ট কৰা হৈছে। এই দুয়োটা অধ্যয়নতেই সাহিত্য, বিশেষভাৱে অসমীয়া সাহিত্যৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে অসমীয়া পাঠকৰ প্ৰতিক্ৰিয়াসমূহ উন্মোচিত আৰু বিশ্লেষিত হৈছে।

## ২.৪ যুৱ সমাজ আৰু সাহিত্য সম্পৰ্কীয় সাহিত্যৰ পুনৰীক্ষণ

সাহিত্যৰ লগত জড়িতভাৱে যুৱ সমাজ অথবা যুৱ সমাজৰ লগত জড়িতভাৱে সাহিত্যৰ অধ্যয়নৰ সংখ্যা অতি কম। Eliza Dresang-ৰ 'Redical Change: Books for Youth in a Digital Age' শীৰ্ষক গৱেষণা পত্ৰ(১৯৯৯)ত 'ডিজিটেল যুগ'-এ ছপা কিতাপ আৰু যুৱ পাঠক এই দুয়োটাকে প্ৰভাৱিত কৰাৰ বিষয়ে আলোচনা কৰা হৈছে। Chirs Crowe-ৰ গৱেষণা পত্ৰ (২০০১) 'Young Adult Literature'-ত যুৱ প্ৰজন্মৰ বাবে সাহিত্য সম্পৰ্কীয় কিছুমান সমস্যা আলোচিত হৈছে। Patsv Eubanks Owens আৰু সহযোগীসকলৰ গৱেষণা পত্ৰ (২০১১) 'Youth Voices Influencing Local and Regional Change' –ত সাহিত্য আৰু কলাত যুৱ মনৰ প্ৰকাশৰ বিষয়ে চৰ্চিত হৈছে।

প্ৰস্তুত অধ্যয়নৰ লগত ভিন ভিন দৃষ্টিকোণৰ পৰা সাঙোৰ খাই থকা পূৰ্বকৃত অধ্যয়নসমূহৰ পুনৰীক্ষণ ওপৰৰ চাৰিটা শীৰ্ষকত সংক্ষিপ্তভাৱে আগবঢ়োৱা হ'ল। অধ্যয়নটিৰ তাত্ত্বিক আধাৰ, অৰ্থাৎ 'সাহিত্যৰ সমাজতত্ত্ব' নামৰ বিদ্যাশাখা সম্পৰ্কীয় পূৰ্বকৃত সাহিত্যৰ পৰা প্ৰস্তুত অধ্যয়নৰ তাত্ত্বিক বিশ্লেষণৰ প্ৰকৃতি তথা পদ্ধতি উভয় দিশতে দিগ্ দৰ্শন লাভ কৰা গৈছে। সেইদৰে যুৱ-অধ্যয়ন সম্পৰ্কীয় সাহিত্যসমূহেও যুৱ মানস বা যুৱ জীৱনত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয় বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত প্ৰয়োজনীয় যুৱ মানসিকতা, যুৱ প্ৰবৃত্তি, যুৱ প্ৰকৃতি আদিৰ বাবে আধাৰ ভূমি নিৰ্ণয় কৰি দিছে।

সাহিত্য আৰু সমাজ তথা যুৱ সমাজ আৰু সাহিত্য সম্পৰ্কে পূৰ্বতে হোৱা অধ্যয়ন পৰিমাণগতভাৱে দুৰ্বল হ'লেও ইয়াৰ পুনৰীক্ষণে প্ৰস্তুত অধ্যয়নৰ বাবে কিছুমান আৱশ্যকীয় ধাৰণাৰ সৃষ্টি আৰু বৃদ্ধিত সহায় কৰিছে।

উপৰ্যুক্ত অধ্যয়নসমূহৰ সমীক্ষাৰ অন্তত দেখা গ'ল যে পোনপটীয়াভাৱে যুৱ সমাজত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয় বিচাৰ এয়া প্ৰথম পদ্ধতিগত প্ৰচেষ্টা।

❐❐❐

# অধ্যায়-৩ : অধ্যয়নৰ পদ্ধতি

## ৩.১ অধ্যয়নৰ তাত্ত্বিক আধাৰ(Theoretical Framework)

সাহিত্য অধ্যয়নৰ আধাৰ বা গাঁথনিগত সজ্জা(Framework)-ই সাধাৰণতে লেখক আৰু তেওঁৰ সৃষ্টিকহে সামৰি লয়। বাস্তৱ ক্ষেত্ৰত কিন্তু সাহিত্য সমাজৰ বাবে সমাজৰ দ্বাৰা সমাজৰ পটভূমিত সৃষ্ট। অন্য প্ৰকাৰে ক'বলৈ গ'লে সাহিত্যৰ উৎপাদন আৰু উপভোগ দুয়োটা কথাই সমাজৰ লগত জড়িত। অথচ সাহিত্যৰ অধ্যয়নত সমাজৰ লগত জড়িত দিশসমূহে তেনেকৈ গুৰুত্ব নেপায় আৰু সেই কাৰণতে বহু সময়ত সাহিত্যৰ সম্পূৰ্ণ আৰু শুদ্ধ অধ্যয়ন সম্ভৱ হৈ উঠিবগৈ নোৱাৰে। সাহিত্যৰ সামগ্ৰিক প্ৰাচুৰ্য্য তথা বহুমাত্ৰিক বৈশিষ্ট্য বুজিবৰ কাৰণে সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰ সহযোগত কৰা সাহিত্য অধ্যয়নৰ পদ্ধতিগত প্ৰচেষ্টাৰ নাম 'সাহিত্যৰ সমাজতত্ত্ব'(Sociology of Literature)। এই পদ্ধতিগত প্ৰচেষ্টাই বিংশ শতিকাৰ মাজ ভাগত এক বিদ্যায়তনিক অনুশাসন( Academic Discipline)ৰ ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে আৰু পৃথিবীৰ বিভিন্ন ঠাইৰ লগতে ভাৰততো, আনকি অসমতো এই বিষয়টোৱে সাধাৰণ অধ্যয়ন-বিশ্লেষণৰ উপৰিও উচ্চশিক্ষাৰ পাঠ্যক্ৰমতো অন্তৰ্ভুক্তি লাভ কৰিছে।

প্ৰস্তুত অধ্যয়ন তাত্ত্বিকভাবে সাহিত্যৰ সমাজতত্ত্বৰ অন্তৰ্গত। সাহিত্য আৰু সমাজতত্ত্বৰ সম্পৰ্কজড়িত অধ্যয়ন 'সাহিত্যৰ সমাজতত্ত্ব'। সাহিত্য কৃতি আৰু যি সামাজিক গাঁথনিত তাৰ সৃষ্টি তাৰ মাজৰ সম্পৰ্ক অধ্যয়নেৰে সাহিত্যৰ সামাজিক ৰূপ (চৰিত্ৰ বা সমাজত তাৰ চেহেৰা) আৰু অৰ্থ (সমাজত তাৰ ভূমিকা, গুৰুত্ব) স্পষ্ট কৰিবৰ বাবে এই বিদ্যাশাখাই ৰচক আৰু ৰচনাৰ পৰা প্ৰকাশন, বিজ্ঞাপন, বিপণন, বিতৰণ, পাঠকৰ ৰসগ্ৰহণ তথা প্ৰতিক্ৰিয়া বা সঁহাৰিলৈকে সাহিত্যৰ সমস্ত প্ৰক্ৰিয়া সামৰি লয়। পৰিণামতঃ সাহিত্যৰ লগত জড়িত আৰ্থ-সামাজিক প্ৰক্ৰিয়াটো স্পষ্ট হৈ পৰে। অন্য প্ৰকাৰে ক'বলৈ গ'লে ই সাহিত্যৰ ভূমি(সমাজৰ পৰা লোৱা সমল, শৈলীৰ অন্তৰ্গত বিভিন্ন দিশ, সমাজৰ এজন হিচাপে লেখক) আৰু সাহিত্যৰ সামাজিক ভূমিকা(সাহিত্যৰ যোগেদি সমাজৰ উপলব্ধি,

দিগ্‌দৰ্শন)ৰ অন্বেষণেৰে সাহিত্যৰ সামাজিক গুৰুত্ব আৰু অস্তিত্বৰ উদ্‌ঘাটন কৰে। সাহিত্য আৰু সমাজৰ সম্বন্ধৰ ক্ষেত্ৰত ইয়াৰ দুটা মূল বিষয় হ'লঃ

১. সাহিত্যত সমাজৰ স্থিতি(প্ৰতিফলন)

২. সমাজত সাহিত্য(লেখক,কৃতি,পাঠক)ৰ স্থিতি

এইদৰে বিমূৰ্ত ভাবৰ পৰা পাঠকৰ ৰসগ্ৰহণলৈকে সমস্ত সাহিত্য প্ৰক্ৰিয়াটোত নিৰ্ণায়কৰ ভূমিকা লোৱা সামাজিক প্ৰসঙ্গসমূহৰ স্বৰূপ স্পষ্ট কৰা সাহিত্যৰ সমাজতত্ত্বৰ আধাৰত কৰা অধ্যয়নে সাহিত্যৰ সামাজিক উপযোগিতা বা যুগ জীৱনত সাহিত্যৰ সাৰ্থকতা নিৰ্ণয় কৰাত বিশেষ অৰিহণা যোগাব পাৰে। সেয়েহে প্ৰস্তুত অধ্যয়নত বৰ্তমানৰ যুৱ সমাজত সাহিত্যৰ সাৰ্থকতা নিৰ্ণয়ৰ বাবে আগবাঢ়োঁতে সাহিত্যৰ সমাজতত্ত্বৰ তাত্ত্বিক আধাৰ গ্ৰহণ কৰা হৈছে।

সাহিত্যৰ সমাজতত্ত্বই অধয়নৰ ক্ষেত্ৰত মূলতঃ চাৰিটা পদ্ধতি গ্ৰহণ কৰে। সেই কেইটা হৈছেঃ

**১. বিষয় বিশ্লেষণ(content analysis)**

ইংৰাজী content-ৰ অৰ্থ বিষয় বা সূচী। বিষয় বিশ্লেষণ পদ্ধতিৰে একোটা সাহিত্য পাঠৰ সূক্ষ্ম সূক্ষ্ম অংশবিলাকত গুৰুত্ব আৰোপ কৰি, পাঠৰ অন্তৰ্গত সমস্ত সৰু সৰু বিষয়ৰো বিশ্লেষণ কৰা হয়। ইয়াৰ দ্বাৰা সাহিত্যৰ মাজত লুকাই থকা সৰু সৰু উপাদান(বিভিন্ন প্ৰসঙ্গবিলাকৰ লগত জড়িত হৈ থকা অৰ্থ, লেখকে দিব খোজা বাৰ্তা আদিকে ধৰি)ৰ অৰ্থ অনুধাৱনত সহায় হয়। সাহিত্যত প্ৰতিফলিত সমসাময়িক সমাজৰ বুৰঞ্জী, সাহিত্যৰ যোগেদি হোৱা নতুন ধাৰণাৰ সৃষ্টি তথা পৰিবৰ্তন(শংকৰী সাহিত্যৰ দ্বাৰা জাতিভেদৰ প্ৰতি বিৰূপ ভাব), সাহিত্যৰ সৃষ্টিৰ লগত জড়িত ৰাজনৈতিক-সামাজিক উপাদান, সাহিত্যৰ সৃষ্টিৰ লগত জড়িত অৰ্থনৈতিক-সাংস্কৃতিক পৰিবৰ্তন আদিবিলাক পোহৰলৈ আহে। এই পদ্ধতিৰে সম্পাদিত অধ্যয়ন একোটাৰ দ্বাৰা সামাজিক ৰূঢ়িৰ চিনাক্তকৰণ(যেনে অসমত দৰাৰ পোছাক এয়া, কন্যাৰ এয়া), সামাজিক চিহ্নৰ উপলব্ধি(যেনে মূৰ দোঁৱাই প্ৰণাম) আদি সম্ভৱ হৈ উঠে। লেখকে প্ৰয়োগ কৰা ভাষা

সম্পৰ্কীয় বিশ্লেষণেৰে এই অধ্যয়ন পদ্ধতিয়ে লেখকৰ চৌপাশৰ পৰিবেশ, ব্যক্তিৰ নিজা প্ৰয়োগ, একোটা অঞ্চলৰ ঠাঁচ আদি বিষয়ো স্পষ্ট কৰে। সামগ্ৰিক ৰূপত ক'বলৈ গ'লে সাহিত্যৰ সমাজতত্ত্বৰ বিষয় বিশ্লেষণ পদ্ধতিৰে অধ্যয়ন কৰিলে কোনো পাঠত থকা সমাজৰ চিন্তা, আদৰ্শ, প্ৰথা; সমাজ মনোবিজ্ঞান; সমাজৰ মানসিক স্থিতি বিশ্লেষিত হয়।

**২. গঠনবাদী(structural method)**

সাহিত্যৰ সমাজতত্ত্বত গঠনবাদী পদ্ধতিয়ে ভাষিক গাঁথনিৰ লগত জড়িত সাংস্কৃতিক তথা সামাজিক গাঁথনিৰ ভূমিকা বা পটভূমি সম্পৰ্কে আলোচনা কৰে। কথা এটা ক'বলৈ যাওঁতে লেখকে ব্যৱহাৰ কৰা শব্দ, প্ৰসঙ্গ আদিৰ জৰিয়তে প্ৰকাশ পোৱা লেখকৰ পৰিবেশ, পৰিস্থিতি, ধাৰণা, চিন্তা, অনুভৱ আদিৰ উমান দিয়ে। শব্দ, শৈলী, বক্তব্য – এই আটাইবোৰৰে সৃষ্টিত সমাজৰ সাংস্কৃতিক-সামাজিক অৱস্থা জড়িত হৈ থাকে। গতিকে প্ৰকাশ শৈলীৰ অধ্যয়নে সাহিত্যৰ সামাজিক-সাংস্কৃতিক অৱস্থা স্পষ্ট কৰি পাঠৰ পূৰ্ণবোধ ঘটায়। সামগ্ৰিকভাৱে ক'বলৈ গ'লে সাহিত্যৰ সমাজতত্ত্বত ব্যৱহৃত গঠনবাদী পদ্ধতিৰ সহায়ত তলৰ তিনিটা উদ্দেশ্য প্ৰধানকৈ সাধিত হয়ঃ

(ক) শব্দৰ ব্যৱহাৰ প্ৰতীকৰ ৰূপত হয়। তাৰ লগত জড়িত প্ৰসঙ্গ সম্পৰ্কে জনা যায়।

(খ) ব্যক্তি বা সমূহৰ মানসিক গঠন সম্পৰ্কে জনা যায়।

(গ) লেখকে সচেতন-অৱচেতনভাৱে অংকন কৰা সমাজৰ ছবি সম্পৰ্কে জনা যায়।

(ঘ) সাহিত্য পাঠত জড়িত থকা মানৱ প্ৰবৃত্তিৰ চিত্ৰণ স্পষ্ট হয়।

**৩. পাঠকৰ প্ৰতিক্ৰিয়া(Readers response)**

সাহিত্যৰ সমাজতত্ত্বই পাঠকক সৃষ্টিশীল অভিকৰ্তা(creative agent)ৰ ৰূপত গ্ৰহণ কৰে। সেয়েহে পাঠকৰ সংগ্ৰহণ(reception)ৰ আধাৰত ইয়াত এই পদ্ধতিৰ ব্যৱহাৰ কৰা হয়। এই পদ্ধতিৰে সাহিত্যৰ সমাজতাত্ত্বিক অধ্যয়ন কৰিলে তলত দিয়া ধৰণৰ কাৰ্য্য সাধিত হয়ঃ

(ক) পাঠত লেখকে ক'ব খোজা কথা আৰু পাঠকে গ্ৰহণ কৰাৰ মাজত হীন-দেঢ়ি ঘটিছে নেকি তাৰ বিচাৰ কৰা হয়।

(খ) পাঠকৰ মতামত(পাঠকে ভাল পাইছে, বেয়া পাইছে, কেনেকৈ গ্ৰহণ কৰিছে, কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আদি)ৰ অনুসন্ধান কৰা হয়।

(গ) পাঠকৰ দৃষ্টিৰে পাঠ এটাৰ ৰসোত্তীৰ্ণতা আৰু মান নিৰূপিত হয়।

(ঘ) সমাজত সাহিত্যৰ প্ৰভাৱ আৰু সাহিত্যত সমাজৰ প্ৰভাৱ –এই দুয়োটা কথাই পোহৰলৈ আহে।

(ঙ) সাহিত্যৰ দ্বাৰা কেনে ধৰণেৰে দিগ্‌দৰ্শন হৈছে বা লেখকৰ পৰামৰ্শ পাঠকে গ্ৰহণ কৰিছেনে নাই স্পষ্ট হয়।

**৪. সমাজ বিশ্লেষণ(socio analysis)**

সাহিত্যৰ অধ্যয়নেৰে সমাজলৈ অৱদান আগবঢ়োৱা এই পদ্ধতিৰ সাধাৰণ উদ্দেশ্য। এই পদ্ধতিয়ে মূলতে সমাজতত্ত্বৰ দ্বাৰা সমাজৰ অধ্যয়নৰ ক্ষেত্ৰত সমাজৰ বিষয়ে তথ্য লাভ কৰিব পৰা লিখিত সামগ্ৰী আৰু চিনেমা আদি অন্য সামগ্ৰীৰো ব্যৱহাৰ কৰি অধ্যয়ন আগবঢ়াই নিয়ে। এই পদ্ধতিৰ মূল কাৰ্য্যাৱলী তলত দিয়া ধৰণৰঃ

(ক) সামাজিক সমস্যাৰ চিনাক্তকৰণ আৰু পথ নিৰ্দেশনা কৰে।

(খ) পাঠত জড়িত হৈ থকা সামাজিক বিষয়সমূহ বিচাৰি উলিওৱাৰ যত্ন কৰে। [সাহিত্যৰ অধ্যয়নৰ সহায়ত সমাজৰ মনোভাব, সামূহিক আদৰ্শ, সমাজৰ চিন্তা, সামাজিক আচৰণ, ধাৰণা, আকাংক্ষা, সাংগঠনিক ব্যৱহাৰ(organisational behaviour), আদিবিলাক বিচাৰ কৰি উলিয়ায়।]

(গ) সমাজৰ কামত অহাকৈ/কোনো সমস্যাৰ তাৎক্ষণিক সমাধান কৰিব পৰাকৈ/ তেনে সিদ্ধান্তত উপনীত হোৱাত সহায়ক ধৰণেৰে সাহিত্যৰ অধ্যয়নত গুৰুত্ব দিয়ে।[এনে অধ্যয়নক কাৰ্যকৰী গৱেষণা(action research, অৰ্থাৎ evaluative, investigative and analytical research methods designed to diagnose problems or weaknesses and help to develop practical solutions.)বুলিও কোৱা হয়।]

**৩.২ প্ৰস্তুত অধ্যয়নৰ কাৰ্য্যপদ্ধতি**

'যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ' শীৰ্ষক অধ্যয়নত সাহিত্যৰ পাঠকক সৃষ্টিশীল অভিকৰ্তাৰ ৰূপত লৈ যুৱ পাঠকসকলৰ সংগ্ৰহণ(Reception), প্ৰতিক্ৰিয়া, তেওঁলোকৰ দ্বাৰা সাহিত্যৰ ৰসবোধ, মান নিৰূপণ আদি প্ৰসঙ্গৰ আধাৰত বাস্তৱ ক্ষেত্ৰত তেওঁলোকৰ ওপৰত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয় অনুসন্ধান কৰা হৈছে। সেয়েহে সাহিত্যৰ সমাজতত্ত্বই ব্যৱহাৰ কৰা উপৰ্যুক্ত চাৰিবিধ পদ্ধতিৰ ভিতৰত 'পাঠকৰ প্ৰতিক্ৰিয়া' পদ্ধতি এই অধ্যয়নত ব্যৱহৃত প্ৰধান পদ্ধতি। এই গৱেষণা কৰ্মৰ প্ৰকৃতি প্ৰধানকৈ অনুসন্ধানমূলক হোৱাৰ কাৰণে মূল বিষয়টোত প্ৰাক্‌কল্পনাৰ অৱকাশ নাই। গতিকে গৱেষণা কৰ্মটোৱে প্ৰাক্‌কল্পনাৰ প্ৰত্যয়যোগ্যতা নিৰূপণৰ সলনি সাহিত্য আৰু যুৱ সমাজৰ মাজত কাৰণ-কাৰ্য্যৰ অথবা প্ৰভাৱক-প্ৰভাৱিতৰ সম্পৰ্কৰ অনুসন্ধানৰ দিশতহে পদ্ধতিগতভাৱে বাট বুলিছে।

প্ৰভাৱ বস্তুটো এক অমূৰ্ত তথা জটিল বিষয়। ইয়াৰ সঠিক জোখ লোৱাটো সম্ভৱ নহয়। ইয়াৰ অধ্যয়নৰ ক্ষেত্ৰত গুণাত্মক(Qualitative Method) পদ্ধতিৰ সহায়ৰ প্ৰয়োজন। প্ৰভাৱ অমূৰ্ত বাবে তাক সংখ্যা বা পৰিমাণৰ মাপেৰে জুখিব নোৱাৰি; কিন্তু প্ৰভাৱিতক সংখ্যাৰ মাধ্যমেৰে প্ৰকাশ কৰিব পাৰি। সামগ্ৰিক ৰূপত যুৱ সমাজৰ বিষয়ে সিদ্ধান্তত উপনীত হোৱাৰ লক্ষ্যৰে আমাৰ অধ্যয়ন সংখ্যাগতভাৱেও যুৱ সমাজৰ লগত জড়িত হৈ পৰিছে। সামূহিক অধ্যয়নৰ কাৰণে সংখ্যাত্মক বা পৰিমাণগত পদ্ধতি(Statistical/Quantitative Method)ৰ ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে অধ্যয়ন কৰিবলৈ লোৱা বিষয়ৰ পৰা বিশেষ প্ৰতিনিধিত্বমূলক এক অংশ ব্যক্তিগতভাৱে বাচি লৈ গুণাত্মক পদ্ধতিৰ প্ৰয়োগ কৰিব পাৰি। পৰিমাণগত পদ্ধতি প্ৰয়োগ কৰিবলৈ হ'লে কিন্তু পৰ্য্যাপ্ত সংখ্যাৰ নমুনা গ্ৰহণ কৰিব লগীয়া হয়। প্ৰস্তুত অধ্যয়নত গুণাত্মক আৰু পৰিমাণগত দুয়োটা পদ্ধতিৰে ব্যৱহাৰ কৰা হৈছে।

এই অধ্যয়নত ব্যৱহৃত অন্য এক পদ্ধতি হ'ল সৰ্বেক্ষণ বা সামগ্ৰিক পৰ্য্যালোচনাৰ পদ্ধতি(Survey Method)। কোনো বিশেষ ভৌগোলিক ক্ষেত্ৰৰ নিবাসীৰ লগত জড়িত কোনো সামাজিক প্ৰসঙ্গৰ বিজ্ঞানসন্মত অধ্যয়নৰ ক্ষেত্ৰত এই পদ্ধতি বিশেষ ফলপ্ৰসূ। আগমন(Inductive) প্ৰণালীৰে তথ্য আহৰণ কৰি তাৰ বিবেচনাৰে সিদ্ধান্তৰ ফালে আগবঢ়া

এই পদ্ধতি কেৱল সূচনাৰ সংকলন নহয়; বৰঞ্চ ইয়াত বিচাৰ আৰু বিবেচনাও নিহিত হৈ থাকে। যুৱ সমাজৰ সাহিত্য অধ্যয়ন সম্পৰ্কীয় গতি-বিধি আৰু তেওঁলোকৰ ওপৰত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয় গতি-বিধিৰ দিশত তথ্য একত্ৰ কৰিবৰ কাৰণে প্ৰস্তুত অধ্যয়নত সৰ্বেক্ষণ পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে। পাঠকৰ ৰুচি-অনুভূতিৰ লগত জড়িত হোৱাৰ বাবে এই অধ্যয়নত প্ৰয়োগ কৰা সৰ্বেক্ষণৰ প্ৰকৃতি গুণাত্মক আৰু ই নমুনা আধাৰিত। সাহিত্যৰ অধ্যয়নক সামাজিক ক্ৰিয়া(Social Activity)ৰ ৰূপত লৈ যুৱ সমাজৰ সাহিত্যৰ প্ৰতি আগ্ৰহ, সাহিত্য পঢ়াৰ অভ্যাস, সাহিত্য সম্পৰ্কে মতামত তথা দৃষ্টিভংগী আদি বিষয় আমাৰ সৰ্বেক্ষণে সামৰি লৈছে।

### ৩.২.১ অধ্যয়নৰ পদ্ধতিগত সজ্জা/গাঁথনি(Methodological Framework)

#### ৩.২.১.১ তথ্য আহৰণৰ পদ্ধতি

প্ৰস্তুত গৱেষণা কৰ্মটিত ক্ষেত্ৰ অধ্যয়নৰ সহায়ত প্ৰয়োজনীয় তথ্য আহৰণ কৰি লোৱা হৈছে। গুণগত পদ্ধতিৰে অমূৰ্ত প্ৰভাৱৰ অনুসন্ধানৰ বাবে তথ্য আহৰণৰ ক্ষেত্ৰত (ক) বিৱৰণাত্মক(Narrative) সাক্ষাৎকাৰ, অৰ্থাৎ যুৱ সমাজৰ বিভিন্ন ব্যক্তিৰ লগত কথা-বতৰাৰ যোগেদি সাহিত্য সম্পৰ্কে তেওঁলোকৰ অনুভৱ, ভাৱ-বিচাৰ, প্ৰতিক্ৰিয়া আদিৰ বিৱৰণ লোৱা হৈছে; (খ) যুৱ সমাজৰ পৰা কোনো এক বিশেষ প্ৰতিনিধিত্বমূলক অংশ বাচি লৈ তাৰ অন্তৰ্গত যুৱ সদস্যসকলৰ সাহিত্য সম্পৰ্কীয় ধ্যান-ধাৰণাৰ বিস্তৃত অধ্যয়ন(case study)-ৰ উদ্দেশ্যেৰে এনে নিৰ্বাচিত অংশৰ যুৱক-যুৱতীৰ লগত মুকলি আলোচনাত মিলিত হোৱা গৈছে আৰু (গ) উত্তৰদাতাই নিজে উত্তৰ লিখি দিব পৰাকৈ বা প্ৰশ্নকৰ্তাই সুধি লৈ লিখি ৰাখিব পৰাকৈ এখন সামগ্ৰিক(Comprehensive) প্ৰশ্নপত্ৰৰো সহায় লোৱা হৈছে। যুৱ সমাজৰ মনোৰঞ্জন, দিগ্‌দৰ্শন, জ্ঞানবৰ্দ্ধন, তেওঁলোকক প্ৰয়োজনীয় তথ্যৰ যোগান আদিৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা, বিজ্ঞান-প্ৰযুক্তিৰ হাত ধৰি আগবঢ়া দ্ৰুত পৰিৱৰ্তনশীল সমাজিক স্থিতিৰ পৰিপ্ৰেক্ষিতত সাহিত্যৰ ভৱিষ্যৎ তথা সাহিত্যৰ নব্য ৰূপ ই-লিটাৰেচাৰ সম্পৰ্কে যুৱ প্ৰজন্মৰ ধাৰণা আদি সম্পৰ্কীয় গৱেষণা প্ৰশ্ন সম্পৰ্কীয় অন্বেষণৰ বাবে এই তিনিও প্ৰকাৰৰ পদ্ধতিৰ সহায়ত কৰা তথ্য আহৰণে বিশেষ সহায় কৰিছে। এই কেউটা ক্ষেত্ৰতে আমাৰ অধ্যয়নৰ পৰিসৰে সামৰি লোৱা জিলা কেইখনৰ পৰা নমুনা চয়ন

পদ্ধতি(Sampling Method)-ৰে কিছু সংখ্যক যুৱক-যুৱতীক তথ্যদাতাৰ ৰূপত গ্ৰহণ কৰা হৈছে।

### ৩.২.১.১.১ নমুনা চয়ন পদ্ধতি

নমুনা চয়ন পদ্ধতিক তলত দিয়া ধৰণেৰে তিনি প্ৰকাৰত ভাগ কৰিব পাৰিঃ ১. যাদৃচ্ছিক নমুনা চয়ন(Random Sampling) ২. উদ্দেশ্যপ্ৰণোদিত নিৰ্বাচন (Purposive Selection) আৰু ৩. সমাজৰ বিভিন্ন স্তৰ আধাৰিত নমুনা চয়ন(Stratified Sampling)। আমাৰ অধ্যয়নত ইয়াৰ প্ৰথম দুই বিধ পদ্ধতি কাৰ্য্যশীল হৈছে।

পৰিমাণগত পদ্ধতিৰে কৰা অধ্যয়নৰ বেলিকা যাদৃচ্ছিক নমুনা চয়ন (Random Sampling) পদ্ধতিৰ আধাৰত ৮০০ নমুনা সংগ্ৰহ কৰি যুৱ সমাজত সাহিত্যৰ দ্বাৰা প্ৰভাৱিতৰ পাৰিসাংখ্যিক অনুসন্ধান কৰা হৈছে। পৰিমাণগত পদ্ধতিত নমুনাৰ সংখ্যা যথেষ্ট হোৱাৰ প্ৰয়োজন যদিও অনেক ক্ষেত্ৰত সংখ্যা বেচি হোৱাতকৈ নমুনাসমূহ প্ৰতিনিধিত্বমূলক হোৱাৰ প্ৰয়োজনীয়তা অধিক হৈ পৰে। সেয়েহে এই পদ্ধতিৰ প্ৰয়োগৰ সময়তো কোনো কোনো ক্ষেত্ৰত উদ্দেশ্যপ্ৰণোদিত নিৰ্বাচনৰ প্ৰসঙ্গ আহি পৰিছে। সমগ্ৰ সম্পৰ্কে, অৰ্থাৎ যুৱ সমাজ সম্পৰ্কে অধ্যয়নৰ অন্তত লাভ কৰা সিদ্ধান্তৰ যথাযথতা ৰক্ষাৰ প্ৰতি সতৰ্কতাৰ খাতিৰত নিৰ্বাচিত নমুনাসমূহ যাতে সামগ্ৰিক ৰূপত যুৱ সমাজৰ প্ৰ তিনিধিত্বমূলক হয় তাৰ বাবে দৃষ্টি ৰখা হৈছে। সেয়েহে উচ্চশিক্ষিত-অৰ্দ্ধশিক্ষিত, অসমীয়া মাধ্যমেৰে শিক্ষিত-ইংৰাজী মাধ্যমেৰে শিক্ষিত, ছাত্ৰ-চাকৰিয়াল, গাঁওবাসী-নগৰবাসী, বিত্তবান-কম বিত্তবান, শিক্ষিত পৰিয়ালৰ পৰা অহা-অশিক্ষিত পৰিয়ালৰ পৰা অহা আদি সকলোৰে প্ৰতিনিধিত্বমূলক হোৱাকৈ যুৱক-যুৱতীক তথ্যদাতাৰ ৰূপত গ্ৰহণ কৰা হৈছে।

আমাৰ অধ্যয়নৰ মূল বিষয় যুৱ সমাজক সমগ্ৰৰ ৰূপত অথবা সম্পূৰ্ণ তথা স্পষ্ট ৰূপত সামৰি লোৱা বা পৰিভাষিত কৰাটো অসুবিধাজনক হোৱাৰ বাবে প্ৰস্তুত অধ্যয়নত অৱধাৰিতভাৱেই সুবিধাজনক নমুনা চয়ন (Convenient Sampling) পদ্ধতি গ্ৰহণ কৰিব লগীয়া হৈছে। অনেক সময়ত তথ্যদাতাই নিজ ইচ্ছাৰে আগবাঢ়ি আহিও তথ্য প্ৰদান

কৰিছেহি। গতিকে অধ্যয়নৰ বাবে নমুনা গ্ৰহণৰ ক্ষেত্ৰত স্বনিৰ্বাচিত নমুনা (Self Selected Sampling)ৰ প্ৰসঙ্গও আহিছে।

### ৩.২.১.১.২ প্ৰশ্নসূচী নিৰ্মাণ

নিৰ্বাচিত নমুনাসমূহৰ সহায়ত সাহিত্যৰ দ্বাৰা বিভিন্ন দিশত প্ৰভাৱিত সম্পৰ্কীয় তথ্য আহৰণৰ বাবে অধ্যয়নটোত প্ৰধানকৈ প্ৰশ্নসূচীৰ সহায় লোৱা হৈছে। এই ক্ষেত্ৰত জানিব লগীয়া কথাখিনি বিভিন্ন দিশত বিভাজন কৰি লৈ সেইবিলাকৰ সম্পৰ্কত যিখিনি কথা জনাৰ দৰকাৰ সেইমতে সমগ্ৰ প্ৰসঙ্গ কিছুমান প্ৰশ্নত ভাগ কৰি লোৱা হৈছে। অনিৰ্দিষ্ট(Open end question) আৰু নিৰ্দিষ্ট(Structured) দুয়ো ধৰণৰ প্ৰশ্নই প্ৰশ্নসূচীখনত স্থান লাভ কৰিছে। যুৱ সমাজক প্ৰভাৱিত কৰা সাহিত্যৰ প্ৰকাৰ , বিষয়বস্তু, সাহিত্যৰ দ্বাৰা প্ৰভাৱিত জীৱনৰ বিভিন্ন দিশসমূহৰ সন্ধানৰ ক্ষেত্ৰত মৰ্যাদা ক্ৰম মাপক প্ৰশ্ন (Ranking item question) তথা যুৱ সমাজৰ সাহিত্যৰ প্ৰতি আগ্ৰহ, সাহিত্য পঢ়াৰ অভ্যাস, তেওঁলোকৰ ওপৰত সাহিত্যৰ প্ৰভাৱ আদি সম্পৰ্কীয় বিষয়ৰ জোখ ল'বৰ বাবে তীব্ৰতামাপক (Rating or intensity scales) প্ৰশ্নৰ ব্যৱহাৰ কৰা হৈছে।

### ৩.২.১.২ তথ্য বিশ্লেষণৰ পদ্ধতি

এই অধ্যয়নত পাঠকে নিজে পূৰাই দিয়া অথবা সংগ্ৰহকৰ্তাই পাঠকক সুধি পূৰাই অনা প্ৰশ্নসূচীসমূহত উপলব্ধ পাঠকৰ সাহিত্য সম্পৰ্কীয় বিভিন্ন মতামত আৰু প্ৰতিক্ৰিয়াৰ গতিবিধিৰ এক পূৰ্ণ সমীক্ষা কৰা হৈছে। এই ক্ষেত্ৰত প্ৰশ্নৰ ধৰণ অনুসৰি পৰিমাণগত আৰু গুণগত দুয়ো ধৰণৰ পদ্ধতিৰ প্ৰয়োগ হৈছে। সাহিত্যৰ লগত জড়িত বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰভাৱিত পাঠক সম্পৰ্কে পাৰিসাংখ্যিক বিশ্লেষণ আগবঢ়োৱা হৈছে। তাৰ বিপৰীতে বিভিন্ন দৃষ্টিকোণৰ পৰা যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱৰ ক্ষেত্ৰত এক গুণাত্মক সমীক্ষা কৰা হৈছে আৰু তাৰ পাছত সৰ্বেক্ষণ পদ্ধতিৰ ভিতৰুৱা আগমন(Induction) পদ্ধতিৰে যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে সামগ্ৰিক সিদ্ধান্তৰ ফালে আগবঢ়া হৈছে।

বিৱৰণাত্মক সাক্ষাৎকাৰৰ যোগেদি তথা আমি বাচি লোৱা যুৱ সমাজৰ প্ৰতিনিধিত্বমূলক অংশৰ বিস্তৃত অধ্যয়নৰ যোগেদি লাভ কৰা যুৱ সমাজৰ সাহিত্য সম্পৰ্কীয়

ধ্যান-ধাৰণাসমূহ প্ৰধানকৈ গুণগত পদ্ধতিৰেহে বিশ্লেষিত হৈছে। এই ক্ষেত্ৰতো আগমন পদ্ধতিৰে সিদ্ধান্তৰ ফালে আগবঢ়া হৈছে।

### ৩.৩ গৱেষণা-সঁজুলি(Tools)

#### ৩.৩.১ তথ্য আহৰণৰ সঁজুলি

এই অধ্যয়নৰ বাবে যাৱতীয় তথ্য সংগ্ৰহৰ ক্ষেত্ৰত এখন সৰ্বাঙ্গীন প্ৰশ্নসূচী(Comprehensive Questionnaire) প্ৰধান সঁজুলি হিচাপে ব্যৱহাৰ কৰা হৈছে আৰু এই সঁজুলিৰ সহায়ত ৮০০জন তথ্যদাতাৰ পৰা সাহিত্য সম্পৰ্কীয় সঁহাৰি সংগ্ৰহ কৰা হৈছে। বিৱৰণাত্মক সাক্ষাৎকাৰৰ বাবে এখন সাক্ষাৎকাৰসূচী তৈয়াৰ কৰি লোৱা হৈছিল আৰু টেপ ৰেকৰ্ডাৰৰ সহায়ত তথা লিপিবদ্ধ ৰূপতো তথ্য সংগ্ৰহ কৰা হৈছে। নিৰ্বাচিত প্ৰতিনিধিত্বমূলক অংশৰ বিস্তৃত অধ্যয়নৰ ক্ষেত্ৰত প্ৰশ্নসূচী, সাক্ষাৎকাৰসূচী আৰু ৰেকৰ্ডাৰ তিনিও বিধৰে সঁজুলিৰ প্ৰয়োগ কৰা হৈছে।

#### ৩.৩.২ তথ্য বিশ্লেষণৰ সঁজুলি

প্ৰস্তুত গৱেষণা কৰ্মত কিছুপৰিমাণে পাৰিসাংখ্যিক বিশ্লেষণৰ আৱশ্যক হৈছে। পৰিমাণগত বিশ্লেষণৰ বাবে *Microsoft Excel, ver.2007* আৰু *IBM SPSS Statistics, ver.23* ছফ্‌টৱেৰৰ সহায় লোৱা হৈছে। গৱেষণা গ্ৰন্থখনত ব্যৱহাৰ কৰা তালিকা আৰু চিত্ৰসমূহ মাইক্ৰছফট এক্সেল ছাৰ্ট মেনেজাৰৰ সহায়ত প্ৰস্তুত কৰা হৈছে।

#### ৩.৩.৩ প্ৰতিবেদন প্ৰস্তুতকৰণৰ সঁজুলি

প্ৰতিবেদন প্ৰস্তুতকৰণৰ ক্ষেত্ৰত মানবিকী অধ্যয়নৰ গৱেষণাত ব্যৱহৃত *MLA Style* অনুসৰণ কৰা হৈছে। সেই ক্ষেত্ৰত *MLA Handbook*, 2009 (7th Edition)ৰ সহায় লোৱা হৈছে।

আলোচনাৰ মাজত তথ্যদাতাৰ পোনপটীয়া ধাৰণা উল্লেখ কৰিব লগীয়া হ'লে তাক উৰ্দ্ধকমাৰ ভিতৰত ৰখা হৈছে।

❒❒❒

# অধ্যায়-৪ : যুৱ সমাজৰ দৃষ্টিত সাহিত্যৰ স্বৰূপ আৰু উপযোগিতা

### ৪.১ মনোৰঞ্জনৰ মাধ্যম ৰূপে সাহিত্য

মনোৰঞ্জনৰ শাব্দিক অৰ্থ হ'ল মন ৰঞ্জন কৰা, অৰ্থাৎ মন ভাল লগোৱা। কোনো ব্যক্তি বা সমূহৰ মনোযোগ আৰু আকৰ্ষণ ধৰি ৰাখিব পৰা তথা আনন্দ আৰু সুখানুভূতি জগাব পৰা ক্ৰিয়াকলাপেই হৈছে মনোৰঞ্জন। ব্যক্তি-জাতি-গোষ্ঠী-অঞ্চল-বয়স-শিক্ষা আদিৰ ভিন্নতা অনুসৰি মনোৰঞ্জনৰ গতি-প্ৰকৃতি বেলেগ হ'ব পাৰে। মনোৰঞ্জনধৰ্মী ক্ৰিয়াকলাপো অসংখ্য। সাহিত্যকো মনোৰঞ্জনৰ লগত জড়িত কৰা হয়। মনোৰঞ্জন শব্দটোৱে সাধাৰণভাৱে সামৰি লোৱা অৰ্থ-সীমাতকৈ উদ্দেশ্য, প্ৰয়োজন আদিকে ধৰি সাহিত্যৰ অৰ্থ-সীমা অৱশ্যে বহুত বিস্তৃত আৰু গভীৰ। তথাপি কিন্তু সাহিত্যৰ লেখক আৰু পাঠক দুয়ো পক্ষৰে লগত মনোৰঞ্জনৰ প্ৰসঙ্গ জড়িত হৈ থাকে।

বৰ্তমান সময়ত মানৱ জাতিৰ সমুখত মনোৰঞ্জনৰ মাধ্যমৰ সীমাসংখ্যা নাই। প্ৰযুক্তিগত আৱিষ্কাৰ কিছুমানে গুণগত আৰু পৰিমাণগত উভয় দিশতে মনোৰঞ্জনৰ মাধ্যমৰ নিৰন্তৰ বৃদ্ধি ঘটাই আছে। সমাজৰ যুৱা অংশটো এই নতুন মাধ্যমবোৰৰ লগত স্বাভাৱিকতেই আন সকলতকৈ বেচিকৈ জড়িত হৈ পৰিছে। এনে অৱস্থাত মনোৰঞ্জনৰ মাধ্যমৰ ৰূপত বৰ্তমান যুৱ সমাজত সাহিত্যৰ স্থিতি সম্পৰ্কে জানিবৰ বাবে ***বৰ্তমান সময়ত প্ৰচলিত মনোৰঞ্জনৰ বিভিন্ন মাধ্যমবোৰৰ ভিতৰত যুৱ সমাজত সাহিত্যৰ ভূমিকা কি*** বুলি এটা প্ৰশ্ন লৈ যুৱ সমাজৰ ওচৰ চপা হৈছিল। এই ক্ষেত্ৰত তথ্যদাতাসকলৰ পৰা তলত দিয়া ধৰণৰ সঁহাৰি লাভ কৰা গ'লঃ

#### ৪.১.১ সাহিত্যৰ স্থান সকলোতকৈ ওপৰত কিন্তু বৰ্তমান অৱনমিত

অধিকাংশ যুৱক-যুৱতীয়ে মনোৰঞ্জনৰ বিভিন্ন মাধ্যমসমূহৰ ভিতৰত সাহিত্যক এক উচ্চ আৰু মৰ্যাদাপূৰ্ণ আসনত ৰাখি সামগ্ৰিকভাৱে সমাজ একোখনৰ মনোৰঞ্জনৰ ক্ষেত্ৰত সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহাৰ বিষয়ে মত প্ৰকাশ কৰিছে। কিন্তু আজিৰ মানুহক 'ফাষ্টফুড' লাগে। সাহিত্য পঢ়ি তাৰ পৰা আনন্দ লভিবৰ বাবে পাঠকে নিজৰ ব্যস্ত

জীৱনশৈলীৰ পৰা যথেষ্ট সময় খৰচ কৰি ধৈৰ্য্যৰে অপেক্ষা কৰিব লগীয়া হয়। সেয়েহে এক অত্যন্ত প্ৰভাৱশালী মাধ্যম হোৱা সত্বেও আজিৰ ব্যস্ত জীৱনশৈলীৰ বাবে সাহিত্য সিমান উপযুক্ত মাধ্যম নহয় বুলি যুৱ সমাজৰ এক বুজন অংশই অনুভৱ কৰে। মনোৰঞ্জনৰ আন আন মাধ্যমবোৰৰ সৈতে একেশাৰীতে বহুৱাই লৈ এক তুলনামূলক বিশ্লেষণ দাঙি ধৰি যুৱ সমাজে ৰেডিঅ', টি.ভি., চিনেমা, ইন্টাৰনেট আদি গণ মাধ্যমবোৰৰ বেচি সংখ্যক মানুহৰ বাবে সহজতে ঢুকি পাব পৰা স্থিতিৰ বিপৰীতে সাহিত্যৰ স্থিতি 'সুবিধাজনক' নোহোৱাৰ কথা উল্লেখ কৰিছে। অৱশ্যে সমাজৰ যিসকলে সাহিত্যক গুৰুত্বসহকাৰে গ্ৰহণ কৰি আছে তেওঁলোকৰ বাবে সাহিত্য এতিয়াও উৎসাহ-উদ্দীপনাৰ প্ৰধান মাধ্যম হৈ আছে বুলি এওঁলোকৰ বহুতৰে মত। যুৱ সমাজৰ বিশেষ প্ৰসঙ্গৰে সাহিত্যক মনোৰঞ্জনৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ ক্ষেত্ৰত যুৱ সমাজে সাহিত্যতকৈ 'মনোৰঞ্জনৰ অন্য মাধ্যমত সময় খৰচ কৰিবলৈহে ভাল পোৱা'ৰ কথাটোও ভালে কেইজন তথ্যদাতাই উল্লেখ কৰিছে আৰু বাকীবোৰ মাধ্যম ওপৰে ওপৰে চাবলৈ গ'লে অধিক আকৰ্ষণীয় যেন লগা তথা যুৱ সমাজৰ ৰুচিৰ পৰিৱৰ্তনৰ বাবেই কিতাপৰ গুৰুত্ব নিম্নগামী হোৱা বুলি অনুভৱ ব্যক্ত কৰিছে। এনে মতৰ পোষণকৰ্তাসকলে সামগ্ৰিকভাৱে মনোৰঞ্জনৰ মাধ্যমৰ ৰূপত সাহিত্যৰ কাৰ্য্যশীলতা আৰু প্ৰভাৱশীলতা দুয়োটাই হ্ৰাস পাই অহাৰ কথা কৈছে।

### ৪.১.২ সাহিত্যৰ পৰিৱৰ্তিত ৰূপেৰে মনোৰঞ্জন

যুৱ সমাজৰ একাংশই 'মাছ বুলি নেখাই জিজি বুলি খাই' সাহিত্যৰ দ্বাৰা মনোৰঞ্জন সম্ভৱ হোৱাৰ কথা কৈছে। এওঁলোকৰ কোনো কোনোৰ মতে সাহিত্যই তাৰ মূল ৰূপতে থাকি মনোৰঞ্জন কৰিবলৈ ক্ৰমে অপাৰগ হৈ আহিছে। কিন্তু পোনে পোনে নহৈ সাহিত্যৰ পৰা কৰা টি.ভি.ৰ চিৰিয়েল, চিনেমা, সঙ্গীত আদিৰ যোগেদি মনোৰঞ্জনৰ পন্থা সহজ আৰু অধিক আকৰ্ষণীয়। ফেচবুককে ধৰি ছছিয়েল মাধ্যমসমূহত এতিয়া সাহিত্য অপৰম্পৰাগত ৰূপত ঠন ধৰি উঠিছে। ছপাৰ ৰূপত নহয়, বৰঞ্চ 'ডিজিটেল' ৰূপত সাহিত্যই ইতিমধ্যে হেৰুওৱাবলৈ ধৰা সন্মান আৰু গুৰুত্ব পুনৰ লাভ কৰিবলৈ সক্ষম হ'ব বুলি এইচাম তথ্যদাতাই ভাবে। সাহিত্যৰ সামগ্ৰিক গুৰুত্ব উপলব্ধি কৰিবলৈ সক্ষম আৰু আগ্ৰহী এওঁলোকে 'আজিৰ ব্যৱস্থাৰ লগত সঙ্গতি ৰাখি খোজ মিলাব পৰাকৈ সাহিত্যত পৰিৱৰ্তনৰ

আৰশ্যকতা'ৰ পক্ষে কোৱাৰ লগতে 'ই-লিটাৰেচাৰ'ৰ বহুল প্ৰচলন আৰু প্ৰয়োগলৈ বাট চাই ৰোৱাৰ কথা কৈছে।

**৪.১.৩ চৰমপন্থী মত**

মনোৰঞ্জনৰ মাধ্যম স্বৰূপে সাহিত্যৰ সামাজিক স্থিতিৰ ক্ষেত্ৰত যুৱ সমাজৰ একাংশই সাহিত্যৰ সপক্ষে বা বিপক্ষে এক পক্ষীয় চূড়ান্ত মত দাঙি ধৰিছে। সপক্ষে কোৱাসকলৰ মতে সাহিত্যৰ স্থান আন কোনো মাধ্যমে কস্মিন কালেও ল'ব নোৱাৰে। 'সৃষ্টিশীল ক্ষমতাৰে, শব্দৰ খেলাৰে সুন্দৰকৈ মনোৰঞ্জন' কৰাৰ বাবে সাহিত্যৰ স্থান সুকীয়া। 'স্ৰষ্টা হিচাপে কবি-সাহিত্যিকসকল অন্য লোকতকৈ ওপৰত। গতিকে তেওঁলোকৰ দ্বাৰা সৃষ্ট সাহিত্যক অন্য মাধ্যমৰ তুলনালৈকে অনা উচিত নহয়'। 'মহৎ সাহিত্যসমূহ একো-একোজন মনীষীৰ জীৱন অভিজ্ঞতাৰ প্ৰকাশ। ই সৰ্বদাই সমাজৰ অন্তৰ জয় কৰি থাকিব' আৰু 'ই প্ৰকৃতাৰ্থত মন আৰু জীৱন ৰঞ্জিত কৰে'। সাহিত্যৰ এনে প্ৰবল সমৰ্থকসকলৰ মতে 'অন্য মাধ্যমৰ পৰা পোৱা আনন্দ সাময়িক। কিন্তু সাহিত্যৰ প্ৰভাৱ চিৰস্থায়ী'। এই আনন্দক 'এক স্বৰ্গীয় আনন্দ', 'পৰিপূৰ্ণ পৰিতৃপ্তি', 'জীৱনৰ প্ৰকৃত অৰ্থ বিচাৰি পোৱাৰ আনন্দ', 'চিৰ সেউজ' আদি ধৰণৰ বিশেষণেৰে বিশেষিত কৰি কোনো কোনোৱে সাহিত্যৰ পৰা লাভ কৰা আনন্দই 'তীক্ষ্ণ দৃষ্টিভঙ্গী প্ৰদান কৰে', 'মানৱ সম্পদৰ উন্নয়ন ঘটায়' বুলিও মত প্ৰকাশ কৰিছে। 'সাহিত্য বা লিখিত শব্দ মানৱ জাতিৰ সৃষ্টিশীল উৎপাদনৰ সবাতোকৈ উত্তম ৰূপ' বুলি মনোৰঞ্জনৰ বৰ্তমান প্ৰচলিত অন্য মাধ্যমবোৰ সাহিত্যৰ তুলনাত নেতিবাচক দিশযুক্ত হোৱা বুলি সেইবোৰ মাধ্যমৰ ক্ষেত্ৰত 'চেঞ্চৰৰ আৰশ্যকতা'ৰ দিশটোও উত্থাপিত হৈছে। সাহিত্যৰ দ্বাৰা মনোৰঞ্জনৰ সমানে সমানে প্ৰগতিৰ দিগ্‌দৰ্শন হয় বুলি উল্লেখ কৰাৰ লগতে যুৱ সমাজৰ এনে সদস্যই 'সাহিত্য আমাৰ জীৱন, আমাৰ শ্বাস-প্ৰশ্বাসৰে সাকাৰ ৰূপ' জাতীয় চৰম মন্তব্যও আগবঢ়াইছে।

মনোৰঞ্জনৰ মাধ্যমৰ ৰূপত সাহিত্যৰ সপক্ষে এনে চৰম মতৰ সম্পূৰ্ণ বিপৰীতে সংখ্যাত তুলনামূলকভাৱে কম হ'লেও যুৱ সমাজৰ এচাম সদস্যই সাহিত্যক বিনাদ্বিধাই 'বিৰক্তিকৰ এটা বস্তু' বুলি মত দিছে। এনে সদস্যৰ মতে 'ইন্টাৰনেট বৰ্তমান সময়ৰ

প্ৰাথমিক মাধ্যম। কোনেও ইয়াক অস্বীকাৰ কৰিব নোৱাৰে'। যুৱ সমাজৰ সকলো এতিয়া 'এনে জাতীয় মাধ্যমৰ লগতহে ব্যস্ত'। কোনোৱে আকৌ শিক্ষা আৰু জ্ঞান অৰ্জনৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা স্বীকাৰ কৰিলেও 'ইয়াক মনোৰঞ্জনৰ বাবে বুলি নেভাবে'। 'পাঠ্যক্ৰমৰ অন্তৰ্গতভাৱে পঢ়াৰ বাহিৰে সাহিত্যৰ অন্য কিবা উদ্দেশ্য বা কাম বৰ্তমান সময়ত আছে' বুলি এওঁলোকে নেভাবেই। গতিকে এনে বিচাৰধাৰাৰ যুৱক-যুৱতীৰ মতে 'সাহিত্যক মনোৰঞ্জনৰ মাধ্যম বুলি কৰা ধাৰণাটোৱেই সম্পূৰ্ণ বৃথা'। ইয়াৰ বিপৰীতে এওঁলোকৰ মতে খেল-ধেমালি, সঙ্গীত, মটৰ চাইকেলেৰে ভ্ৰমণ, চিনেমা, ফেচবুক, হোৱাটছ্‌এপ আদিৰ নিচিনা মাধ্যমহে মনোৰঞ্জনৰ বাবে উপযোগী।

### ৪.১.৪ সমালোচনামূলকভাৱে প্ৰকৃত স্থিতি অনুধাৱনৰ প্ৰচেষ্টা

আমাৰ তথ্যদাতা যুৱক-যুৱতীৰ ভিতৰত কিছু সংখ্যকে মনোৰঞ্জনৰ মাধ্যমৰ ৰূপত সাহিত্যৰ ভূমিকা সম্পৰ্কে মন্তব্য আগবঢ়োৱাৰ আগতে আনুষঙ্গিক চাৰিও দিশ চালি-জাৰি চাইছে। এওঁলোকৰ মতে এটা সময়ত সাহিত্য মনোৰঞ্জনৰ সৰ্বোত্তম মাধ্যম আছিল। এতিয়ালৈ ইয়াৰ প্ৰচলন বিশেষকৈ যুৱ সমাজত কমি আহিছে যদিও পুৰণি প্ৰজন্মৰ মাজত যথেষ্ট প্ৰচলন এতিয়াও আছে বুলিব লাগিব। বৰ্তমান সময়ত কিছুমান মানুহৰ বাবে হয়তো সাহিত্য মনোৰঞ্জনৰ আহিলা নহ'বও পাৰে। কিন্তু 'যিসকলৰ বাবে হয়, সাহিত্যৰ দ্বাৰা তেওঁলোক মনোৰঞ্জনৰ লগতে বৌদ্ধিক, মানসিক, সামাজিক বিভিন্ন ক্ষেত্ৰত উপকৃত হৈছে'। সাহিত্যৰ দ্বাৰা বৌদ্ধিক-মানসিক তৃপ্তি আৰু সমৃদ্ধিৰ কথাটো বহু জনে বহু ধৰণেৰে প্ৰকাশ কৰি ক'ব খুজিছে যে 'নিজে অধ্যয়ন কৰি আনন্দ লোৱা আৰু আনৰ দ্বাৰা পৰিবেশিত বিষয় উপভোগ কৰি আনন্দ লভাৰ মাজত পাৰ্থক্য আছে। গতিকে সাহিত্যক মনোৰঞ্জনৰ অন্য মাধ্যমৰ শাৰীলৈ আনি লৈ বিচাৰ কৰাই উচিত নহয়'। কাৰণ সাহিত্য আৰু মনোৰঞ্জনৰ অন্য মাধ্যমসমূহ প্ৰকৃতিগতভাৱেই একে নহয়। প্ৰত্যেক বিধৰে ব্যৱহাৰযোগ্যতা সুকীয়া আৰু তেনেকৈয়ে এইবিলাকৰ মাজত মানুহৰ ৰুচি আৰু আগ্ৰহৰ ভিন্নতা অনুসৰি ব্যৱহাৰযোগ্যতাৰ তাৰতম্যও নথকা নহয়। সেয়েহে সমাজত প্ৰত্যেকৰে ভূমিকা বেলেগ প্ৰকৃতিৰ হোৱাটোৱেই স্বাভাৱিক। এনে মত প্ৰকাশ কৰাসকলে অৱশ্যে ভাবে যে

মনোৰঞ্জনৰ মাধ্যমে কেৱল পাতলীয়া মনোৰঞ্জন কৰিলেই নহ'ব; আমাৰ আন ধৰণৰ উৎকৰ্ষ সাধনতো সহায় কৰিব পাৰিলে ভাল। আৰু সাহিত্যই মানুহক সুকুমাৰ ৰুচিবোধসম্পন্ন ব্যক্তি কৰি তোলাত পৰ্য্যাপ্ত সহায় কৰিব পাৰে। সাহিত্যৰ পৰা হোৱা মনোৰঞ্জন ক্ষন্তেকীয়া সুখ বা স্থূল মনোৰঞ্জন নহয়। অন্য কথাত, 'বিশুদ্ধ মনোৰঞ্জনৰ লগে লগে সাহিত্যই চিন্তাৰ খোৰাক যোগায়', 'পাঠকলৈ এক প্ৰকাৰৰ বাণী প্ৰেৰণ কৰে'। সাহিত্যই পাঠকৰ 'লেখন কৌশল তথা শব্দ ভাণ্ডাৰ সমৃদ্ধ কৰে'। 'সাহিত্যই মানুহৰ ভিতৰত সোমাই থকা উচ্চ গুণ আৰু বুদ্ধিমত্তা জাগ্ৰত কৰে' আৰু ধ্যান-ধাৰণা মানসিকতাত পৰিবৰ্তন আনে। সাহিত্যত 'মনোৰঞ্জন, জ্ঞান আৰু শিক্ষা'ৰ ত্ৰিৱেণী সঙ্গম ঘটে। ই 'লেখক সমাজ আৰু পাঠক সমাজৰ মাজত সহৃদয়তা বৃদ্ধি'ত সহায় কৰে। যুৱ চামৰ বহুতৰে ধাৰণা মতে 'সাহিত্য মনোৰঞ্জনাত্মক ঔষধ'। এনেবোৰ কাৰণতে মনোৰঞ্জনৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অন্য মাধ্যমতকৈ কম বা বেচি যিয়েই নহওক লাগিলে, সাহিত্যৰ স্থান যে সকলোতকৈ ওপৰত সেই কথাটো অৱশ্যে স্বীকাৰ্য্য।

এনে ধৰণৰ দিশসমূহ বিবেচনা কৰি চাই এই চাম যুৱক-যুৱতীয়ে এই বাস্তৱিক সত্য উপলব্ধি কৰিছে যে সাহিত্য অধ্যয়নৰ বাবে যিহেতু যথেষ্ট সময়ৰ প্ৰয়োজন হয় আৰু বিজ্ঞান-প্ৰযুক্তিৰ নতুন উদ্ভাৱনাবিলাকে মানুহক স্বাভাৱিকতেই অধিক আকৰ্ষণ কৰে, সেয়েহে সাহিত্যৰ পৰম্পৰাগত ৰূপৰ সলনি ডিজিটেল মাধ্যমৰ সাহিত্যৰ প্ৰতি যুৱচামৰ আগ্ৰহ বাঢ়িছে। । এহাতেদি আজিৰ যুৱ সমাজে সকলো কাম ক্ষিপ্ৰতাৰে সম্পাদন হোৱাটো বিচাৰে আৰু আন হাতেদি উপযুক্তভাৱে ব্যৱহাৰ কৰিলে সাহিত্য মনোৰঞ্জনৰ এক অতি উত্তম মাধ্যমৰূপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা বিদ্যমান। বাস্তৱ ক্ষেত্ৰত এইটো কথাও স্বীকাৰ নকৰি নোৱাৰি যে 'কৌশলগতভাৱেই হওক বা অধিক ব্যয়সাপেক্ষ হোৱাৰ বাবেই হওক, নতুনকৈ প্ৰচলিত এই মাধ্যমবিলাক সমাজৰ বেচি ভাগ মানুহৰ বাবেই আজিও সহজ সুগম নহয়'। এনে অৱস্থাত সাহিত্যই বৰ্তমানতকৈ নতুন গতি-প্ৰকৃতিৰে নিজকে পুনৰ আৱিষ্কাৰ কৰাৰ প্ৰয়োজনীয়তাৰ প্ৰতি কোনো কোনোৱে দৃষ্টি আকৰ্ষণ কৰিছে।

### ৪.২ জ্ঞান অৰ্জনৰ মাধ্যম ৰূপে সাহিত্য

মানৱ জীৱনত প্ৰযুক্তিৰ সৰ্বগ্ৰাসী আগ্ৰাসনৰ আগলৈকে জ্ঞান অৰ্জনৰ ক্ষেত্ৰত সাহিত্যই প্ৰায় একচেটিয়া অধিকাৰ দখল কৰি আছিল বুলি ক'ব পাৰি। ভাৰতবৰ্ষৰ বিশেষ সন্দৰ্ভত চাবলৈ গ'লে পাশ্চাত্য আৰ্হিৰে আধুনিক শিক্ষাৰ প্ৰচলনৰ আগলৈকে শিক্ষাৰ পাঠ্যক্ৰমো সম্পূৰ্ণ সাহিত্যকেন্দ্ৰিক আছিল। একবিংশ শতিকাৰ বিজ্ঞান-প্ৰযুক্তিনিৰ্ভৰ যুগত এই সাহিত্যই জ্ঞান অৰ্জনৰ মাধ্যম হিচাপে ভাবুকিৰ সমুখীন হৈছে নেকি এই বিষয়ে যুৱ সমাজৰ মতামত জানিবৰ বাবে আমি ***বৰ্তমান সময়ত জ্ঞান অৰ্জনৰ বিভিন্ন মাধ্যম আছে। সেইবিলাকৰ ভিতৰত সাহিত্যৰ স্থান বা গুৰুত্ব সম্পৰ্কে আপোনাৰ ধাৰণা কি*** বুলি এটা প্ৰশ্ন লৈ আমাৰ অনুসন্ধানত অংশ লোৱা যুৱক-যুৱতীসকলৰ মুখামুখি হৈছিলোঁ। মনোৰঞ্জনৰ মাধ্যম ৰূপে সাহিত্যৰ দৰেই এই সম্পৰ্কতো আমি ভিন ভিন সুৰীয়া মতামত লাভ কৰিছোঁ।

জ্ঞান অৰ্জনত সাহিত্যৰ ভূমিকাৰ বিষয়ে মত দাঙি ধৰাসকলৰ ভিতৰত সাহিত্যৰ প্ৰতি ইতিবাচক ধাৰণা পোষণ কৰাসকলৰ সংখ্যা অধিক। অৱশ্যে ইতিবাচক কিম্বা নেতিবাচক, ধাৰণাৰ স্বৰূপ যেনেকুৱাই নহওক কিয়, বহু সময়ত আমাৰ তথ্যদাতাসকলে কিতাপ আৰু সাহিত্যক একাকাৰ কৰি পেলাইছে। সি যি কি নহওক, জ্ঞান অৰ্জনৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা সম্পৰ্কে যুৱ সমাজে আগবঢ়োৱা ধাৰণাসমূহ আমি তলত দিয়া তিনি ধৰণেৰে আলোচনা কৰিব পাৰোঁ:-

#### ৪.২.১ সাহিত্য জ্ঞান অৰ্জনৰ মুখ্য আহিলা

যুৱ সমাজৰ বহুতে সাহিত্য আগতেও জ্ঞান আহৰণৰ মুখ্য আহিলা আছিল আৰু এতিয়াও সেই ভূমিকা পালন কৰি আছে বুলি কোৱাৰ লগতে বিভিন্ন মাধ্যমৰ ভিতৰত সাহিত্যকে জ্ঞান অৰ্জনৰ ক্ষেত্ৰত মুখ্য আহিলা বুলি গণ্য কৰা উচিত বুলিও মত দাঙি ধৰিছে। 'কিয়নো সাহিত্যৰ বিভিন্ন কিতাপৰ লগত জড়িত হোৱাসকল জীৱনৰ বিভিন্ন দিশৰ বিষয়ে অৱগত হৈছে'। 'মুখ্য আহিলা' বোলা কথাটোৱে ব্যৱহাৰ বহুলতাৰ দিশটোহে প্ৰধানকৈ উজ্জ্বলাই তোলে, উৎকৃষ্টতাৰ প্ৰসঙ্গটো নানে বাবে কোনো কোনোৱে সাহিত্যক মুখ্য আহিলা বোলাতে সন্তুষ্ট নাথাকি 'সৰ্বোত্তম' আহিলা বুলি কৈছে। কোনোৱে আকৌ এই ধাৰণাকে কিঞ্চিৎ ভিন্ন ধৰণেৰে সাহিত্যক 'সকলোৰে উৰ্দ্ধত' বুলি কৈ প্ৰবন্ধ, ভ্ৰমণ সাহিত্য,

জীৱনীমূলক সাহিত্য, বিজ্ঞান-প্ৰযুক্তি সম্পৰ্কীয় সাহিত্য, ব্যৱসায়-বাণিজ্য সম্পৰ্কীয় সাহিত্য আদিৰ নাম উল্লেখেৰে জীৱনৰ সকলো লাগতীয়াল জ্ঞানৰ ভাণ্ডাৰ হিচাপে সাহিত্যক প্ৰক্ষেপ কৰিছে আৰু কৈছে যে সাহিত্যৰ পৰা লাভ কৰা জ্ঞানে ব্যক্তিক নিজৰ নিজৰ ক্ষেত্ৰত দক্ষ কৰি তোলাত সহায় আগবঢ়ায়। 'সকলোৰে উৰ্দ্ধত' বুলি ক'বলৈ গৈ 'চছিয়েল মিডিয়া'তো সাহিত্যই স্বীকৃতি তথা সমৃদ্ধি লাভ কৰাৰ প্ৰসঙ্গকো টানি অনা হৈছে। প্ৰযুক্তিগত সাধনসমূহে সাহিত্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে বা কৰিব পাৰে নেকি আদি ধৰণৰ প্ৰশ্নক সাহিত্যৰ প্ৰবল সমৰ্থকসকলে 'প্ৰযুক্তিগত মাধ্যমসমূহে সাহিত্যৰ স্থান ল'ব পৰা নাই', 'নৈতিকতা আদি কিছুমান জ্ঞান গুগুলৰ নিচিনা চাৰ্চ ইঞ্জিনৰ পৰা সম্ভৱ নহয়', 'সাহিত্য জ্ঞানৰ সৰ্বোচ্চ বিশ্বাসযোগ্যতা থকা উৎস' আদি ধৰণৰ মন্তব্যৰে দূৰতে প্ৰতিহত কৰিছে। প্ৰযুক্তিগত মাধ্যমৰ দুৰ্বলতাৰ বিপৰীতে সাহিত্যৰ সবলতা উপলব্ধি কৰা এই একে সুৰতে সাহিত্যৰ অধ্যয়ন 'ব্যক্তি এজনৰ উন্নয়নৰ প্ৰকৃত পন্থা' আৰু 'নিজক বুজিবলৈ সৰ্বোত্তম পন্থা' বুলি অভিহিত কৰা হৈছে। সাহিত্যই 'ব্যক্তিক সমাজৰ বৃহত্তৰ সত্য আৰু ধাৰণাৰ লগত জড়িত কৰে'। সাহিত্য কলাৰ ভিতৰুৱা। সেয়েহে ই 'কলাসন্মত সুন্দৰতাৰে জ্ঞান দান কৰে'। অধ্যয়নৰ যোগেদি আহৰণ কৰা হয় বাবে 'সাহিত্যৰ পৰা হোৱা বোধ বা জ্ঞান পূৰ্ণবোধ আৰু সেয়ে ইয়াক কেতিয়াও পাহৰা নেযায়'। যুৱ সমাজৰ একাংশই স্কুলীয়া শিক্ষাৰ অন্তৰ্গতভাৱেও সাহিত্য অধ্যয়নৰ ভূমিকা বিচাৰ কৰি চাই মতামত আগবঢ়াইছে। স্কুলৰ পাঠ্যক্ৰমত থকা সাহিত্যই ছাত্ৰ-ছাত্ৰীক সৃষ্টিশীল, কল্পনাশীল আৰু চিন্তাশীল হোৱাত সহায় কৰাৰ লগতে মূল্যবোধৰ শিক্ষা দান কৰিছে। ইয়াত জ্ঞান, শিক্ষা আৰু মনোৰঞ্জন একেলগে থাকে। সাহিত্যই 'বাগ্মিতা বঢ়ায়, পঠন আৰু লেখন কৌশলৰ উন্নয়ন ঘটায়, সমালোচনাত্মক আৰু বিশ্লেষণাত্মক দৃষ্টিৰে ভাবিবলৈ শিকায়'। সাহিত্য জ্ঞানৰ বাহক। জ্ঞানক ই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ কঢ়িয়াই লৈ যায়। 'যুগ যুগৰ পৰা সঞ্চিত হোৱাৰ বাবে সাহিত্যই অন্য মাধ্যমে দিব নোৱৰা জ্ঞানৰ সম্ভেদ দিব পাৰে'। 'সাহিত্যৰ পৰা লাভ কৰা জ্ঞান গভীৰ অনুভূতিগম্য প্ৰজ্ঞা'ৰ শ্ৰেণীত পৰে।

### ৪.২.২ জ্ঞান অৰ্জনৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা নগণ্য

আমি ওচৰ চপা যুৱ সমাজৰ সংখ্যাৰ ফালৰ পৰা ওপৰত উল্লেখ কৰা চামটোতকৈ তুলনামূলকভাৱে কম হ'লেও কিছু সংখ্যকে জ্ঞান অৰ্জনৰ দিশত সাহিত্যতকৈ 'অন্য মাধ্যমসমূহহে অধিক শক্তিশালী ৰূপত প্ৰতিভাত হোৱা' বুলি মত প্ৰকাশ কৰিছে। যুৱ প্ৰজন্মই জ্ঞান অৰ্জনৰ ক্ষেত্ৰতে হওক বা আন ক্ষেত্ৰতে হওক, চমু পথক অগ্ৰাধিকাৰ দিয়াৰ কথাটো এওঁলোকে উল্লেখ কৰিছে আৰু সেই কাৰণতে ইলেক্ট্ৰনিক মাধ্যমৰ জনপ্ৰিয়তা তথা অধিক গ্ৰহণযোগ্যতাৰ পক্ষ গ্ৰহণ কৰিছে। 'বৰ্তমান সময়ত সাহিত্যই প্ৰাসঙ্গিকতা হেৰুওৱা' বুলি  অনুভৱ ব্যক্ত কৰিবলৈ এওঁলোকে কুণ্ঠাবোধ কৰা নাই।

### ৪.২.৩ তুলনামূলকভাৱে বাস্তৱিক স্থিতি অনুধাৱনৰ প্ৰচেষ্টা

আমাৰ এই অনুসন্ধান কৰ্মলৈ সহায় আগ বঢ়োৱা যুৱক-যুৱতীসকলৰ এক বুজন অংশই আমি কৰা প্ৰশ্নৰ লগত সঙ্গতি ৰক্ষা কৰি জ্ঞান অৰ্জনৰ বিভিন্ন আহিলাসমূহৰ তুলনামূলক বিশ্লেষণৰ যোগেদি বৰ্তমান সময়ত সাহিত্যৰ বাস্তৱিক স্থিতিৰ সম্পৰ্কত তেওঁলোকৰ ধাৰণা ব্যক্ত কৰিছে। বস্তুনিষ্ঠ দৃষ্টিৰে তেওঁলোকে অনুভৱ কৰিছে যে 'সাহিত্যই জ্ঞানপথেৰে ভ্ৰমণ কৰোৱায়। দৃশ্য-শ্ৰব্য মাধ্যম ইয়াৰ বাবে সমৰ্থ নহয়'। যি ক্ষেত্ৰত 'কেৱল তথ্যৰহে প্ৰয়োজন, সেই ক্ষেত্ৰত নিঃসন্দেহে ইণ্টাৰনেটৰ স্থান উচ্চ। কিন্তু জ্ঞান আৰু প্ৰজ্ঞাৰ প্ৰয়োজন য'ত, তাত নিশ্চিতভাৱেই সাহিত্য'ৰ ভূমিকা আগত। এই মৌলিক পাৰ্থক্য বিচাৰি উলিওৱাৰ পাছত এওঁলোকে 'আজি দুৰ্ভাগ্যজনকভাৱে তথ্যৰ হাতত জ্ঞান আৰু প্ৰজ্ঞাৰ পৰাজয়' হ'বলৈ ধৰাৰ কথাটোও অনুভৱ কৰিছে। অৱশ্যে 'বহু পৰিমাণে সস্তীয়া সাহিত্যও থকা'ৰ পৰিপ্ৰেক্ষিতত সাহিত্যক 'জ্ঞান অৰ্জনৰ নিখুঁত মাধ্যম' বুলি ভাবিবলৈকো এওঁলোকে সংকোচ বোধ কৰিছে। তথাপি অন্য বহুত মাধ্যমৰ তুলনাত 'সাহিত্যৰ বিশ্বাসযোগ্যতা বেচি' বুলি  স্বীকাৰ কৰি এওঁলোকে জ্ঞানদানৰ ক্ষেত্ৰত সাহিত্যই সানি-পুতকি চামুচেৰে খুৱাই নিদি কল্পনা আৰু বিশ্লেষণ কৰি চোৱাৰ অৱকাশ দিয়ে বুলি মত প্ৰকাশ কৰিছে। 'সাহিত্যত বহু সময়ত পোনপটীয়াকৈ নহৈ আওপকীয়াকৈ, অৰ্থাৎ কল্পনাৰে ভিন্নসুৰীয়া, বিবিধমুখী জ্ঞান লাভৰ অৱকাশ থাকে'। এইবিলাক গুণৰ বলতে সাহিত্যৰ দ্বাৰা

অন্যবিলাক মাধ্যমতকৈ বিষয় 'অধিকভাৱে হৃদয়ঙ্গম' হয় আৰু 'মনত গভীৰ সাঁচ বহি স্থায়ীকৈ থিতাপি ল'বলৈ সহজ হয়' বুলিও এওঁলোকে ভাবে। সাহিত্যৰ প্ৰত্যেক কৃতিৰ যোগেদি ন-ন ধাৰণাৰ বিকাশ সম্ভৱ আৰু এইদৰেই 'সাহিত্যই জ্ঞান প্ৰদানৰ লগে লগে জীৱন ধাৰণৰ গতিকে সলনি' কৰি দিবগৈ পাৰে। সাহিত্যৰ ক্ষেত্ৰত জ্ঞান অৰ্জনৰ লগতে শিকনৰ প্ৰসঙ্গ এটাও সাধাৰণতে জড়িত হৈ থাকেই। এই বিষয়টো অধিক স্পষ্ট কৰি এজনে কৈছে যে 'অন্য মাধ্যমবোৰৰ পৰা আমি শিকিবলৈ চেষ্টা কৰোঁ, সাহিত্যই আমাক শিকাই দিয়ে'। সাহিত্যৰ পৰা এক  'জীৱনদৃষ্টি' আৰু তাৰ পৰাই গৈ সুখ-শান্তি, স্বস্তিৰ সন্ধান সম্ভৱ হোৱাৰ কথাও সমাজৰ যুৱ সদস্যই উল্লেখ কৰিছে।

সাহিত্যৰ ইমানখিনি গুণ আৰু ভূমিকা থকা সত্ত্বেও কিন্তু বস্তুনিষ্ঠ বিশ্লেষণেৰে এই চাম যুৱক-যুৱতীয়ে অনুভৱ কৰিছে যে জ্ঞান অৰ্জনৰ মাধ্যমৰ ৰূপত সাহিত্যৰ ব্যৱহাৰ যুৱ সমাজৰ মাজত কম। সাহিত্যৰ স্থান বৰ্তমান বহু পৰিমাণে অন্য মাধ্যমসমূহে কাঢ়ি লৈছে। অৱশ্যে 'বহুতো ছাত্ৰই সময় উলিয়াই এতিয়াও সাহিত্য পঢ়ে'। কিয়নো 'আধুনিক প্ৰযুক্তিয়ে হাতৰ টিপতে সমস্ত জগৎ লুকুৱাই ৰাখিছে যদিও তথ্য-প্ৰযুক্তিয়ে ঢুকি নোপোৱা কিছুমান প্ৰসঙ্গ এতিয়াও সাহিত্যৰ মাজতহে সংৰক্ষিত হৈ আছে'। এই যুক্তিৰ সমৰ্থনত এজনে চীনদেশৰ উদাহৰণ দাঙি ধৰি কৈছে যে 'সেয়েহে হয়তো তথ্য-প্ৰযুক্তিত আশ্চৰ্য্যজনকভাৱে আগবাঢ়ি যোৱা এইখন দেশে ২০১৭ চনত ১.২ মিলিয়ন কিতাপৰ সংৰক্ষণেৰে পুথিভঁড়ালৰ উদ্বোধনী কৰিছে'।


সামগ্ৰিক ৰূপত, জ্ঞান অৰ্জনৰ কথাটো সময়ৰ পৰিবৰ্তিত প্ৰেক্ষাপট আৰু মানুহৰ ৰুচি-অভিৰুচিৰ ওপৰত নিৰ্ভৰশীল বুলি অনুভৱ কৰি যুৱ সমাজৰ এইটো অংশই কেৱল ছপা মাধ্যমেৰে নহৈ ইণ্টাৰনেটৰ মাধ্যমেৰে প্ৰকাশিতখিনিকো ধৰিলে জ্ঞান অৰ্জনৰ ক্ষেত্ৰত সকলো মাধ্যমৰে ভিতৰত সাহিত্যৰ স্থান সৰ্বোচ্চ বুলি সিদ্ধান্ত আগ বঢ়াইছে।

### ৪.৩ দৈনন্দিন জীৱনৰ পথপ্ৰদৰ্শক ৰূপে সাহিত্য

'আগে চাউল কঠা, পাছে হৰি কথা' বুলি অসমীয়া ভাষাত এষাৰ কথা আছে। কথাষাৰ সাহিত্যৰ প্ৰসঙ্গেৰে চাবলৈ গ'লে দৈনন্দিন জীৱনৰ লগত জড়িত ব্যৱহাৰিক বিষয়বিলাকেহে মানুহৰ জীৱনত প্ৰথমিকতা পায়, সাহিত্য বা আন প্ৰসঙ্গ তাৰ পিছতহে

আহে। ভাৰতীয় সাহিত্যশাস্ত্ৰৰ সাহিত্যৰ প্ৰয়োজন সম্পৰ্কীয় এক মত অনুসৰি আকৌ সাহিত্যই মানুহক দৈনন্দিন জীৱনৰ কৰণীয়-অকৰণীয় সম্পৰ্কে ধাৰণা দিয়ে। ইয়াৰ উদাহৰণ হিচাপে ‘ৰামাদিৱৎ আচৰিতব্যম্ ন তু ৰাৱণাদিৱৎ’ অৰ্থাৎ ৰামৰ দৰে (ভাল) আচৰণ কৰিব লাগে, ৰাৱণৰ দৰে (বেয়া) নহয় বুলি ৰামায়ণৰ পৰা মানুহে জীৱনৰ শিক্ষা গ্ৰহণ কৰাৰ প্ৰসঙ্গ দাঙি ধৰা হৈছে। সাহিত্যই মানুহৰ ব্যৱহাৰিক জীৱনৰ ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সহায় কৰিব পাৰেনে বা কিমান দূৰ সহায় কৰিব পাৰে সেই বিষয়ে অনুসন্ধানৰ উদ্দেশ্যেৰে ***আজিৰ দৈনন্দিন ব্যৱহাৰিক জীৱনত বাট দেখুওৱা বা সহায় কৰাৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা বা গুৰুত্ব আছে বুলি আপুনি ভাবেনে*** বুলি এটা প্ৰশ্ন যুৱ সমাজলৈ আগবঢ়োৱা হৈছিল। যুৱ সমাজৰ যথেষ্ট অংশই (৭৫.৬৮%) সাহিত্যৰ গুৰুত্ব স্বীকাৰ কৰিছে আৰু কম সংখ্যকে (১৫.৫২%) গুৰুত্ব নাই বুলি মত দিছে। তেনেই সামান্য অংশই (৮.৮০%) এই বিষয়ে কোনো মত দিয়া নাই। তলৰ বৃত্তচিত্ৰৰ সহায়ত এই পৰিসংখ্যা স্পষ্ট কৰা হৈছেঃ

চিত্ৰ ১ দৈনন্দিন জীৱনত সাহিত্যৰ দ্বাৰা যুৱসমাজৰ দিগদৰ্শন




সি যি কি নহওক, এই প্ৰশ্নৰ উত্তৰৰ ক্ষেত্ৰত যুৱ সমাজৰ পৰা তলত দিয়া ধৰণেৰে তিনি ধৰণৰ মতামত লাভ কৰা গ'লঃ

**৪.৩.১ সাহিত্য ব্যৱহাৰিক জীৱনৰ সহায়ক**

আজিৰ দৈনন্দিন জীৱন বুলিলে ব্যক্তিগত জীৱনৰ লগত জড়িত বিভিন্ন দিশৰ লগতে ৰাজনীতি, অৰ্থনীতি, বৃত্তি-ব্যৱসায় আদিকে ধৰি সামূহিক বা সামাজিক জীৱনৰ বহুতো প্ৰসঙ্গ সোমাই থাকে। প্ৰশ্নসূচীৰ যোগেদি তথা মুখামুখী সাক্ষাতত লগ পোৱা আমাৰ তথ্যদাতাসকলৰ বহুতে 'সাহিত্যত জীৱনৰ দিগ্দৰ্শনৰ বাবে সকলো উপাদান থকা' বুলি ক'বলৈ যত্ন কৰিছে। 'সাহিত্যত ব্যক্তিগত তথা সামাজিক আভিজ্ঞতা থুপ খাই থাকে' আৰু ই 'এখন দাপোণৰ দৰে দৈনন্দিন জীৱনৰ চেহেৰা দেখুৱায়'। সেই চেহেৰা চাই 'আমি নিজকে বুজি উঠোঁ' আৰু নিজৰ বাবে সঠিক বাট বাচি ল'ব পাৰোঁ'। 'জীৱন সম্পৰ্কীয় ধাৰণা, দৃষ্টি, দৰ্শন গঢ়ি তোলাত সহায় কৰা'ৰ লগতে 'সাহিত্যই জীৱনৰ আগত বহুতো দুৱাৰ মুকলি কৰি দিয়ে'।

আজিৰ দিনত সকলো নিজকে লৈ ব্যস্ত। কোনেও কাৰো বাবে বিশেষ কাৰণ নহ'লে সময় খৰচ কৰিব নোৱাৰে। এনে এক সময়ত 'সাহিত্যই আমাক জীৱনে মুখামুখি হোৱা পৰিস্থিতিসমূহৰ লগত যুঁজিবলৈ শিকাৰ ক্ষেত্ৰত বহুত সহায় কৰে'। 'বিজ্ঞান-প্ৰযুক্তিয়ে আজিৰ ব্যক্তি আৰু সমাজ জীৱনলৈ এক প্ৰকাৰৰ বিপ্লৱ কঢ়িয়াই' আনিছে সঁচা, কিন্তু ই 'সাহিত্যৰ দৰে জীৱনক বাট দেখুৱাব' পৰা নাই। 'জীৱনপথৰ বিভিন্ন ভাঁজবোৰ'ৰ লগতে 'দৈনন্দিন জীৱনৰ কোনটো দিশ ভাল কোনটো বেয়া' সাহিত্যইহে দেখুৱাই দিব পাৰে। সাহিত্যত নিজক আৰু আনক বা সমাজখনকে দেখা পোৱা যায়। তাৰ পৰা 'নিজৰ দৈনন্দিন জীৱনটো সুখী, আনন্দদায়ক কৰি তোলা'ৰ লগতে 'সমাজৰো এজন প্ৰকৃত ভাল সদস্য হৈ উঠিবলৈ শিকিব পৰা যায়'। অন্য প্ৰকাৰে ক'বলৈ গ'লে মানুহে কথাবোৰ অভিজ্ঞতাৰ পৰা শিকে। এজন মানুহে দৈনন্দিন জীৱনৰ বাবে লাগতিয়াল 'সমস্ত বিষয় নিজৰেই অভিজ্ঞতাৰ পৰা শিকি লোৱাটো সম্ভৱ নহয়'। সাহিত্যত 'লেখকৰ নিজৰ তথা তেওঁৰ কল্পনা আৰু বিশ্লেষণৰ জৰিয়তে প্ৰস্তুত কৰা সমাজৰ বিভিন্ন জনৰ অভিজ্ঞতা' লাভ কৰিব পাৰি। আচলতে জীৱন আৰু জগতত 'এনে দিশ নাই, যিটো সাহিত্যই সামৰি লোৱা নাই'। গতিকে 'দৈনন্দিন জীৱনৰ প্ৰতিটো দিশেই সাহিত্যত বিচাৰি' পাব পাৰি। 'কাল্পনিক ৰচনা(Fiction)ই জীৱন সম্পৰ্কীয় অনুভৱ দিয়ে। তাৰ পৰা পৰোক্ষ ৰূপত জীৱন

পৰিচালিত হ'ব পাৰে'। ইফালে 'অ-কাল্পনিক ৰচনা(Non-Fiction)ই ব্যক্তিক প্ৰত্যক্ষভাৱেই জ্ঞান দান কৰি ব্যক্তিগত উৎকৰ্ষ সাধনত সহায় কৰে'। দুয়ো বিধৰ সাহিত্যই জীৱনৰ বিশেষ বিশেষ পৰিস্থিতিত 'উপযুক্ত সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰস্তুত' হোৱাত সহায় কৰে। এনে প্ৰসঙ্গত আমাৰ তথ্যদাতাসকলৰ বহুতেই নিজৰ ফালৰ পৰা কিছুমান উদাহৰণো দাঙি ধৰিছে। 'গল্প-উপন্যাসৰ চৰিত্ৰত থকা ভাল-বেয়া দিশবোৰ চাই লৈ নিজক গঢ়ি ল'ব পাৰি' আৰু 'সাহিত্যৰ চৰিত্ৰবোৰৰ ক্ষেত্ৰত দেখুওৱা সমাধানৰ পথেৰে নিজৰো সমস্যাৰ সমাধান উলিয়াই লোৱা'ৰ লগতে অনাগত দিনবোৰত আহিব লগীয়া 'অনিশ্চয়তাৰ লগত মোকাবিলা কৰিবলৈ সাজু হৈ ল'ব পাৰি'। জীৱনী, আত্মজীৱনী আৰু ব্যক্তিগত অভিজ্ঞতা সম্পৰ্কীয় ৰচনাই 'নিজৰ বাবে লক্ষ্য স্থিৰ কৰি লৈ সঠিক বাটেৰে আগবঢ়াত সহায় কৰে' বুলি এই চাম যুৱক-যুৱতীয়ে অনুভৱ কৰিছে। সেইদৰে সমসাময়িক বিষয়(Current affairs)ৰ লেখাসমূহে দৈনন্দিন জীৱনত পোনপটীয়াকৈ সহায় কৰাৰ কথাও কৈছে। এনে ধৰণৰ সাহিত্যসমূহে 'দ্বন্দ্বসমূহৰ মুখামুখি হ'বলৈ', 'আৰ্থ-সামাজিক-ৰাজনৈতিক কাৰকসমূহ বুজিবলৈ', 'নিজৰ সুপ্ত প্ৰতিভা আৱিষ্কাৰ কৰিবলৈ' তথা 'সোঁতৰ বিপৰীতে যুঁজিবলৈ' শিকায় বুলিও অনুভৱ ব্যক্ত কৰিছে। সাহিত্যৰ এই সমস্ত প্ৰসঙ্গই পাঠকক মনোবল যোগোৱাৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰত সততে আত্মোৎকৰ্ষমূলক বা জীৱনমুখী সাহিত্যসমূহৰ প্ৰসঙ্গ টানি অনা হৈছে। দৈনন্দিন জীৱনত উৎসাহ-উদ্দীপনা আৰু সাহস যোগাই আত্মবিশ্বাস গঢ়ি তোলাৰ ক্ষেত্ৰত এই শ্ৰেণীৰ সাহিত্যৰ ভূমিকা বাৰম্বাৰ স্বীকৃত হৈছে। এচাম যুৱক-যুৱতীৰ মতে সাহিত্যই দৈনন্দিন জীৱনত প্ৰভাৱ পেলোৱাৰ ক্ষেত্ৰত আত্মোৎকৰ্ষমূক সাহিত্যৰ গুৰুত্ব সবাতোকৈ বেচি। এনে সাহিত্য 'পাঠ্যক্ৰমত বাধ্যতামূলক কৰিব' লাগে আৰু 'গোটেই পৃথিৱীতে এনে ৰচনা পঢ়াৰ ধাৰাটোত অধিক গতি আনি দিব লাগে' বুলিও বহুতে মত প্ৰকাশ কৰিছে। প্ৰসঙ্গক্ৰমে 'ব্যক্তিগত উৎকৰ্ষ' আৰু 'আৰ্থ-সামাজিক' অৱস্থা-ব্যৱস্থা, যুৱ সমাজৰ অস্থিৰতা দূৰ কৰা আদিকে ধৰি দৈনন্দিন জীৱনত 'কামত অহা ধৰণৰ যথেষ্ট ৰচনা সুলভ নোহোৱা'ৰ প্ৰতিও অনেকে দৃষ্টি আকৰ্ষণ কৰিছে।

সাহিত্যৰ সহায়ত কোনো কোনোৱে 'নৈতিকতাপূৰ্ণ, সামাজিক, সংস্কৃতিসম্পন্ন, মানৱীয়তাসুলভ, সহজ-সৰল, শান্তিময় জীৱন যাপন কৰাৰ সুবিধা'ৰ কথা কৈছে। কাৰণ,

'সুখী, সুন্দৰ জীৱনৰ অন্তৰালত থকা প্ৰাথমিক কথাবোৰ বুজি পোৱাত সাহিত্যই সহায়' কৰে। আন কিছুমানে আকৌ সাহিত্যই দৈনন্দিন জীৱনত আত্মনিৰ্ভৰশীল হ'ব পৰা যেনে 'ৰন্ধা-বঢ়া, বোৱা-কটা, কৃষি, ব্যৱসায় আদি আৰু আনকি ভাষা-শিক্ষণ, শব্দভাণ্ডাৰৰ বৃদ্ধি, বুদ্ধিমত্তাৰ বিকাশ, প্ৰসাধনলৈকে বুলি দৈনন্দিন জীৱনৰ বাবে লাগতিয়াল প্ৰায় সমস্ত তথ্য-সূচনা-জ্ঞানৰ যোগান ধৰে বুলি মত প্ৰকাশ কৰিছে।

**৪.৩.২ ব্যৱহাৰিক জীৱনত সাহিত্য গুৰুত্বহীন**

সংখ্যাত কম যদিও যুৱ সমাজৰ কোনো কোনোৱে 'দৈনন্দিন জীৱনৰ ব্যৱহাৰিক দিশবোৰৰ লগত জড়িতভাৱে সাহিত্যৰ গুৰুত্ব তেনেকৈ নাই' বুলি মত প্ৰকাশ কৰিছে। কাৰণ 'দৈনন্দিন জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত খুব কম সংখ্যক ব্যক্তিয়েহে সাহিত্যৰ সহায় লয়' বুলি এওঁলোকে ভাবে।

**৪.৩.৩ বাস্তৱিক স্থিতি অনুধাৱনৰ প্ৰচেষ্টা**

যুক্তিৰ সহায়ত সকলো কথা জুখি-মাখি চাবলৈ যত্ন কৰা যুৱ সমাজৰ অন্তৰ্গত এচামে 'সাহিত্য এটা জাতিৰ চিন্তা-চেতনাৰ সাৰবস্তু' (Literature is a comprehensive essence of the intellectual life of a nation)—ছেক্সপীয়েৰৰ এই উক্তিৰ আঁত ধৰি জীৱন ডিঙা বাই নিয়াত সাহিত্যই একো একো ডালি ব'ঠাৰ কাম কৰাৰ মনোভাৱ ব্যক্ত কৰিছে। জীৱন সম্পৰ্কত উপযুক্ত ৰূপত বিচাৰ কৰি চাবলৈ গ'লে জীৱনৰ প্ৰাথমিক প্ৰয়োজনখিনিৰ পূৰণেই দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তাৰ পূৰণ নহয়। ইয়াৰ পিছত মানুহ 'মনৰ অনুসন্ধিৎসাৰ পূৰণ আৰু জীৱন-জগতৰ ৰহস্যৰ উদ্ঘাটনৰ দিশত', 'সাহিত্যৰ সজীৱ ক্ষেত্ৰ (Lively Land of Literature)ত জীৱনৰ প্ৰেৰণামূলক দিশ তথা সদ্‌গুণ (Virtue)বিলাকৰ সন্ধানত' অগ্ৰসৰ হয়। এইখিনিতে নিশ্চয়কৈ 'চিন্তা-চেতনাৰ সাৰবস্তু' সাহিত্যৰ প্ৰয়োজন আহি পৰে।


এনেকুৱা জটিলতালৈ নোযোৱাকৈ কোনো কোনোৱে প্ৰসঙ্গটো সৰলভাৱেও বিচাৰ কৰি চাইছে – 'আমাৰ জীৱনটো আমি মুখামুখি হোৱা বাস্তৱিকতাই গঢ়ি তোলে। সাহিত্যত যদি সেই বাস্তৱিকতা সিঁচৰতি হৈ থাকে, তেনে দৈনন্দিন জীৱনত সাহিত্যৰ এক

উল্লেখযোগ্য প্ৰভাৱ থাকিব'। অৱশ্যে এই প্ৰভাৱ যে 'ভাল-বেয়া দুয়ো ধৰণৰেই হ'ব পাৰে' সেই কথালৈকো দৃষ্টি ৰখা হৈছে। সাহিত্যৰ 'উপযোগিতা প্ৰশ্নাতীত। কিন্তু উপযোগ কি ধৰণেৰে কৰিব পাঠকে তাক বিচাৰি উলিয়াব পাৰিব' লাগিব। তেতিয়াহে দৈনন্দিন জীৱন সাহিত্যৰ দ্বাৰা উপযুক্তভাৱে পৰিচালিত হোৱাৰ আশা কৰিব পাৰি। এই প্ৰসঙ্গৰ লগত সঙ্গতি ৰাখি যুৱ সমাজে আৰু এক গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে। সাধাৰণতে জ্ঞান আৰু শিক্ষা দানৰ কামটো পাঠ্যক্ৰমসমূহৰ দ্বাৰা হয় বুলি ভবা হয়। কিন্তু 'জীৱনৰ শুদ্ধ-অশুদ্ধ, সত্য-অসত্য, নৈতিক-অনৈতিকৰ পাৰ্থক্য বুজাৰ প্ৰসঙ্গ পাঠ্যক্ৰমত নাই'। সাহিত্যৰ দ্বাৰা সেই কাম সম্ভৱ হৈ উঠিব পাৰে বুলি যুৱ প্ৰজন্মৰ বহুতে আশা কৰে। অৱশ্যে সাহিত্যক যুৱ প্ৰজন্মৰ গ্ৰহণযোগ্য কৰি তুলিবৰ বাবে ইয়াৰ আধুনিকীকৰণৰ প্ৰয়োজনীয়তাৰ কথাটোও এওঁলোকে উল্লেখ কৰিছে।

### ৪.৪ সামাজিক সংস্কাৰ আৰু পৰিবৰ্তনৰ কাৰক ৰূপে সাহিত্য

সাহিত্যই সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত সংস্কাৰ আৰু পৰিবৰ্তন সাধন কৰাটো এটা বহু প্ৰচলিত ধাৰণা। জনমত গঠনৰ ক্ষেত্ৰত সাহিত্যৰ সবল ভূমিকা অনস্বীকাৰ্য্য। বিশ্ব ইতিহাসত সাহিত্যৰ সহায়তেই বহুতো বিপ্লৱৰ আৰম্ভণিও ঘটিছে। পাশ্চাত্য জগততো সাহিত্যৰ দ্বাৰা ব্যক্তি আৰু সমাজ জীৱনত বিশোধন বা শুচিকৰণ (Catharsis)ৰ কাৰ্য্য সম্পাদন হোৱাৰ ধাৰণাটো এৰিষ্টটলৰ পয়েটিক্সৰে পৰা চলি আহিছে। এনে প্ৰসঙ্গৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত সাহিত্যৰ সংস্কাৰমূলক ভূমিকাৰ বিষয়ে যুৱ সমাজৰ ধাৰণা জানিবৰ বাবে ***বৰ্তমান সময়ত সাহিত্যৰ দ্বাৰা সমাজ-সংস্কাৰ/সামাজিক পৰিবৰ্তন সম্ভৱ হৈছে বুলি আপুনি ভাবেনে*** -- এই প্ৰশ্নটো তথ্যদাতাসকললৈ আগবঢ়োৱা হৈছিল। উত্তৰত অধিক সংখ্যকেই (৬৭.১৪%) সাহিত্যৰ ভূমিকা সম্পৰ্কে ইতিবাচক মন্তব্য আগবঢ়োৱাৰ বিপৰীতে কোনো কোনোৱে (২৩.৮০%) সাহিত্য ব্যৰ্থ হোৱাৰ কথা কৈছে। বাকীখিনিয়ে এই বিষয়ত (৯.০৬%) কোনো মন্তব্য আগবঢ়োৱা নাই।

চিত্ৰ ২ সাহিত্যৰদ্বাৰা সমাজ-সংস্কাৰ/সামাজিক পৰিবৰ্তন




সামগ্ৰিকভাৱে যুৱ সমাজৰ পৰা লাভ কৰা এই সম্পৰ্কীয় মতামতসমূহক তিনিটা শীৰ্ষকত তলত বিশ্লেষণ কৰা হৈছেঃ

### ৪.৪.১ সংস্কাৰ আৰু পৰিবৰ্তনৰ বাহক ৰূপে সাহিত্য

অসমৰ প্ৰেক্ষাপটত চাবলৈ গ'লে 'শংকৰদেৱৰ সাহিত্য'ই আৰু আধুনিক যুগতো ভাৰতৰ 'স্বাধীনতা আন্দোলন' সম্পৰ্কীয় তথা তাৰ হাত ধৰি অহা সংস্কাৰমূলক আন্দোলন সম্পৰ্কীয় লেখাই সামাজিক-সাংস্কৃতিক পৰিবৰ্তনৰ ধল বোৱাই অনাৰ ক্ষেত্ৰত মুখ্য কাৰকৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। এই অনুসন্ধান কৰ্মৰ তথ্যদাতা অধিক সংখ্যকৰে মতে বৰ্তমান সময়তো সাহিত্যই, বিশেষকৈ পৰিবৰ্তন আৰু সংস্কাৰ সম্পৰ্কীয় সাহিত্যই এই দিশত প্ৰচুৰ বৰঙনি আগবঢ়াই আছে। এওঁলোকৰ বহুতে সাহিত্যই পাঠকক 'সামাজিক বৈষম্য, অন্যায়, নাৰীৰ প্ৰতি অবিচাৰ-অৱহেলা তথা অসমানতা আদিৰ বিপৰীতে সাহসী পদক্ষেপ ল'বলৈ উৎসাহিত' কৰাৰ কথা কৈছে। উদাহৰণ স্বৰূপে তেওঁলোকে তছলিমা নাছৰিন, ছলমান ৰুশ্বডী, খালেদ হুছেইনি আদি লেখকৰ লেখাৰ কথা উল্লেখ কৰিছে। এওঁলোকৰ মতে সাহিত্যৰ যোগেদি প্ৰকাশিত সংস্কাৰমুখী বিষয়সমূহে 'পাঠকৰ ওপৰত প্ৰভাৱ পেলায়। পাঠকৰ কিছুমানে এইবিলাক তেওঁলোকৰ জীৱনশৈলীত গ্ৰহণ কৰে বা অন্ততঃ অনুকৰণাত্মকভাৱে হ'লেও কিছুমান অভ্যাস নিজৰ জীৱনৰ লগত সাঙুৰি লয়। এনে সৰু সৰু কথাৰ পৰাই ডাঙৰ ডাঙৰ পৰিবৰ্তন সম্ভৱ হৈ উঠেগৈ'। যুৱ চামৰ একাংশই

'সামাজিক গাঁথনি সম্পৰ্কীয় বিষয়কে ধৰি সমসাময়িক বিষয় সম্পৰ্কীয় লেখা'ৰ প্ৰসঙ্গ উত্থাপন কৰি এনে লেখাই 'সমাজৰ বাস্তৱিক গতি-প্ৰকৃতি সম্পৰ্কে পাঠকক তথ্যৰ যোগান ধৰাৰ অতিৰিক্ত পাঠকৰ মনত প্ৰশ্নৰ উদয় ঘটায় আৰু সমাজৰ গতিত বাধাৰ সৃষ্টি কৰি থকা বহু বিচাৰহীন বদ্ধমূল ধাৰণা দূৰ কৰিবলৈ আৰু পৰিবৰ্তন আনিবলৈ উৎসাহ যোগায়' বুলি কৈছে।

সাহিত্য পৰিবৰ্তনৰ আহিলা স্বৰূপে প্ৰয়োগ হোৱাৰ কথাটো বহুতে বহু ধৰণেৰে ব্যক্ত কৰিছে। কিন্তু প্ৰায় ক্ষেত্ৰতে ই পোনপটীয়াকৈ পৰিবৰ্তন সাধন কৰাতকৈ পৰোক্ষ ৰূপত কাৰ্য্যশীল হোৱাৰ কথাটোহে প্ৰকাশ পাইছে। এনে এক বক্তব্য অনুসৰি 'চিন্তা উদ্ৰেককাৰী লেখাবিলাকৰ পৰা পাঠকৰ মনত সচেতনতা বৃদ্ধি পায় আৰু সামাজিক সমস্যাবিলাকৰ প্ৰতি সজাগ হয়। পৰিণাম স্বৰূপে অসামাজিকতাৰ বিৰুদ্ধে সমাজ সৰৱ হৈ উঠে'। সৰলভাৱে ক'বলৈ গ'লে সাহিত্যই শুদ্ধভাৱে ভাবিবলৈ আৰু কৰিবলৈ শিকোৱাই নহয়, কেতিয়াবা সাহিত্যৰ যোগেদি ভুলবোৰ বা নেতিবাচক দিশবোৰ চকুৰ আগলৈ আহে আৰু তাৰ পৰাই শুধৰণিৰ পথ প্ৰশস্ত হয়। কোনোৱে আকৌ সাহিত্যৰ যোগেদি 'ডাইনী হত্যা', পৰিবেশ সুৰক্ষা, বৰ্ণবাদ আদিৰ নিচিনা বিষয়ৰ ক্ষেত্ৰত 'বিজ্ঞান মনস্কতাৰ গঠন' হোৱাৰ কথা কৈছে। 'সাহিত্যক ভিত্তি কৰিয়েই বহুতৰ মানসিকতাৰ পৰিবৰ্তন সাধন' হৈছে। সাহিত্যই 'পাঠকৰ বিচাৰ-বুদ্ধি উন্নত কৰি, কাৰণ-কাৰ্য্যৰ সম্পৰ্কৰ জ্ঞানেৰে যুক্তিনিৰ্ভৰ কৰি গঢ়ি তুলি মনৰ দিগন্ত বহল কৰে' আৰু ইয়াৰ পৰা 'পৰিবৰ্তন তথা সংস্কাৰ সাধিত' হোৱাত সহায় হয় বুলিও বহুতে ভাবিছে।

সাহিত্যই আমাৰ জ্ঞাতে বা অজ্ঞাতে বহু ধৰণৰ পৰিবৰ্তন সাধন কৰি থকাৰ উল্লেখ কৰিবলৈ গৈ কোনো কোনোৱে কিছুমান উদাহৰণ আগবঢ়োৱাৰো প্ৰয়াস কৰিছে। এজনৰ মতে বাস্তৱিকতা উদঙাই দেখুওৱা 'বিভিন্ন প্ৰগতিশীল লেখাসমূহৰ বাবে চৰকাৰ' বা অন্য তথাকথিত উৰ্দ্ধতন মহল 'স্বেচ্ছাচাৰী হৈ উঠিব পৰা নাই'। 'হাজাৰ সাহিত্যই হাজাৰজনৰ মনৰ সংস্কাৰ কৰি থকা'ৰ প্ৰসঙ্গত এজনে কৈছে যে 'দামিনী কাণ্ডৰ পিছত সেই সম্পৰ্কীয় লেখা পঢ়ি আগতে ছোৱালী জোকাই আনন্দ পোৱা এজন যুৱকৰ মনৰ পৰিবৰ্তন ঘটি তাৰ পাছত ৰাস্তাত ছোৱালী দেখিলে নমস্কাৰ কৰিবলৈ ল'লে'।

**৪.৪.২ সংস্কাৰ আৰু পৰিবৰ্তনৰ কাৰক হিচাপে সাহিত্যৰ ব্যৰ্থতা**

যুৱ সমাজৰ কিছু সংখ্যক সদস্যৰ মতে সাহিত্যৰ দ্বাৰা সমাজৰ পৰিবৰ্তন কিম্বা সংস্কাৰৰ কথাটো অতীতত সম্ভৱ হৈছিল যদিও বৰ্তমান তেনেকৈ সম্ভৱ হৈ উঠা নাই আৰু কথাটো ইমান সহজো নহয়। ইয়াৰ কাৰণ হিচাপে কোনো কোনোৱে 'নিৰক্ষৰ, পিছপৰা অঞ্চল আৰু কৰ্মব্যস্ত মানুহৰ ক্ষেত্ৰত সাহিত্যৰ প্ৰভাৱ নোহোৱা'ৰ প্ৰসঙ্গ উত্থাপন কৰিছে। উদাহৰণ স্বৰূপে এজনে কৈছে যে 'ডাইনী হত্যাৰ বিষয়ে সাহিত্য' সৰৱ হৈছে, অথচ সমাজত তাৰ প্ৰকোপ কোনো ধৰণেই কমা নাই। কোনো কোনোৱে অৱশ্যে বৰ্তমান মানুহে 'সাহিত্য নপঢ়েই' আৰু 'সাহিত্য পঢ়িলেও তাত থকা কথা 'অলপ দিনতে পাহৰি যায়' কাৰণে সংস্কাৰ আৰু পৰিবৰ্তনৰ ক্ষেত্ৰত সাহিত্য ব্যৰ্থ হ'ব লগীয়া হোৱা বুলি কৈছে।

**৪.৪.৩ বাস্তৱিকতা অনুধাৱনৰ প্ৰচেষ্টা**

এই চাম যুৱক-যুৱতীয়ে 'ডাচ কেপিটেল' আদিকে ধৰি কিছুমান গ্ৰন্থই এটা সময়ত 'সমগ্ৰ পৃথিৱী জুৰি বৈপ্লৱিক পৰিবৰ্তন' সম্ভৱ কৰি তোলাৰ উদাহৰণৰ পৰা পৰিবৰ্তন আৰু সংস্কাৰৰ ক্ষেত্ৰত সাহিত্যৰ একপ্ৰকাৰৰ সৰ্বাত্মক ভূমিকাৰ কথা উপলব্ধি কৰাৰ লগতে 'বৰ্তমান এনে শক্তিশালী সাহিত্যৰ সৃষ্টি নোহোৱা হ'ল' বুলি আক্ষেপ প্ৰকাশ কৰিছে। এওঁলোকৰ মতে 'বৰ্তমান সময়ত শক্তিশালী সাহিত্যৰ অভাৱ'। লেখকসকলেই 'সংস্কাৰৰ প্ৰতি সচেতন বা আগ্ৰহী নোহোৱা হ'ল' নেকি বুলিও এওঁলোক শংকিত হৈছে। অৱশ্যে এওঁলোকৰ ভিতৰতে কোনো কোনোৱে তছলিমা নাছৰিনৰ নিচিনা শক্তিশালী লেখকৰ প্ৰচেষ্টাইও যথোপযুক্ত সফলতা লাভ কৰিব নোৱৰাৰ বাবে আশ্চৰ্য্য প্ৰকাশ কৰিছে।

সমাজত পৰিবৰ্তনৰ জোৱাৰ আনিব পৰাকৈ বৰ্তমান সময়ত শক্তিশালী সাহিত্যৰ অভাৱৰ কথাটো অনুধাৱন কৰা মানেই যে এই চাম যুৱক-যুৱতীয়ে এই দিশত সাহিত্যৰ ভূমিকা একেবাৰে নাই বুলি ধৰি লৈছে তেনেও নহয়। বহুতেই স্বীকাৰ কৰিছে যে সাহিত্যই পৰিবৰ্তনৰ দিশত সাংঘাতিক কিবা এটা হয়তো কৰিব পৰা নাই। সেয়েহে প্ৰত্যক্ষভাৱে কাৰণ-কাৰ্য্যৰ সম্পৰ্ক দেখুৱাই দিবলৈ হয়তো অসুবিধা হ'ব পাৰে। কিন্তু সাহিত্যৰ দ্বাৰা

'পৰোক্ষ ৰূপত সমাজৰ মানসিক পৰিবৰ্তন আমাৰ অজানিতে-অলক্ষিতে হৈ আছে'। সমাজে সাহিত্যৰ পৰা এই বিলাক দিশত পৰিমাণ কম-বেচি যিয়েই নহওক, অন্ততঃ 'অনুপ্ৰেৰণা লাভ কৰি আছে'। সাহিত্যই 'সংস্কাৰমূলক বিভিন্ন প্ৰসঙ্গৰ বাবে ভেটি নিৰ্মাণ কৰি দিয়ে, সেই সম্পৰ্কীয় চিন্তাৰ বাবে উপযুক্ত পৰিবেশৰ সৃষ্টি' কৰি দিয়ে। তাৰ পৰাই পাঠকসকল 'সজাগ আৰু সচেতন হৈ উঠে আৰু সমাজ ক'ব নোৱৰাকৈয়ে কেতিয়াবা পৰিবৰ্তন'ৰ দিশত আগবাঢ়ি যায়। বৰ্তমান সময়ত সাহিত্যৰ দ্বাৰা সমাজৰ সংস্কাৰ আৰু পৰিবৰ্তন সাধনৰ বাস্তৱিকতা সম্পৰ্কে এই যুৱ চামৰ  সামগ্ৰিক অনুভৱ হ'ল 'যৎকিঞ্চিৎ হৈছে। কিন্তু সম্পূৰ্ণ চাহিদা পূৰাব পৰা নাই'। ইয়াৰ প্ৰধান কাৰণ চিহ্নিত কৰি এওঁলোকে কৈছে যে 'সাহিত্যৰ প্ৰভাৱ সমাজৰ শিক্ষিত শ্ৰেণীৰ মাজতে সীমাবদ্ধ। অথচ অশিক্ষিতসকলৰ ক্ষেত্ৰতহে পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা অধিক'। সাহিত্যই উপযুক্ত ভূমিকাৰে অশিক্ষিত শ্ৰেণীৰ মাজলৈ পৰিবৰ্তনৰ বাৰ্তা কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত এওঁলোকে সাহিত্যৰ দ্বাৰা 'শিক্ষিতসকল উদ্বুদ্ধ হৈ সজাগতামূলক নেতৃত্ব বা পদক্ষেপ গ্ৰহণ কৰাৰ এটা স্তৰো সাহিত্য আৰু সাধাৰণ সমাজৰ মাজত থকাৰ প্ৰয়োজনীয়তা'ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে।


**৪.৫ আঞ্চলিক/গোষ্ঠীগত/জাতীয়/বিশ্বাত্মক ধাৰণাৰ উত্থান আৰু বিকাশত সাহিত্য**

মানৱ সমাজৰ প্ৰায় সকলো ধাৰণাৰে উত্থান আৰু বিকাশত সাহিত্যৰ সহযোগ আছে। জাতীয় সাহিত্যই এটা জাতিক বটবৃক্ষৰ দৰে ছাঁ দি ৰাখে। তাৰ বিপৰীতে আকৌ সমগ্ৰ বিশ্বক এক বুলি ভবাৰ সুবিধাও সাহিত্যই কৰি দিয়ে। এনে প্ৰসঙ্গ চকুৰ আগত ৰাখি এনেবোৰ বিষয়ত যুৱ সমাজৰ নো ধাৰণা কি সেই সম্পৰ্কে জানিবৰ বাবে এই অনুসন্ধান কৰ্মত ***সাহিত্যৰ দ্বাৰা জাতীয়/গোষ্ঠীগত/বিশ্বাত্মক/আঞ্চলিকতাবাদী আদি ধৰণৰ ভাৱনা আৰু ধাৰণাৰ উত্থান, জাগৰণ কিম্বা বিকাশত সহায় হৈছে বুলি আপুনি ভাবে নেকি*** বুলি এটা প্ৰশ্ন তথ্যদাতাসকললৈ আগবঢ়োৱা হৈছিল। কিছু সংখ্যক (৩১.৬৯%) যুৱক-যুৱতীয়ে এনেবিলাক বিষয়ত সাহিত্যৰ যথেষ্ট ভূমিকা থাকে বুলি মত প্ৰকাশ কৰিছে যদিও এই ক্ষেত্ৰত, বিশেষকৈ বৰ্তমান সময়ৰ লগত জড়িতভাৱে পৰ্য্যাপ্ত উদাহৰণ আমি তেওঁলোকৰ পৰা লাভ কৰিবলৈ সক্ষম হোৱা নাই। অৱশ্যে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত শংকৰদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, নিবাৰণ বৰা, পৰাগ কুমাৰ দাস আদি লেখকসকলৰ ৰচনাৰ দ্বাৰা অসমীয়া

জাতীয়তাবাদী ভাৱধাৰাৰ উত্থান, জাগৰণ, বিকাশ তিনিও ক্ষেত্ৰতে প্ৰভূত সহায় হৈছে বুলি অনেকেই উল্লেখ কৰিছে। এই ক্ষেত্ৰত 'ভক্তি আন্দোলন', 'স্বাধীনতা আন্দোলন' আৰু 'অসম আন্দোলন'ৰ প্ৰসঙ্গও অনা হৈছে। অসমীয়া জাতীয়তাবাদী চেতনাক আগবঢ়াই নিয়াৰ দিশত বেজবৰুৱাৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটোৰ কথা বিশেষভাৱে উল্লেখিত হৈছে।

আমাৰ এই প্ৰশ্নৰ উত্তৰ স্বৰূপে বিভিন্ন ধৰণেৰে সঁহাৰি জনোৱা যুৱক-যুৱতীৰ পাৰিসাংখ্যিক তথ্য তলত বৃত্তচিত্ৰৰ সহায়ত দেখুওৱা হৈছে।

**চিত্ৰ ৩** সাহিত্যৰদ্বাৰা জাতীয়/গোষ্ঠীগত/বিশ্বাত্মক/আঞ্চলিকতাবাদী আদি ধৰণৰ ভাৱনা আৰু ধাৰণাৰ উত্থান, জাগৰণ কিম্বা বিকাশ




সি যি কি নহওক, আমি উল্লেখ কৰা কেউটি দিশতে সাহিত্যই পালন কৰিব পৰা ভূমিকাৰ ক্ষেত্ৰত থকা সম্ভাৱনাসমূহৰ বিষয়ে বহুতো তথ্যদাতাই প্ৰচুৰ বিশ্লেষণাত্মক বিৱৰণ দাঙি ধৰিছে। এই সম্ভাৱনাসমূহৰ ভিতৰত সাহিত্যৰ ইতিবাচক ভূমিকাৰ লগতে নেতিবাচক ভূমিকাৰ প্ৰসঙ্গও সন্নিবিষ্ট হৈছে।

সাহিত্যৰ সহায়ত 'দূৰৱৰ্তীসকলৰ লগতো আত্মীয়তা গঢ়ি উঠে' বুলি কোনো কোনোৱে মত প্ৰকাশ কৰিছে। 'সাহিত্যই মানুহক বান্ধি ৰখাত সেতুৰ কাম কৰিছে' বুলি উল্লেখ কৰাৰ লগতে আমাৰ তথ্যদাতাই 'সাহিত্যৰ মাজত কোটি কোটি জনতাক একেডাল ডোলেৰে বান্ধি ৰাখিব পৰা শক্তি' নিহিত হৈ থকা বুলি অনুমান কৰিছে। ইয়াৰ দ্বাৰা স্বদেশ বা স্বজাতিৰ পৰা কায়িকভাৱে দূৰত থাকিও জাতীয় সাহিত্যৰ যোগেদি জাতীয় ভাৱধাৰাৰে

সিক্ত হৈ থকা আৰু দূৰ-সুদূৰৰ বিশ্বৰ বিভিন্ন লেখকৰ সাহিত্যসমূহ পঢ়ি বিশ্বাত্মক ধাৰণাই গঢ় লোৱা ---এই দুইটা ধাৰণা ব্যক্ত হৈছে। জাতীয় সাহিত্যৰ সহায়ত পাঠকৰ মনত জাতীয়তাবাদী ভাৱধাৰাই উৎপত্তি আৰু সুদৃঢ় স্থিতি লাভ কৰাৰ সম্পৰ্কত বহুজনে বহু ধৰণেৰে মন্তব্য আগবঢ়াইছে। 'জাতীয় সাহিত্যই জাতীয় সংস্কৃতিৰ প্ৰতিফলন ঘটায়' আৰু 'নিজৰ ভাষা, সমাজ, সংস্কৃতিৰ লগত পৰিচয় কৰোৱায়'। তাৰ দ্বাৰা পাঠকৰ মনত 'স্বকীয় জাতি-সংস্কৃতিৰ সম্বন্ধে গৌৰৱৰ ভাৱ জাগি উঠে' আৰু তেনেকৈয়ে 'জাতীয়তাবাদী ভাৱনা'ই খোপনি পুতিবলৈ সুবিধা হয়। সেইদৰে নিজৰ 'জাতিয়ে কৰা সংগ্ৰাম' সম্পৰ্কীয় আৰু আনকি 'তেনে পৃষ্ঠভূমিৰ' অথবা তেনে গুণ-বৈশিষ্ট্যৰ 'অন্য জাতিয়ে কৰা সংগ্ৰাম সম্পৰ্কীয় সাহিত্যই'ও পাঠকক জাতীয় ভাৱধাৰাৰে উদ্বুদ্ধ কৰি তুলিব পৰা সম্ভাৱনাৰ কথা আমাৰ কোনো কোনো তথ্যদাতাই প্ৰকাশ কৰিছে।

জাতীয় তথা গোষ্ঠীগত ধাৰণাৰ উন্মেষৰ ক্ষেত্ৰতো সাহিত্যৰ প্ৰধান ভূমিকা থকা বুলি কোৱা হৈছে। এনে মত পোষণ কৰাসকলৰ মতে বহু সময়ত 'সাহিত্যৰ সহায়তে পূৰ্বপুৰুষৰ বিষয়ে জনাৰ পাছত আৰু অধিক জানিবলৈ আগ্ৰহ জন্মে আৰু এনেকৈয়ে গৈ জাতীয়/গোষ্ঠীগত ভাৱধাৰাই জন্ম' পায়গৈ। 'কোনো গোষ্ঠী সম্পৰ্কীয় লেখাই সেই গোষ্ঠী বিশেষক শোষণ মুক্তিৰ বাবে উদ্বুদ্ধ কৰে'। এই ক্ষেত্ৰত 'সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থাৰ লগত জড়িত লেখাই বিশেষ সহায় কৰিব পাৰে'। আঞ্চলিকতাবাদী ধাৰণাৰ সম্পৰ্কত এচাম যুৱক-যুৱতীৰ মত হ'ল 'বছৰ বছৰ ধৰি উপেক্ষিত হৈ থকা একোটা অঞ্চল সাহিত্যত প্ৰতিফলিত' হ'লে সেই অঞ্চলৰ প্ৰতি পাঠক সমাজৰ মনোযোগ আকৰ্ষণ হয় আৰু সেই বিশেষ অঞ্চলৰ লগত জড়িত বিভিন্ন দিশসমূহক লৈ কিছুমান ধাৰণা, ভাৱ, চেতনা জাগ্ৰত হৈ উঠে।

জাতীয়তাবাদী আন্দোলন একোটাৰ সৃষ্টি আৰু বৃদ্ধিত গুৰিৰে পৰা সাহিত্যৰ বহুত হাত থাকে বুলি যুৱ সমাজৰ বিশ্বাস। এই প্ৰসঙ্গটো এজনে এটা পৰিক্ৰমাৰ ৰূপত দাঙি ধৰিছে -- 'কিছুমান লেখাই স্বাভিমানৰ জন্ম দিয়ে, কিছুমান নিৰ্ভীক ৰাজনৈতিক লেখাই শোষণকাৰীৰ চৰিত্ৰ উদঙাই দেখুৱায়' আৰু ইয়াৰ পৰা হোৱা অনুভৱৰ ভেটিত জন্ম পোৱা জাতীয় জাগৰণ/আন্দোলনৰ বাবে সাহিত্যই 'আদৰ্শগত তাত্ত্বিক ভেটিও নিৰ্মাণ কৰি দিয়ে'।

এচাম যুৱক-যুৱতীয়ে গোষ্ঠীগত চেতনাৰ পৰা বিশ্বাত্মক চেতনালৈকে উত্থান, বিকাশ আদি বিশ্লেষণ কৰিবলৈ লৈ এই ক্ষেত্ৰত সাহিত্যৰ পৰোক্ষ ভূমিকাৰ দিশটো অধিকভাৱে পোহৰলৈ আনিছে। এওঁলোকৰ মতে 'সাহিত্যই আমাক অতীত আৰু বৰ্তমানৰ জ্ঞান দিয়ে'। ইয়াৰ সহায়ত আমাৰ 'সচেতনতা, সজাগতা, বোধ-চেতনাৰ বিকাশ ঘটে' আৰু তাৰ পৰাই আমি জাতি-গোষ্ঠী, অঞ্চল, বিশ্ব আদি সম্পৰ্কে বস্তুনিষ্ঠ বিশ্লেষণ কৰিবলৈ সক্ষম হওঁ। এই ধৰণৰ একে ধাৰণাকে পোষণ কৰা আন কোনো কোনোৰ মতে পাঠকৰ মনৰ ভিতৰত এনেকুৱা চিন্তা-চেতনাবিলাক কম-বেচি পৰিমাণে থাকেই। সাহিত্যই এনে ভাৱ-চিন্তাত 'সাৰ-পানী যোগায়' তথা 'জাগ্ৰত আৰু কাৰ্য্যশীল কৰি তোলে'।

এক বিশ্বৰ ধাৰণাৰ সম্পৰ্কতো সাহিত্যৰ উল্লেখনীয় অৰিহণাৰ কথা যুৱ সমাজৰ একাংশই ব্যাখ্যা কৰিছে –'দূৰ-সুদূৰত ৰচিত এখন কিতাপে আমাক সেই ঠাইৰ লগত পৰিচিত কৰাই সেই ঠাইৰ অনুভৱ-অনুভূতিৰ লগত জড়িত কৰে। ফলত গোটেই বিশ্ব একে পৰিয়াল বুলি ধাৰণাই জন্ম পায়'।

উল্লিখিত ধৰণৰ ইতিবাচক ভূমিকাৰ বিপৰীতে কিছু সংখ্যক(১৯.৭৯%) তথ্যদাতাই এইবিলাক ক্ষেত্ৰত সাহিত্যই লোৱা নেতিবাচক ভূমিকাৰ বিষয়েও মত প্ৰকাশ কৰিছে। কিয়নো কিছুমান 'উত্তেজনামূলক লেখাই সমাজত বিৰূপ প্ৰভাৱ পেলোৱা' বা 'নেতিবাচক চিন্তা-ধাৰণা সৃষ্টি' কৰা বুলি এওঁলোকে অনুভৱ কৰিছে। উদাহৰণ স্বৰূপে 'অসমীয়া জাতীয়তাবাদ', 'হিন্দুত্ববাদ' আদিৰ নিচিনা বিষয় সম্পৰ্কীয় লেখাৰ প্ৰসঙ্গ দুই-একে টানি আনিছে। কোনো কোনোৰ মতে আকৌ আজিৰ যুগত সাহিত্যই জাতীয়তাবাদী, বিশ্বাত্মক আদি ভাৱনা আৰু ধাৰণাৰ উত্থান কিম্বা বিকাশত সহায় কৰাৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও এই ক্ষেত্ৰত উপযুক্ত ভূমিকা পালন কৰিবলৈ এতিয়াও বাকী। 'জাতীয়, জনজাতীয় ভাৱধাৰা বিকশিত' কৰিবৰ বাবে 'উত্তৰ-পূব ভাৰতৰ প্ৰতি চলি থকা বঞ্চনা, শোষণ আদিৰ স্বৰূপ' বুজিবৰ বাবে এওঁলোকে উপযোগী সাহিত্যৰ আৱশ্যকতাৰ কথা কৈছে। 'সংশ্লিষ্ট ভাৱাদৰ্শক কেন্দ্ৰ কৰি ৰচিত সৃষ্টশীল সাহিত্যৰ দ্বাৰা সমাজৰ আবেগক স্পৰ্শ কৰি এই দিশত বিশেষ পদক্ষেপ' আগবঢ়োৱাৰ সম্ভাৱনাৰ প্ৰতি এওঁলোকে দৃষ্টি আকৰ্ষণ কৰি কৈছে যে 'অ-


কাল্পনিক সাহিত্যই প্ৰত্যক্ষভাৱে জনমত গঠনত ভূমিকা লৈ সমাজক প্ৰত্যক্ষ আহ্বান' জনোৱাৰ বিপৰীতে 'কাল্পনিক সাহিত্যই পৰোক্ষভাৱে জনগণৰ আবেগ দোলায়িত' কৰিব পাৰে।

উল্লেখযোগ্য যে অধ্যয়নত অংশ লোৱা প্ৰায় আধা (৪৮.৫২%) তথ্যদাতাই এই প্ৰশ্ন এৰাই চলিছে।

### ৪.৬ ব্যক্তিগত জীৱনৰ উৎকণ্ঠা, আবেগ, দ্বিধা, হতাশা নিয়ন্ত্ৰণত সাহিত্য

আগৰ সৰল ৰৈখিক বাধাহীন জীৱন-গতিৰ ঠাইত আজিৰ মানুহ খোজে খোজে নানা বিষয়ত উৎকণ্ঠিত হৈ আৰু দোধোৰ-মোধোৰ ভাৱত থমকি ৰৈ ৰৈ যাব লগীয়া হয়। প্ৰস্তুত অধ্যয়নত বাঞ্ছিত-অবাঞ্ছিত সকলো ধৰণৰ পৰিস্থিতিৰ লগত কৰিব লগীয়া হোৱা নিৰন্তৰ বুজাবুজিৰ যন্ত্ৰণাৰ ভাৰ লৈ অনিয়শ্চয়তাত দিশ হেৰুওৱা মানুহক সাহিত্যই কি ধৰণেৰে সহায় কৰিছে সেই সম্পৰ্কেও জনাৰ প্ৰয়াস কৰা হৈছে। যুৱ সমাজৰ পৰা এই সম্পৰ্কীয় মতামত জানিবলৈ ***সাহিত্যই আপোনাক বিভিন্ন উৎকণ্ঠা আৰু একঘেয়ামিৰ পৰা মুক্তি পোৱা অথবা আবেগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত, মনলৈ অহা দোধোৰ-মোধোৰ ভাব, হতাশা আদি দূৰ কৰাৰ ক্ষেত্ৰত সহায় কৰিছে নেকি*** বুলি এটা প্ৰশ্ন আগবঢ়োৱা হৈছিল। এই অধ্যয়নত ভাগ লোৱা সিংহভাগ (৭০.১২%) যুৱক-যুৱতীয়ে এই ক্ষেত্ৰত সাহিত্যৰ পৰা পোৱা সহায়ৰ কথা উল্লেখ কৰাৰ বিপৰীতে কিছু সংখ্যকে (২১.২২%) বিশেষ সহায় নোহোৱা বুলি উল্লেখ কৰিছে। বাকীখিনিয়ে (৮.৬৬%) আমাৰ প্ৰশ্নৰ প্ৰতি কোনো ধৰণৰ সঁহাৰি জনোৱা নাই।

চিত্ৰ ৪ ব্যক্তিগত জীৱনৰ উৎকণ্ঠা, আবেগ, দ্বিধা, হতাশা নিয়ন্ত্ৰণত সাহিত্য



মনলৈ অহা হতাশা, দ্বিধা, উৎকণ্ঠা আদিৰ পৰা পৰিত্ৰাণ পোৱাৰ ক্ষেত্ৰত বিশেষকৈ বিভিন্ন ভাষাত বিভিন্ন লেখকে লিখা আত্মোৎকৰ্ষমূলক অথবা আত্ম সহায়ক সাহিত্যসমূহে সহায় কৰাৰ কথা বহু সংখ্যক যুৱক-যুৱতীয়ে উল্লেখ কৰিছে। 'উৎকণ্ঠা, একঘেয়ামিৰ পৰা মুক্তি' পোৱাৰ লগতে 'কোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত দ্বিধা উপস্থিত হ'লে' এনে ধৰণৰ সাহিত্যই উপযুক্ত বাট দেখুৱাই দিছে। উল্লেখযোগ্য যে 'জীৱন সম্পৰ্কীয় উৎকণ্ঠা'ৰ উপৰিও 'জীৱিকা সম্পৰ্কীয় উৎকণ্ঠা'ৰ ক্ষেত্ৰতো যুৱ সমাজে সাহিত্যৰ পৰা বহুত সকাহ পাইছে। জীৱনীমূলক সাহিত্যৰ প্ৰসঙ্গও কম-বেচি পৰিমাণে আহিছে। মেক্সিম গৰ্কিৰ 'মা', চালভাদৰ দালিৰ মৌচুমী কন্দলিয়ে কৰা অসমীয়া অনুবাদ 'এক ধীমানৰ জীৱনপঞ্জী', হুমায়ুন আহমেদৰ 'হিমু সমগ্ৰ' আব্দুল কালামৰ 'অগ্নিৰ ডেউকা', চেতন ভগতৰ 'ৰিভলিউছন টু থাউজেণ্ড টু' আদি কিতাপৰ নাম বহুতো পাঠকে উল্লেখ কৰিছে। 'সমস্যা হাজাৰ সমাধান আপোনাৰ' নামৰ কিতাপখনে ছাত্ৰ জীৱনৰ নানা ধৰণৰ হতাশা, সমস্যাৰ সমাধানৰ পথ দেখুৱাই প্ৰতিটো পৰিস্থিতিকে ইতিবাচকভাৱে ল'বলৈ' শিকোৱাৰ কথাও উল্লেখিত হৈছে। এনে প্ৰসঙ্গতে অনুৰাধা শৰ্মা পূজাৰীৰ 'সোণালী দুৱাৰ খোলাৰ চাবিকাঠী' নামৰ কিতাপখনো চৰ্চালৈ আহিছে। কোনো কোনোৱে আকৌ কৈছে যে প্ৰশ্নত উল্লেখ কৰা ধৰণৰ 'ভাৱবোৰ মনলৈ আহিলে আনৰ আগত সেইবোৰ প্ৰকাশ কৰিলে মনটো যেনেকৈ মুকলি' লাগে, তেনেকৈয়ে যি ধৰণৰেই নহওক লাগিলে, 'সাহিত্য অধ্যয়ন কৰিলেও মনটো পাতল লাগে, মূৰৰ ওপৰৰ পৰা বোজা আঁতৰি যোৱা যেন বোধ হয়'। এইটো কথাকে আকৌ কোনোৱে কিঞ্চিৎ ভিন্ন ধৰণেৰে কৈছে যে সাহিত্যই 'ব্যস্ততাপূৰ্ণ তিক্ত, বিৰক্তিকৰ জগৎখনৰ পৰা আঁতৰাই' নি সাময়িক অব্যাহতি প্ৰদান কৰাৰ লগতে উদ্বেগহীন বিনোদ যোগায়'। এই ক্ষেত্ৰত যুৱ সমাজে কল্পনাপ্ৰধান সাহিত্যৰ, আৰু তাৰো ভিতৰত উপন্যাসৰ নাম বিশেষভাৱে লৈছে। 'দৈনন্দিন জীৱনৰ হৈ-হাল্লাৰ পৰা মুক্তি পাবলৈ সাহিত্যৰ গহনতাত প্ৰৱেশ কৰাটোৱেই উত্তম উপায়'। সাহিত্যই 'আহ্লাদিত কৰে আৰু এই আহ্লাদিত, প্ৰসন্ন মন সুস্বাস্থ্যৰ মূল চাবিকাঠী'। 'আত্মসংযমৰ সৃষ্টি' তথা 'হতাশা নাশৰ' দিশত সাহিত্যৰ ভূমিকা উল্লেখ কৰাৰ লগতে 'বিজ্ঞানৰ ছাত্ৰ হিচাপে জীৱনলৈ নীৰসতা আহিলে, একঘেয়ামি আহিলে' সাহিত্যৰ পৰা পোৱা সহায়ৰ প্ৰসঙ্গও চৰ্চিত হৈছে। এনে পৰিস্থিতিত কেতিয়াবা

'সাহিত্যত আগতে পোৱা প্ৰসঙ্গ'ৰ স্মৰণ আৰু মন্থনেও আনকি চমৎকাৰ ফল প্ৰদান কৰাৰ কথা যুৱ সমাজৰ অনেক সদস্যই অনুভৱ কৰিছে। এওঁলোকৰ বহুতেই 'মনৰ মাজত উক্‌মুকাই আমনি কৰি থকা প্ৰশ্নবিলাকৰ উত্তৰ সাহিত্যৰ মাজত' পাই আহিছে। বহু সাহিত্যই 'আত্মবিশ্বাস জাগ্ৰত আৰু দৃঢ়' কৰাত সহায় কৰিছে আৰু অনেকেই সাহিত্যৰ সহায়ত 'নিজকে আৱিষ্কাৰ কৰিছোঁ' বুলি ব্যক্ত কৰিছে। যুৱ সমাজৰ কোনো কোনো সদস্যক যেতিয়া 'আদৰ্শগত আৰু আচৰণগত একঘেয়া গোড়ামিয়ে বিৰক্ত আৰু জৰ্জৰিত কৰিছে', তেনে সময়ত সাহিত্যই তাৰ পৰা মুক্তিৰ পথ দেখুৱাইছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে বৰ্তমানৰ সমস্যাজৰ্জৰ জীৱনত, বিশেষকৈ মানসিক সমস্যা আৰু উৎকণ্ঠা আদিৰ পৰা পৰিত্ৰাণ পোৱাৰ এক প্ৰধান উপায় হিচাপে যুৱ সমাজে সাহিত্যক চিহ্নিত আৰু স্বীকৃত কৰিছে। আজিৰ কম্পিউটাৰৰ যুগত, কম্পিউটাৰৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা ভাষা-শব্দৰ লগত ঘনিষ্ঠ হৈ পৰা এজন যুৱকে 'সাহিত্যই ৰিবুট(Reboot) কৰে' বুলি যথাৰ্থ মন্তব্যকে কৰিছে।

### ৪.৭ ব্যক্তিগত জীৱনত সাহিত্যৰ বিশেষ প্ৰভাৱ তথা প্ৰেৰণা

সামূহিক বা সাৰ্বজনীন অভিজ্ঞতাৰ পৰোক্ষ বৰ্ণনাতকৈ ব্যক্তিগত অভিজ্ঞতাৰ বৰ্ণনা সদায় অধিক প্ৰত্যয়জনক হয়। সেয়েহে প্ৰস্তুত গৱেষণা কৰ্মৰ বাবে তৈয়াৰ কৰি লোৱা প্ৰশ্নসূচীৰ এটা প্ৰশ্নত আমাৰ অনুসন্ধানত সহায় আগবঢ়োৱা প্ৰত্যেক জন তথ্যদাতাৰ পৰা পোনপটীয়াকৈ তেওঁৰ ব্যক্তিগত জীৱনত পৰা সাহিত্য অধ্যয়নৰ প্ৰভাৱ সম্পৰ্কে জানিবলৈ বিচৰা হৈছিল। আমি আগবঢ়োৱা সংশ্লিষ্ট প্ৰশ্নটো আছিল ***আপোনাৰ জীৱনৰ কোনোবা দিশত আপুনি সাহিত্যৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছে নেকি আৰু সাহিত্য পঢ়ি তাৰ পৰা আপুনি নিজেও সাহিত্য ৰচনা কৰিবলৈ আগ্ৰহ অনুভৱ কৰিছে নেকি?*** ইয়াৰ উত্তৰত যুৱ সমাজৰ সিংহভাগৰ ওপৰত সাহিত্যৰ যোগাত্মক প্ৰভাৱৰ বিষয়ে জানিবলৈ পোৱা গ'ল। আনকি 'সমাজ আৰু অভিভাৱকৰ পৰা পোৱা হেঁচা আদিৰ পৰা মুক্ত হোৱাৰ ক্ষেত্ৰত' সাহিত্যই সহায় আগবঢ়োৱাৰ নিচিনা অতি তাৎপৰ্য্যপূৰ্ণ মন্তব্যও যুৱ সদস্যই কৰিছে। সাহিত্যই যুৱ সমাজৰ 'বহুতৰে বহু বিষয়ত চকু মুকলি কৰি' দিছে। 'বহু বিষয় ভাবিবলৈকো' শিকাইছে। 'কল্পনা শক্তি বঢ়াইছে', 'চিন্তা, চেতনা, দৃষ্টভঙ্গী, বিশ্বদৃষ্টি, অনুভূতি সলনি হৈছে'। অন্য

ধৰণেৰে ক'বলৈ গ'লে ভিন ভিন সুৰীয়া সাহিত্যৰ প্ৰভাৱত যুৱ সমাজৰ 'চিন্তাই এক বিস্তৃত প্ৰেক্ষাপট লাভ' কৰিছে। 'সকলো বিষয় এক অগতানুগতিক ভিন্ন দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰাৰ প্ৰেৰণা লাভ' কৰিছে। সমাজৰ বিভিন্ন বিষয়ৰ লগত জড়িত সাহিত্যই 'যুৱ সমাজকো সেই সামাজিক বিষয়সমূহৰ লগত সংপৃক্ত' কৰিছে, 'ব্যক্তিগত জীৱন আৰু সমাজ সম্পৰ্কে ইতিবাচক দৃষ্টিভঙ্গী' গঢ়ি তোলাত সহায় কৰিছে। কোনো কোনো আকৌ কিছুমান সাহিত্যৰ প্ৰভাৱত 'সমাজ সেৱা, মানৱ কল্যাণমূলক কামৰ প্ৰতি' আগ্ৰহী হৈ পৰিছে। সাহিত্যৰ প্ৰভাৱত 'মানুহৰ লগত সহজতে মিলিব নোৱৰা স্বভাৱটো নোহোৱা' হোৱাৰ কথাও উল্লেখিত হৈছে। সাহিত্যই এফালেদি 'সৃষ্টিশীল চিন্তা' আৰু আন ফালেদি 'বিশ্লেষণধৰ্মিতা' বঢ়োৱাৰ কথা অনেকে জানিবলৈ দিছে। যুৱ সমাজৰ কিছুমানে আকৌ 'সাহিত্যৰ চৰিত্ৰৰ পৰা শিক্ষা লৈ নিজকে সংযত আৰু সংশোধন' কৰি লোৱাৰ কথাও কৈছে।

তথ্যদাতাসকলৰ কোনো কোনোৱে নিজৰ ওপৰত সাহিত্যৰ প্ৰভাৱৰ কথা কেতিয়াবা উদাহৰণেৰে সৈতে মুকলিভাৱে ব্যক্ত কৰিছে। এনে ধৰণৰ এজনে একে আষাৰতে সাহিত্যৰ প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱত 'এজন ভাল মানুহ হ'বলৈ শিকা' বুলি স্বীকাৰোক্তি কৰিছে। এজনক শৈশৱতে 'নোৱাৰোঁ কথাটি বোপা বেয়া কথা বৰ ...... আদি কথাখিনিয়ে মনত গভীৰ ৰেখাপাত' কৰিছে আৰু আন এজনে আকৌ 'কৈশোৰত নিঃসঙ্গতাত ভোগাৰ সময়ত আত্মোৎকৰ্ষমূলক সাহিত্যৰ সহায়ত নিজকে চম্ভালি' লোৱাৰ কথা কৈছে। অনুৰাধা শৰ্মা পূজাৰীৰ 'হৃদয় এক বিজ্ঞাপনৰ প্ৰভাৱত সমাজৰ বিভিন্ন চৰিত্ৰসমূহৰ বিষয়ে ভাবিবলৈ' শিকিছে। চেতন ভগতৰ 'হোৱাট ইয়ং ইণ্ডিয়া ৱাণ্টচ নামৰ কিতাপখনত লেখকে আমেৰিকাত চাকৰি পায়ো দেশলৈ ঘূৰি আহি লেখক হোৱাৰ কথাটোৱে' যুৱ পাঠকক 'লেখক হোৱাৰ' লগতে লোভনীয় সুযোগ এৰিও নিজৰ দেশৰ বাবে কিবা এটা কৰাৰ দিশত প্ৰভাৱিত কৰিছে। বহুতৰ ক্ষেত্ৰত আকৌ ভাষাৰ প্ৰয়োগ আৰু সৃষ্টিশীলতাত সাহিত্যৰ প্ৰভাৱ পৰিছে। নিজৰ ওপৰত সাহিত্যৰ প্ৰভাৱৰ কথা ক'বলৈ গৈ এজনে কৈছে যে তেওঁ 'গাঁও অঞ্চলত বাস কৰে বাবে তাত প্ৰচলিত সংস্কাৰ, ধাৰণাবিলাককে সঁচা বুলি ভাবি আছিল। বিভিন্ন সাহিত্যৰ প্ৰভাৱত নিজৰ 'ধাৰণা সলনি হোৱাৰ লগতে আনক সলনি কৰিব পৰাকৈ নিজেও তেনে লেখা লিখাৰ কথা' ভাবিছে।

'ধৰ্মীয় গোড়ামি আৰু অন্ধবিশ্বাস দূৰ কৰাৰ ক্ষেত্ৰত দেৱকান্ত সন্দিকৈ, ভৃঙ্গেশ্বৰ শৰ্মা আদি লেখকৰ লেখাৰ প্ৰভাৱৰ কথাও কোনো কোনোৱে জনাইছে। কেইবাজনেও আকৌ 'নতুন আৰু হৃদয়স্পৰ্শী কিবা এটা পঢ়াৰ পাছত নিজেও লিখিবলৈ অনুপ্ৰেৰণা' পোৱাৰ কথা ব্যক্ত কৰিছে। 'বিশ্ব সাহিত্যৰ পৰা বিশ্ব ভাতৃত্বৰ বোধ জন্মাৰ কথাও নিজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ' ৰূপে যুৱ সমাজে প্ৰসঙ্গলৈ আনিছে। তাৰ বিপৰীতে 'ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰকো মাতৃভাষাৰ সাহিত্যই মাতৃভাষা-সাহিত্য-সমাজৰ প্ৰতি আগ্ৰহী কৰি' তোলাৰ ক্ষেত্ৰত প্ৰচুৰ প্ৰভাৱিত কৰাৰ কথা পোহৰলৈ আহিছে। আধ্যাত্মিক বিষয়ৰ সাহিত্যই যুৱ সমাজক উচ্চ ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰত অনুকূল প্ৰভাৱ বিস্তাৰ কৰিছে। সাহিত্য পঢ়ি নিজৰো সাহিত্য ৰচনা কৰিবলৈ মন যোৱাৰ কথা আমাৰ অধ্যয়নত সহায় কৰা যুৱ সমাজৰ বহু সংখ্যক সদস্যই কৈছে আৰু ইয়াৰে একাংশই ইতিমধ্যে লিখা কাৰ্য্যত অগ্ৰসৰো হোৱা বুলি কৈছে।

উল্লিখিত ধৰণৰ ইতিবাচক প্ৰভাৱ সম্পৰ্কীয় উক্তিৰ বিপৰীতে অৱশ্যে দুই-এজনে সাহিত্যৰ দ্বাৰা কোনো ৰূপতেই প্ৰভাৱিত নোহোৱাৰ কথা মুক্তভাৱে স্বীকাৰ কৰিছে। এজনে তো এই সম্পৰ্কত 'মই অকল যন্ত্ৰ (Machine)হে ভাল পাওঁ' বুলি কোৱাৰ লগতে 'মই এজন এনড্ৰইড (Android)' বুলিও নিজৰ পৰিচয় দাঙি ধৰিছে। কোনোৱে আকৌ সাহিত্যৰ দ্বাৰা 'প্ৰভাৱিত হৈয়ো' তাৰ 'কোনো সুফল বাস্তৱত লাভ কৰা নাই' বুলি মত দিছে।

### ৪.৮ সাহিত্য, ইলেক্‌ট্ৰনিক সাহিত্য আৰু সাহিত্যৰ ভৱিষ্যৎ

এই অধ্যয়নত বিৱৰণাত্মক সাক্ষাৎকাৰ অৰ্থাৎ যুৱ সমাজৰ বিভিন্ন সদস্যৰ লগত কথাবতৰাৰ যোগেদি সাহিত্যৰ লগত জড়িতভাৱে তেওঁলোকৰ ভাব-বিচাৰ, অনুভৱ আদিৰ বিৱৰণ লোৱা হৈছিল। নিৰ্বাচিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচিত অংশক লৈ যুৱ সমাজৰ সাহিত্য সম্পৰ্কীয় ধ্যান-ধাৰণাৰ বিস্তৃত অধ্যয়নৰ উদ্দেশ্যেৰে সময়ে সময়ে মুকলি আলোচনাতো মিলিত হোৱা গৈছিল। এনে আলোচনাত ছপা মাধ্যমৰ সাহিত্যৰ লগতে বৰ্তমান প্ৰচলন আৰু জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰা ইলেক্‌ট্ৰনিক মাধ্যমৰ সাহিত্যৰ

প্ৰসঙ্গও যুৱ সমাজৰ আগত উত্থাপন কৰি এই দুয়ো বিধকে ধৰি সামগ্ৰিকভাৱে সাহিত্যৰ ভৱিষ্যৎ সম্পৰ্কেও যুৱ সমাজৰ বিচাৰ জানিবলৈ বিচৰা হৈছিল।

সাহিত্যৰ অধ্যয়ন কৰিবলৈ হ'লে দৈনন্দিন জীৱনৰ 'বহুত সময় তাতে খৰচ' হৈ যায়। 'যি কোনো সময়ত' আৰু য'তে ত'তে অধ্যয়ন কৰিবৰ বাবে ইয়াক লগত লৈ ফুৰুওৱা কামটোও বৰ সহজ নহয়। আপাত দৃষ্টিত চাবলৈ গ'লে মনোৰঞ্জন, জ্ঞান আহৰণ আদি ক্ষেত্ৰবিলাকত সাহিত্য ভিন্ন অন্য কিছুমান মাধ্যম, বিশেষকৈ ইলেক্ট্ৰনিক মাধ্যমত অসুবিধাও কম আৰু এইবিলাক আজিৰ প্ৰজন্মৰ কাৰণে অধিক আকৰ্ষণীয়ও। উল্লেখযোগ্য যে বৰ্তমান সময়ত ইলেক্ট্ৰনিক মাধ্যমতো সাহিত্য উপলব্ধ হ'বলৈ ধৰিছে। এনে অৱস্থাত আমাৰ তথ্যদাতাৰ বহুতে সাহিত্যৰ ভৱিষ্যৎ সম্পৰ্কীয় চিন্তা-চৰ্চাত এই সমস্ত দিশ চালি-জাৰি চাইছে। এওঁলোকৰ মতে বৰ্তমান আমাৰ জীৱনত গোজেই গজালি হ'বলৈ আৰম্ভ কৰা নতুন নতুন মাধ্যমবিলাকৰ লগত সাহিত্যক একে শাৰীলৈ আনি চালে বুজাত আমাৰ অকণো কঠিন নহয় যে মানুহক ব্যক্তিকেন্দ্ৰিক বৃত্তৰ পৰা বিস্তৃত সামাজিক দিগন্তলৈ উলিয়াই নি 'সামাজিক প্ৰাণী হিচাপে সাৰ্থকতা' প্ৰদান কৰাত, ব্যক্তি আৰু সমাজ উভয়ৰে 'মন সৃষ্টিশীল ইতিবাচকতাৰে পৰিপূৰ্ণ' কৰাত সাহিত্যৰ লগত কোনো নব্য মাধ্যমৰে তুলনাই নহয় আৰু যুৱ সমাজৰ মতে ভৱিষ্যতেও তুলনা নহ'ব।

সাহিত্যৰ কথা ক'বলৈ গৈ বেচি ভাগেই কেৱল ছপা মাধ্যমৰ সাহিত্যৰ কথা কৈছে যদিও কিছু অংশই ই-বুক, ই-মেগাজিন, আনকি ফেচবুক, ইনষ্টাগ্ৰাম আদিলৈকে বুলি ধৰি ইলেক্ট্ৰনিক মাধ্যমেৰে প্ৰকাশিত সকলো ধৰণৰ সাহিত্যৰ প্ৰসঙ্গ আনিছে। সেইদৰে আমাৰ আলোচনাত অংশ লোৱা যুৱক-যুৱতীয়ে তুলনামূলকভাৱে ছপা মাধ্যমৰ সাহিত্যলৈ অধিক আগ্ৰহ অনুভৱ কৰাৰ কথা কৈছে। 'স্পৰ্শ কৰাৰ অনুভূতি'ৰ বাবে এওঁলোকৰ কোনো কোনো ছপা মাধ্যমৰ সাহিত্যৰ অধিক অনুৰাগী হোৱাৰ কথাটোও প্ৰকাশ কৰিছে। অৱশ্যে প্ৰায় আধা সংখ্যকেই ইলেক্ট্ৰনিক সাহিত্যৰ প্ৰতি আগ্ৰহ অনুভৱ কৰাৰ কথাও কৈছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে যুৱ সমাজে ভাবে যে সাহিত্য ভিন্ন অন্য মাধ্যমবোৰে আন সকলো দিব পাৰিলেও 'জীৱনৰ সঠিক দিশ' দিব নোৱাৰে। ইয়াৰ বাবে সাহিত্যইহে উপযুক্ত 'আশ্ৰয়'। মানুহৰ 'জীৱন-যন্ত্ৰণা, সমস্যা ভৱিষ্যতে এতিয়াতকৈ কমক চাৰি আৰু

বাঢ়িব'হে। গতিকে 'সাহিত্যৰ ব্যৱহাৰ আৰু গুৰুত্বও' আপোনা আপুনিয়ে বাঢ়িব লাগিব। ছপা আৰু ই-মাধ্যম দুয়োটাৰ সহযোগত সাহিত্যৰ গুৰুত্ব বাঢ়িব। 'সংৰক্ষণ আৰু ব্যৱহাৰ দুয়ো ক্ষেত্ৰতে ই-মাধ্যমৰ সুবিধা' অধিক। গতিকে ভৱিষ্যতে হয়তো সাহিত্য প্ৰকাশৰ আৰু অধিক নতুন নতুন 'কৌশল (Device) ওলাব' বা কৌশল সলনিও হ'ব, 'খৰচ কম হ'ব', উৎপাদন আৰু উপভোগ বা ব্যৱহাৰৰ 'ব্যয়ো কম' হ'ব, হয়তো সাহিত্যৰ বাহ্যিক ৰূপৰ আমূল পৰিবৰ্তন ঘটিব, কিন্তু সাহিত্য চলি থাকিব আৰু ব্যক্তি তথা সমাজক জীৱন-ৰস যোগাই থাকিব বুলি যুৱ সমাজৰ একান্ত ধাৰণা।

## ৪.৯ যুৱ সমাজৰ দৃষ্টিত সাহিত্যৰ সামগ্ৰিক উপযোগিতা

যুৱ সমাজত সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে অনুসন্ধান কৰিবলৈ গৈ এই সম্পৰ্কীয় প্ৰত্যক্ষ আৰু পৰোক্ষ বিভিন্ন প্ৰশ্নৰ লগতে সমাজত সাহিত্যৰ প্ৰয়োজন সম্পৰ্কে এটা পোনপটীয়া প্ৰশ্নও তথ্যদাতা যুৱক-যুৱতীলৈ আগবঢ়োৱা হৈছিল। এই সম্পৰ্কে লাভ কৰা উত্তৰসমূহ তলত আলোচনা কৰা হৈছে।

### ৪.৯.১ ইতিবাচক

ব্যক্তিগতভাৱে সাহিত্যৰ লগত কম অথবা বেচি, যি পৰিমাণেৰেই জড়িত নহওক লাগিলে, সাহিত্যৰ উপযোগিতাৰ সম্পৰ্কত অধ্যয়নৰ শাখা আৰু শিক্ষাৰ স্তৰ নিৰ্বিশেষে যুৱ সমাজ প্ৰায় মুখৰ বুলি ক'ব পাৰি। এওঁলোকৰ কিছু সংখ্যকে সাহিত্যৰ প্ৰয়োজন সম্পৰ্কে পূৰ্বাপৰ প্ৰচলিত উক্তিৰে পুনৰুক্তি কৰিলেও অধিক সংখ্যকেই বৰ্তমানৰ বাস্তৱিকতাৰ প্ৰেক্ষাপটত সকলো দিশ চালি-জাৰি চায়েই মন্তব্য আগবঢ়াইছে।

যুৱ সমাজৰ মতে বৰ্তমানৰ জগতখন দ্ৰুত পৰিবৰ্তনশীল হোৱাৰ লগতে অভূতপূৰ্ব প্ৰত্যাহ্বানমূলক আৰু বেমেজালিপূৰ্ণ। এনে অৱস্থাত সাহিত্যইও অভূতপূৰ্ব ভূমিকা পালন কৰাৰ অৱকাশ আছে। ই মানুহক পুনৰুজ্জীৱিত, সঞ্জীৱিত কৰাৰ উপৰিও উচিত চিন্তা আৰু উচিত কৰ্মৰ ফালে প্ৰণোদিত (Motivate) কৰিব পাৰে। সাহিত্যই মনোৰঞ্জনেই নহয়, তাৰ লগতে শুদ্ধ, প্ৰকৃত বাট দেখুৱাই দিয়ে। ই জ্ঞানেই নহয়, গৰিমা দিয়ে। আজিৰ সৰ্বত্ৰ দোমোজা(Confusion)পূৰ্ণ পৰিস্থিতিৰ যুগত উপযুক্তভাৱে পথ নিৰ্দেশনা কৰিব

পাৰে। সাহিত্য হ'ল কাগজৰ পাতত খোদিত জীৱনৰ যাত্ৰা বিৱৰণি। পাঠকৰ কল্পনাই তাক অধিক শক্তিশালী কৰি তোলে আৰু এনেকৈ ই জীৱন-অভিজ্ঞতাৰ সুগম প্ৰৱেশদ্বাৰ স্বৰূপ হৈ পৰেগৈ। এক বিদ্যাশাখাৰ ৰূপত সাহিত্য জীৱনটো কেনেকৈ চাব লাগে সেই কথা শিকোৱা একমাত্ৰ বিদ্যাশাখা। সাহিত্যই সামাজিক প্ৰাণী হিচাপে মানুহক সমাজখন বুজিবলৈ, চিনিবলৈ শিকায়। সাহিত্য অধ্যয়নেৰে লেখকৰূপী ব্যক্তিসত্তাৰ লগত একাকাৰ হোৱাৰ যোগেদি সমষ্টিগত বহল দৃষ্টিভঙ্গী গঢ় লৈ উঠে। সাহিত্যই যিহেতু সমাজৰ সকলো দিশ সামৰি লয়, গতিকে সামাজিকভাৱে জীয়াই থাকিবলৈ সাহিত্যতকৈ অন্য সহায় নাই। প্ৰভাৱৰ ফালৰ পৰা চাবলৈ গ'লে এফালেদি ই মানৱ মনত প্ৰভাৱ পেলাব পৰা সবাতোকৈ শক্তিশালী মাধ্যম আৰু আনফালেদি আকৌ মানুহক প্ৰভাৱিত কৰিব পৰা বিভিন্ন কাৰকবোৰ চিনি উলিওৱাতো ই সহায় কৰে।

ভাষাজ্ঞানৰ উন্নয়ন, চিন্তাৰ উৎকৰ্ষ সাধন আৰু মনৰ দিগন্ত প্ৰসাৰণৰ বাবে সাহিত্যৰ প্ৰয়োজনীয়তা সৰ্বজনগ্ৰাহ্য। তদুপৰি, বিজ্ঞান-প্ৰযুক্তিয়ে সাধাৰণ মানুহৰ নিজা কল্পনা আৰু চিন্তা প্ৰায় নোহোৱাৰ নিচিনা কৰি পেলোৱা বৰ্তমান যুগত সাহিত্যহে এইবিলাকৰ উপযুক্ত ৰক্ষণাবেক্ষণৰ বাবে সক্ষম।

**৪.৯.২ নেতিবাচক**


আধুনিক প্ৰযুক্তিৰ যুগত সাহিত্যক একেবাৰে প্ৰচলনৰ অযোগ্য (Outdated) আৰু অপ্ৰয়োজনীয় বুলি গণ্য কৰি সাহিত্যৰ পৰা একেবাৰে দূৰত থকা বা থাকিবলৈ বিচৰা যুৱক-যুৱতীও আমাৰ সমাজত আছে। কোনোৱে সাহিত্যই আগৰ প্ৰভাৱশীলতা হেৰুৱাইছে বুলি অলপ নৰমভাবে আৰু কোনোৱে বৰ্তমান সময়ত সাহিত্য কাৰ্য্যশীল হোৱাৰেই অৱকাশ নাই বুলি চৰম সিদ্ধান্ত দাঙি ধৰিছে। কিয়নো বিষয়বস্তুৰ ফালৰ পৰা সাহিত্যত থকা কথা আৰু বাস্তৱৰ মাজত আজি বহুত ব্যৱধান আহি পৰিছে আৰু মাধ্যম ৰূপে ছপা মাধ্যমে আজিৰ মানুহৰ জীৱনযাত্ৰাত গ্ৰহণযোগ্যতা হেৰুৱাইছে। এফালেদি ই যেনেকৈ আজি উপযুক্ত ধৰণেৰে প্ৰয়োজনীয় তথ্যৰ যোগান ধৰিবলৈ অক্ষম, আনফালেদি তেনেকৈ মন

আহ্লাদিত কৰাতে হওক বা বিবেক জোকাৰি যোৱাতে হওক, কোনোটোৰে বাবেই সাহিত্য সমৰ্থ নহয়।

# অধ্যায়-৫ : যুৱ সমাজত সাহিত্যৰ প্ৰয়োগ আৰু প্ৰভাৱ

গুণগত পদ্ধতিৰে বৰ্তমান সময়ত যুৱ সমাজৰ লগত সাহিত্যৰ সম্বন্ধ সম্পৰ্কীয় গতি-বিধিৰ স্বৰূপ জনাৰ যত্ন কৰাৰ লগতে এই অধ্যয়নত সাহিত্যৰ বিভিন্ন দিশৰ লগত যুৱ সমাজ কিমান পৰিমাণে জড়িত হৈছে সেই সম্পৰ্কেও অনুসন্ধান কৰা হৈছে। এই ক্ষেত্ৰত যাদৃচ্ছিক নমুনা চয়ন পদ্ধতিৰে ৮০০ নমুনা নিৰ্বাচন কৰি লোৱা হৈছিল। তাৰে ৩৫.৯৬% পুৰুষ আৰু বাকী ৬৪.০৪% মহিলা। ৭.৮৯% উত্তৰদাতাৰ বয়স ১৫-ৰ পৰা ১৮ বছৰ, ৭৭.১%ৰ ১৯-ৰ পৰা ২১ আৰু বাকী ১৫.০১%ৰ বয়স ২২ বছৰৰ পৰা ২৪ বছৰৰ ভিতৰৰ। তেওঁলোকে অধ্যয়ন কৰি থকা বিভিন্ন বিদ্যায়তনিক শাখাৰ দৃষ্টিৰে চাবলৈ গ'লে ৩৭.৯৬% মানৱিকী শাখাৰ, ১১.২৫% বিজ্ঞান শাখাৰ, ১৮.৮৯% অভিযান্ত্ৰিক বিষয়ৰ, ২৯.২৫% চিকিৎসা বিজ্ঞানৰ আৰু ২.৭২% বাণিজ্য তথা ব্যৱসায় পৰিচালনা বিভাগৰ। প্ৰস্তুত অধ্যয়নৰ উত্তৰদাতাৰ পৰিসংখ্যা **চিত্ৰ ৫**ৰ সহায়ত তলত দেখুওৱা হৈছে।

চিত্ৰ ৫ তথ্যদাতাৰ পৰিসংখ্যা (শতকৰা হাৰত)





এই সকল উত্তৰদাতাৰ পৰা পোৱা তথ্যৰ আধাৰত তলত দিয়া শীৰ্ষকসমূহেৰে যুৱ সমাজত সাহিত্যৰ দ্বাৰা প্ৰভাৱিতৰ পাৰিসাংখ্যিক অনুসন্ধান কৰা হৈছে।

### ৫.১ যুৱ পাঠকৰ সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহ

যুৱ সমাজৰ কিমানে সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহ অনুভৱ কৰে সেই সম্পৰ্কে জানিবলৈ প্ৰশ্নপত্ৰ যোগে ***আপুনি সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহীনে*** বুলি এটা প্ৰশ্ন আগবঢ়াই উত্তৰদাতাসকলৰ ফালৰ পৰা আগ্ৰহৰ তীব্ৰতা জনাবৰ আৰু আমাৰ বাবে জুখিবৰ সুবিধাৰ কাৰণে 'অত্যন্ত আগ্ৰহী'ৰ পৰা 'একেবাৰে আগ্ৰহী নোহোৱা'লৈকে বুলি সৰ্বমুঠ পাঁচটা স্তৰ নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল। সেই মতে উত্তৰদাতাসকলৰ ভিতৰত ১৪.৬২%ই সাহিত্য পঢ়াৰ প্ৰতি অত্যন্ত আগ্ৰহী, ২৩.৮০%ই যথেষ্ট আগ্ৰহী, ৪৩.০৮%ই আগ্ৰহী, ১৪.৩৬%ই সামান্যভাৱে আগ্ৰহী আৰু ৪.০১%ই সাহিত্য পঢ়িবলৈ একেবাৰে আগ্ৰহী নহয় বুলি জনালে।


**চিত্ৰ ৬** সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা (সৰ্বমুঠ উত্তৰদাতাৰ ভিত্তিত শতকৰা হাৰত)




তলৰ **চিত্ৰ ৭, ৮** আৰু **৯**ৰ সহায়ত সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা শতাংশ হাৰত সূচিত কৰা হৈছে।


উত্তৰদাতাৰ বয়স অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ পৰিমাণ **চিত্ৰ ৭**ৰ সহায়ত এইদৰে দেখুৱাব পাৰি।

চিত্ৰ ৭ বয়স অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা (শতকৰা হাৰত)





লিংগ অনুযায়ীও উত্তৰদাতাৰ সাহিত্যৰ প্ৰতি আগ্ৰহৰ পৰিমাণ ভিন্ন হোৱা দেখা গ'ল। **চিত্ৰ ৮**ৰ সহায়ত আগ্ৰহৰ তীব্ৰতাক এইদৰে সূচিত কৰিব পাৰি।

চিত্ৰ ৮ লিংগ অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা (শতকৰা হাৰত)



উত্তৰদাতাই অধ্যয়ন কৰি থকা বিদ্যাশাখা অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতাক **চিত্ৰ ৯**ৰ সহায়ত এইদৰে দেখুৱাব পাৰি।


চিত্ৰ ৯ বিদ্যাশাখা অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ তীব্ৰতা (শতকৰা হাৰত)




## ৫.২ যুৱ পাঠকৰ সাহিত্য পঢ়াৰ অভ্যাস


যুৱ সমাজত সাহিত্য পঢ়াৰ অভ্যাসৰ সম্পৰ্কত আগবঢ়োৱা প্ৰশ্নটো আছিল ***আপোনাৰ সাহিত্য পঢ়াৰ অভ্যাস আছেনে?*** অভ্যাসৰ তীব্ৰতা জুখিবলৈ এই প্ৰশ্নৰ লগতো পাঁচটা বিকল্প দিয়া হৈছিল। উত্তৰদাতাসকলৰ ভিতৰত ১৯.৪০%ই সাহিত্য পঢ়াৰ নিয়মীয়া অভ্যাসৰ কথা ক'লে। প্ৰায় সম পৰিমাণৰে, অৰ্থাৎ ১৯.৫৩% যুৱক-যুৱতীয়ে তেওঁলোকৰ সাহিত্য পঢ়াৰ অভ্যাস যথেষ্ট বুলি কোৱাৰ বিপৰীতে এক বৃহৎ সংখ্যাই, ৪৭.০৯%ই মাজে-সময়েহে সাহিত্য পঢ়ে বুলি জানিবলৈ দিলে। বাকী ১০.৩৫%ই ক'ৰবাত কেতিয়াবাহে সাহিত্য পঢ়ে আৰু ৩.৬২%ৰ সাহিত্য পঢ়াৰ অভ্যাস একেবাৰে নাই বুলি উত্তৰ লাভ কৰা গ'ল। এই সম্পৰ্কীয় সংখ্যাগত তথ্যসমূহ তলত **চিত্ৰ ১০**ৰ সহায়ত দিয়া হৈছে।

চিত্ৰ ১০ সাহিত্য পঢ়াৰ অভ্যাসৰ তীব্ৰতা (সৰ্বমুঠ উত্তৰদাতাৰ ভিত্তিত শতকৰা হাৰত)




উত্তৰদাতাৰ বয়স অনুযায়ী সাহিত্য পঢ়াৰ অভ্যাসৰ তীব্ৰতা এইদৰে দেখুৱাব পাৰি।


চিত্ৰ ১১ বয়স অনুযায়ী সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহ (শতকৰা হাৰত)




উত্তৰদাতাৰ লিংগ অনুযায়ীও সাহিত্য পঢ়াৰ অভ্যাসৰ তাৰতম্য দেখা যায়। প্ৰাপ্ত তথ্য অনুসৰি মহিলা উত্তৰদাতাতকৈ পুৰুষ উত্তৰদাতাৰ সাহিত্য পঢ়াৰ অভ্যাস অধিক দেখা


গ'ল। মহিলা আৰু পুৰুষ উত্তৰদাতাৰ সাহিত্য পঢ়াৰ অভ্যাসৰ তীব্ৰতা **চিত্ৰ ১২**ৰ সহায়ত দেখুওৱা হৈছে।

**চিত্ৰ ১২** লিংগ অনুযায়ী সাহিত্যৰ প্ৰতি আগ্ৰহৰ অনুপাত (শতকৰা হাৰত)




চোইদেৰ যুৱক-যুৱতীসকলে অধ্যয়ন কৰা বিদ্যাশাখা অনুযায়ীও সাহিত্য পঢ়াৰ অভ্যাসৰ ভিন্নতা চকুত পৰিল। সেই তাৰতম্যৰ নমুনা তলৰ **চিত্ৰ ১৩**ত দেখুওৱা হৈছে।


**চিত্ৰ ১৩** বিদ্যাশাখা অনুযায়ী সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহ (শতকৰা হাৰত)



### ৫.৩ সাহিত্যৰ দ্বাৰা প্ৰভাৱিত যুৱ পাঠক


যুৱ সমাজলৈ আগবঢ়োৱা আমাৰ তৃতীয় প্ৰশ্নটোৰ যোগেদি প্ৰভাৱৰ তীব্ৰতা পাঁচটা স্তৰত ভাগ কৰি যুৱক-যুৱতীৰ ওপৰত সাহিত্যৰ প্ৰভাৱ জোখাৰ প্ৰয়াস কৰা হৈছিল। প্ৰশ্নটো আছিল ***আপুনি জীৱনত সাহিত্যৰ দ্বাৰা প্ৰভাৱিত নেকি?*** যুৱ সমাজৰ পৰা লোৱা আমাৰ নমুনা সদস্যসকলৰ ৯.৪৪% সাহিত্যৰ দ্বাৰা অত্যন্ত প্ৰভাৱিত, ২৭.৪৩% যথেষ্ট প্ৰভাৱিত। মুঠ নমুনাৰ আধাখিনি, অৰ্থাৎ ৫০.০৬% ক সাহিত্যই সাধাৰণভাৱে প্ৰভাৱিত কৰা বুলি জনাইছে। অৱশিষ্টখিনিৰ পৰা ৯.৩১% সামান্যভাৱে প্ৰভাৱিত আৰু প্ৰাপ্ত তথ্য অনুসৰি ৩.৭৫% যুৱক-যুৱতীৰ ওপৰত সাহিত্যৰ প্ৰভাৱ শূন্য। তলৰ **চিত্ৰ ১৪**ৰ সহায়ত এই সম্পৰ্কীয় তথ্যসমূহ স্পষ্ট কৰাৰ যত্ন কৰা হৈছে।

**চিত্ৰ ১৪** সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱা অনুপাত (সৰ্বমুঠ উত্তৰদাতাৰ ভিত্তিত শতকৰা হাৰত)





বয়সৰ ভিত্তিত যুৱক-যুৱতীসকল সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত **চিত্ৰ ১৫**ৰ সহায়ত স্পষ্টকৈ দেখুওৱাৰ চেষ্টা কৰা হ'ল।

**চিত্ৰ ১৫** বয়স অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত (শতকৰা হাৰত)





উত্তৰদাতাৰ লিংগ অনুযায়ীও সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ মাত্ৰা ভিন্ন হোৱা পৰিলক্ষিত হৈছে। এই তথ্য **চিত্ৰ ১৬**ৰ সহায়ত দেখুওৱা হৈছে।

**চিত্ৰ ১৬** লিংগ অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত (শতকৰা হাৰত)




অধ্যয়নীয় বিদ্যাশাখা অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত **চিত্ৰ ১৭**ৰ সহায়ত স্পষ্ট কৰা হৈছে।

**চিত্ৰ ১৭** বিদ্যাশাখা অনুযায়ী সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ অনুপাত (শতকৰা হাৰত)




### ৫.৪ সাহিত্যৰ বিষয়বস্তু আৰু যুৱ পাঠক

বিভিন্ন প্ৰকাৰৰ বিষয়বস্তু লৈ সাহিত্য ৰচিত হয়। সাহিত্যৰ প্ৰতি আগ্ৰহ-অনাগ্ৰহ আদি ধৰণৰ কথাবোৰ বহু পৰিমাণে সাহিত্যৰ বিষয়বস্তুৰ ওপৰতো নিৰ্ভৰ কৰে। বেলেগ বেলেগ পাঠকৰ কাৰণে সাহিত্যৰ বেলেগ বেলেগ বিষয়বস্তু অধিক উপযোগী বা অধিক আকৰ্ষণীয় অথবা তাৰ বিপৰীত হ'ব পাৰে। সাহিত্যৰ ভিন ভিন বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ জোখ লোৱাৰ উদ্দেশ্যেৰে সাহিত্যত সাধাৰণতে দৃষ্টিগোচৰ হোৱা এঘাৰটা বিষয়ৰ প্ৰতি উত্তৰদাতাসকলৰ দৃষ্টি আকৰ্ষণ কৰি কোন বিধৰ প্ৰতি কিমান আকৰ্ষণ অনুভৱ কৰে জানিবলৈ বিচৰা হৈছিল। ইয়াৰ বাবে ***কেনে ধৰণৰ বিষয়বস্তু থকা সাহিত্যই আপোনাক অধিক আকৰ্ষিত কৰে?*** বুলি এটা প্ৰশ্ন সন্নিবিষ্ট কৰি আমাৰ ফালৰ পৰা আগবঢ়োৱা এঘাৰটা বিকল্পৰ পৰা তথ্যদাতাৰ পচন্দ অনুসৰি আকৰ্ষণীয় বিষয়বস্তুৰ ক্ৰম নিৰ্দ্ধাৰণ কৰিবলৈ দিয়া হৈছিল। এই প্ৰশ্নৰ উত্তৰ স্বৰূপে বিশিষ্ট লোকৰ জীৱনী সম্পৰ্কীয় বিষয়বস্তু(২১.০৯%), ভ্ৰমণৰ লগত জড়িত বিষয়বস্তু(১৮.২৮%) আৰু সামাজিক প্ৰসঙ্গৰ লগত জড়িত বিষয়বস্তু (১২.৪২%) থকা সাহিত্য তথ্যদাতাসকলৰ সংখ্যাৰ ফালৰ পৰা ক্ৰমে


প্ৰথম, দ্বিতীয় আৰু তৃতীয় আকৰ্ষণীয় বিষয়ৰ ৰূপত চিহ্নিত হৈছে। ইয়াৰ পাছত বিজ্ঞান-প্ৰযুক্তি সম্পৰ্কীয় বিষয়বস্তু(১১.১৩%)ৰ সাহিত্য চতুৰ্থ, আত্মোৎকৰ্ষমূলক বিষয়(৯.৫৭%) আৰু ব্যক্তিগত অভিজ্ঞতা(৯.৫৭%)ৰ কথা থকা সাহিত্য একেলগে পঞ্চম, দৈনন্দিন জীৱনৰ লগত জড়িত বিষয়(৬.৪৭%), ৰাজনৈতিক বিষয়(৫.৮২%), সমসাময়িক প্ৰসঙ্গ(৫.৬৯%) আৰু ধৰ্ম-সংস্কৃতি সম্পৰ্কীয় বিষয়(৫.৩%)সম্বলিত সাহিত্য ক্ৰমে ষষ্ঠ, সপ্তম, অষ্টম আৰু নৱম স্থানত আছে। ব্যৱসায়-বাণিজ্য সম্পৰ্কীয় বিষয়বস্তু থকা সাহিত্যলৈ আটাইতকৈ কম যুৱক-যুৱতী (২.৮৫%)য়ে আকৰ্ষণ অনুভৱ কৰে। উল্লেখযোগ্য যে কোনো কোনো তথ্যদাতাই একাধিক বিষয়বস্তুক একেস্থানতো ৰাখিছে। বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি সাহিত্যৰ প্ৰতি আকৰ্ষণ সম্পৰ্কীয় তথ্যসমূহ তলত **তালিকা ১** আৰু **চিত্ৰ ১৮**ৰ সহায়ত অধিক স্পষ্ট ৰূপত দাঙি ধৰাৰ যত্ন কৰা হৈছে।

**তালিকা ১** বিষয়বস্তুৰ আকৰ্ষণ

| বিষয়বস্তুৰ তালিকা | জীৱনী | ভ্ৰমণ | বিজ্ঞান-প্ৰযুক্তি | আত্মোৎকৰ্ষমূলক | ব্যৱসায়-বাণিজ্য | ৰাজনীতি | সমাজ | ধৰ্ম-সংস্কৃতি | ব্যক্তিগত অভিজ্ঞতা | সমসাময়িক বিষয় | দৈনন্দিন জীৱন |
|---|---|---|---|---|---|---|---|---|---|---|---|
| আকৰ্ষণৰ পৰিসংখ্যা | ২১.০৯% | ১৮.২৪% | ১১.১৩% | ৯.৫৭% | ২.৮৫% | ৫.৮২% | ১২.৪২% | ৫.৮২% | ৯.৫৭% | ৫.৬৯% | ৬.৪৭% |
| পাঠকৰ প্ৰদত্ত স্থান | **১ম** | **২য়** | ৪ৰ্থ | ৫ম | ১০ম | ৭ম | **৩য়** | ৯ম | ৫ম | ৮ম | ৬ষ্ঠ |


যুৱক-যুৱতীসকলক সাহিত্যৰ বিভিন্ন বিষয়সমূহে কৰা আকৰ্ষণৰ পৰিমাণ সিপিঠিৰ বৃত্তচিত্ৰৰ সহায়ত স্পষ্ট কৰি দেখুওৱা হ'লঃ

**চিত্ৰ ১৮** বিষয়বস্তুৰ প্ৰতি আকৰ্ষণ





বয়স অনুযায়ী সাহিত্যৰ বিষয়সমূহে লাভ কৰা গুৰুত্বৰ ভিত্তিত বিষয়বস্তুৰ আকৰ্ষণৰ তাৰতম্য তলৰ **চিত্ৰ ১৯**ত স্পষ্ট কৰা হৈছে।

**চিত্ৰ ১৯** বয়স অনুযায়ী বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা (শতকৰা হাৰত)





লিংগ অনুযায়ী বিষয়বস্তুৱে লাভ কৰা গুৰুত্বক **চিত্ৰ ২০**ৰে স্পষ্ট কৰিবলৈ যত্ন কৰা হৈছে।

**চিত্ৰ ২০** লিংগ অনুযায়ী বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা (শতকৰা হাৰত)




যুৱক-যুৱতীসকলক অধ্যয়ন কৰি থকা বিদ্যাশাখা অনুযায়ীও সাহিত্যৰ বিভিন্ন বিষয়সমূহে ভিন্ন মাত্ৰাত আকৰ্ষিত কৰা দেখা গৈছে। বিদ্যাশাখা অনুযায়ী কৰা আকৰ্ষণৰ মাত্ৰা তলৰ **চিত্ৰ ২১**ৰ সহায়ত স্পষ্ট কৰিবলৈ যত্ন কৰা হৈছে।

**চিত্ৰ ২১** বিদ্যাশাখা অনুযায়ী বিষয়বস্তুৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা (শতকৰা হাৰত)



আমি আগবঢ়োৱা এঘাৰটা বিষয়ৰ অতিৰিক্তভাৱে কিছুমান তথ্যদাতাই সাহিত্যত ৰহস্যধৰ্মী, ব্যঙ্গাত্মক, প্ৰকৃতি সম্পৰ্কীয়, জীৱিকা বা 'কেৰিয়াৰ' সম্পৰ্কীয়, বুৰঞ্জীমূলক, নাৰীৰ লগত জড়িত বিভিন্ন বিষয় পচন্দ কৰাৰ কথা নিজাববীয়াকৈ সংযোজন কৰাৰ পৰা যুৱ সমাজৰ এইবিলাক বিষয়ৰ প্ৰতি আগ্ৰহৰ কথা জানিব পাৰি। বিজ্ঞানক জনপ্ৰিয় কৰাৰ উদ্দেশ্যেৰে ৰচনা কৰা সাহিত্যৰ প্ৰসঙ্গও এই ক্ষেত্ৰত বিশেষভাৱে আহিছে।


## ৫.৫ সাহিত্যৰ বিভিন্ন প্ৰকাৰ আৰু যুৱ পাঠক

সাহিত্যৰ বিষয়বস্তুৰ দৰেই সাহিত্যৰ বিধা বা প্ৰকাৰ অনুসৰি যুৱ সমাজৰ আকৰ্ষণৰ তাৰতম্য জানিবৰ বাবেও এটা প্ৰশ্ন সন্নিবিষ্ট কৰা হৈছিল ***কোন বিধৰ সাহিত্যৰ প্ৰতি আপোনাৰ আকৰ্ষণ বেচি?*** ওপৰৰ প্ৰশ্নটোৰ দৰেই এইটো প্ৰশ্নও আকৰ্ষণৰ ক্ৰমমাপক প্ৰশ্ন আছিল আৰু তথ্যদাতাৰ দ্বাৰা পচন্দ অনুসৰি ক্ৰম নিৰ্দ্ধাৰণৰ বাবে প্ৰশ্নপত্ৰত ৬বিধ সাহিত্যৰ নাম ৰাখি থোৱা হৈছিল। এই ৬বিধ সাহিত্যৰ ভিতৰত যুৱ সমাজৰ অধিকাংশ পাঠকে(৪৮.৯%) উপন্যাসৰ প্ৰতি অধিক আকৰ্ষণ অনুভৱ কৰাৰ কথা ক'লে। যুৱ সমাজ ইয়াৰ পিছতে চুটি গল্পৰ প্ৰতি আকৰ্ষিত(২২.১২%)। কবিতা, ব্যঙ্গ ৰচনা, নাটক আৰু প্ৰবন্ধৰ প্ৰতি আকৰ্ষিত হোৱা যুৱক-যুৱতী সংখ্যাৰ দৃষ্টিৰে ইয়াৰ পিছত ক্ৰমে তৃতীয়(৯.৪৪%), চতুৰ্থ(৮.৯৩%), পঞ্চম(৮.২৮%) আৰু ষষ্ঠ(৩.১%) স্থানত আছে। বিষয়বস্তুৰ দৰেই সাহিত্যৰ বিধাৰ ক্ষেত্ৰতো কোনো কোনোৱে একাধিক বিধাক একে স্থানত ৰাখিছে। সাহিত্যৰ বিভিন্ন বিধা সম্পৰ্কীয় তথ্যসমূহ তলত **তালিকা ২** আৰু **চিত্ৰ ২২**ৰ সহায়ত অধিক স্পষ্ট ৰূপত দাঙি ধৰাৰ যত্ন কৰা হৈছে।

**তালিকা ২** সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণ


| সাহিত্য প্ৰকাৰ | উপন্যাস | গল্প | নাটক | কবিতা | ব্যঙ্গ ৰচনা | প্ৰবন্ধ |
|---|---|---|---|---|---|---|
| আকৰ্ষণৰ পৰিসংখ্যা | ৮৪.৯% | ২২.১২% | ৮.২৮% | ৯.৪৪% | ৮.৯৩% | ৩.১% |
| পাঠকৰ প্ৰদত্ত স্থান | **১ম** | **২য়** | ৫ম | **৩য়** | ৪ৰ্থ | ৬ষ্ঠ |

চিত্ৰ ২২ সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণ





তথ্যদাতাৰ বয়স অনুযায়ী তেওঁলোকৰ দৃষ্টিত বিভিন্ন বিধৰ সাহিত্যৰ স্থান **চিত্ৰ ২৩**ৰ সহায়ত দেখুওৱাৰ যত্ন কৰা হৈছে।

**চিত্ৰ ২৩** বয়স অনুযায়ী সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা (শতকৰা হাৰত)




লিংগ অনুযায়ী বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা ভিন্নতাক তলৰ **চিত্ৰ ২৪**ৰ সহায়ত দেখুওৱা হৈছে।

**চিত্ৰ ২৪** লিংগ অনুযায়ী সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা (শতকৰা হাৰত)




অধ্যয়নকাৰীৰ বিদ্যাশাখা অনুযায়ী মাত্ৰা ভিন্নতাক তলৰ **চিত্ৰ ২৫**ত দেখুওৱাৰ যত্ন কৰা হৈছে।

**চিত্ৰ ২৫** বিদ্যাশাখা অনুযায়ী সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ প্ৰতি আকৰ্ষণৰ মাত্ৰা (শতকৰা হাৰত)



প্রশ্নকর্তাই আগবঢ়োৱা উল্লিখিত ৬ বিধ সাহিত্যৰ অতিৰিক্তভাৱে শিশু সাহিত্য আৰু অনুবাদ সাহিত্যৰ কথা উত্তৰদাতাসকলৰ কিছু অংশই নিজাকৈ সংযোজন কৰিছে।


### ৫.৬ সাহিত্যৰ দ্বাৰা যুৱ পাঠক প্ৰভাৱিত হ'ব পৰা বিষয়

সাহিত্যত বিভিন্ন ধৰণৰ বিষয় চিত্রিত-বিশ্লেষিত হয়। তাৰ ভিতৰৰ কিছুমান বিষয়ে পাঠকৰ মন-মগজু স্পৰ্শ কৰে। সকলো বিষয়ে সকলোৰে মনত সমানে প্ৰভাৱ-প্ৰতিক্রিয়াৰ সৃষ্টি কৰিব নোৱাৰে। সাহিত্যত থকা কোনবিলাক বিষয়ে আজিৰ যুৱ সমাজক প্ৰভাৱিত কৰিব পাৰিছে তাৰ এক আভাস লোৱাৰ উদ্দেশ্যৰে প্ৰস্তুত অধ্যয়নত ***সাহিত্যই যুৱ সমাজক তলত দিয়া দিশসমূহত প্ৰভাৱিত কৰিব পাৰে বুলি আপুনি ভাবে নেকি*** বুলি এটা প্ৰশ্নৰ তলত মুঠ আঠটা দিশ প্ৰভাৱৰ ক্রম অনুসৰি নিৰ্বাচনৰ সুবিধাৰ বাবে সন্নিবিষ্ট কৰি দিয়া হৈছিল। এই প্ৰশ্নৰ উত্তৰ স্বৰূপে যুৱ সমাজৰ পৰা লাভ কৰা সঁহাৰি অনুসৰি বেচি সংখ্যক(৩৭.৭৭%) যুৱক-যুৱতীৰে মতে সাহিত্যৰ দ্বাৰা পাঠকৰ ব্যক্তিগত জীৱন সবাতোকৈ বেচি প্ৰভাৱিত হয়। ইয়াৰ পিছতে ক্রমে মানৱীয়তা(১৫.৭৮%) আৰু নৈতিকতা(১৪.৮৮%)ৰ দিশত সাহিত্যই যুৱ সমাজৰ ওপৰত প্ৰভাৱ পেলাব পাৰে বুলি মত পোৱা গৈছে। যুৱ সমাজৰ জীৱিকা সম্পৰ্কীয় বিষয়(১২.৯৪%), ৰাজনৈতিক চিন্তা-চৰ্চা(৯.৫৭%) আৰু আৰ্থ-সামাজিক পৰিৱৰ্তন(৫.১৭%)ৰ দিশত সাহিত্যই প্ৰভাৱ পেলোৱাৰ কথাটো আমাৰ উত্তৰদাতাসকলৰ সংখ্যাৰে ক্রমে চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থানলৈ আহিছে। সেইদৰে উদ্ভাৱনা সম্পৰ্কীয়(৮.৭৯%) আৰু ব্যৱসায়-বাণিজ্য/উদ্যমিতা(৪.৫৩%) সম্পৰ্কীয় বিষয়সম্বলিত সাহিত্য শেষৰ ফালে, অৰ্থাৎ সপ্তম তথা অন্তিম বা অষ্টম স্থানলৈ আহিছে। প্ৰভাবিত হোৱা বিভিন্ন দিশৰ জোখ লোৱাৰ সময়তো একাধিক দিশক বিভিন্নজনে একে জোখৰ মৰ্য্যাদাত ৰাখিছে। এই পৰিসংখ্যা তলৰ **তালিকা ৩** আৰু **চিত্র ২৫**ৰ সহায়ত স্পষ্ট কৰিবলৈ যত্ন কৰা হৈছে।

**তালিকা ৩** সাহিত্যৰ দ্বাৰা প্ৰভাৱিত দিশ


| সাহিত্যৰ প্ৰভাৱ | ব্যক্তিগত জীৱন | জীৱিকা | ৰাজনৈতিক চিন্তা-চেতনা | আৰ্থ-সামাজিক পৰিৱৰ্তন | ব্যৱসায়-বাণিজ্য/উদ্যমিতা | উদ্ভাৱনা | নৈতিকতা | মানৱীয়তা |
|---|---|---|---|---|---|---|---|---|
| পৰিসংখ্যা | ৩৭.৭৭% | ১২.৯৪% | ৯.৫৭% | ৫.১৭% | ৪.৫৩% | ৪.৭৯% | ১৪.৮৮% | ১৫.৭৮% |
| স্থান | **১ম** | ৪ৰ্থ | ৫ম | ৬ষ্ঠ | ৮ম | ৭ম | **৩য়** | **২য়** |

**চিত্ৰ ২৬** সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ





বয়স, লিঙ্গ আৰু বিদ্যাশাখা অনুযায়ী সাহিত্যই বিভিন্ন দিশত পেলোৱা প্ৰভাৱ সম্পৰ্কে **চিত্ৰ ২৭, ২৮ আৰু ২৯**ত দেখুওৱা হৈছে।


চিত্ৰ ২৭ বয়স অনুযায়ী সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ (শতকৰা হাৰত)




চিত্ৰ ২৮ লিংগ অনুযায়ী সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ (শতকৰা হাৰত)



**চিত্ৰ ২৯** বিদ্যাশাখা অনুযায়ী সাহিত্যই প্ৰভাৱ পেলোৱা বিভিন্ন দিশ (শতকৰা হাৰত)




এই প্ৰসঙ্গত উল্লেখযোগ্য যে প্ৰভাৱিত হোৱা ক্ষেত্ৰৰ সম্পৰ্কত কোনো কোনোৱে নিজৰ ফালৰ পৰা সাংস্কৃতিক ৰুচিবোধ, ধৰ্ম, প্ৰমূল্যবোধ আৰু পৰিৱেশ সংৰক্ষণৰ কথাও সংযোজন কৰিছে।

❒❒❒

# অধ্যায়-৬ : উপসংহাৰ

প্ৰস্তুত গৱেষণা কৰ্মৰ প্ৰথম অধ্যায়ত অধ্যয়নৰ উদ্দেশ্য, আৱশ্যকতা আৰু পৰিসৰেৰে অধ্যয়নৰ পাতনি তৰি লৈ দ্বিতীয় অধ্যায়ত এই সম্পৰ্কীয় বা এই ক্ষেত্ৰৰ পূৰ্বকৃত কৰ্মসমূহৰ সংক্ষিপ্ত পুনৰীক্ষেণেৰে সিবিলাকৰ লগত প্ৰস্তুত কৰ্মৰ ব্যৱধান স্পষ্ট কৰি লোৱা হৈছে। তৃতীয় অধ্যায়ত নমুনা নিৰ্বাচনকে ধৰি তথ্য আহৰণৰ বিস্তৃত পদ্ধতিৰে সৈতে তথ্য বিশ্লেষণৰ পদ্ধতিও পূৰ্ণ ৰূপত ব্যাখ্যায়িত হৈছে। চতুৰ্থ অধ্যায়ত সংগৃহীত তথ্যৰ গুণগত বিশ্লেষণ আৰু পঞ্চম অধ্যায়ত পৰিমাণ গত বিশ্লেষণ দাঙি ধৰা হৈছে। অধ্যয়নৰ এই অন্তিম অধ্যায় 'উপসংহাৰ'ত গৱেষণা প্ৰশ্নসমূহৰ আঁত ধৰি মূল বিশ্লেষণৰ দুয়োটা অধ্যায়ৰ পৰা আহৰিত সিদ্ধান্তসমূহ একত্ৰে সামৰা হৈছে। শেষত প্ৰস্তুত অধ্যয়নৰ কাৰ্য্যকৰী গুৰুত্ব, সীমাবদ্ধতা, প্ৰস্তুত অধ্যয়নৰ আধাৰত ভৱিষ্যৎ অধ্যয়নৰ বাবে পৰামৰ্শ আৰু তাৰ পাছত গৱেষকৰ নিজস্ব সামগ্ৰিক মন্তব্যৰে অধ্যয়নৰ সামৰণি মৰা হৈছে।

## ৬.১ যুৱ সমাজৰ দৃষ্টিত সাহিত্য

### ৬.১.১ সাহিত্যৰ লগত যুৱ সমাজৰ সম্বন্ধ

কোনো এটা বিষয় সম্বন্ধে কাৰোবাৰ মনোভাৱৰ বাস্তৱিকতা আৰু গুৰুত্ব বুজিবলৈ হ'লে বিষয়টোৰ লগত তেওঁৰ বা তেওঁলোকৰ সম্বন্ধ সম্পৰ্কীয় দিশৰ যথেষ্ট প্ৰাসঙ্গিকতা আছে। বৰ্তমানৰ যুৱ সমাজ সাহিত্যৰ লগত কেনে ধৰণেৰে আৰু কিমান পৰিমাণে জড়িত সেই সম্পৰ্কে প্ৰস্তুতে অধ্যয়নত ভালে কেইটা দিশ পোহৰলৈ আহিছে। সাহিত্যৰ লগত প্ৰধানভাৱে জড়িত হোৱা যায় পাঠক ৰূপে। বৰ্তমান সময়ত যুৱ সমাজৰ প্ৰায় আধাখিনি সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহী আৰু এওঁলোকে মাজে-সময়ে সাহিত্য অধ্যয়ন কৰে। এওঁলোক সাহিত্যৰ দ্বাৰা কিছু কিছু ক্ষেত্ৰত প্ৰভাৱিতও হৈছে। ইয়াতকৈ সংখ্যাত কিছু কম যুৱক-যুৱতী সাহিত্য অধ্যয়নৰ প্ৰতি অত্যন্ত বা যথেষ্ট আগ্ৰহী। এওঁলোকে পাঠকৰ ৰূপত সাহিত্যৰ লগত নিয়মীয়া সম্বন্ধ বা নিয়মীয়া নহ'লেও যথেষ্ট সম্বন্ধ ৰাখে আৰু পৰিণাম স্বৰূপে সাহিত্যই এওঁলোকক বিভিন্ন ক্ষেত্ৰত যথেষ্টভাৱে প্ৰভাৱিতও কৰিছে। এওঁলোকৰ

মাজৰে বহুখিনিয়ে সাহিত্য অধ্যয়নৰ পৰা সাহিত্য ৰচনা কৰিবলৈকো প্ৰেৰণা লাভ কৰিছে আৰু লেখকৰ ৰূপতো সাহিত্যৰ লগত জড়িত হৈ পৰিছে। যুৱ সমাজৰ মাত্ৰ ১০%ৰ পৰা ১৫% মানৰ সদস্যহে সাহিত্যৰ লগত তেনেকৈ জড়িত নহয়। গতিকে সামগ্ৰিকভাৱে চাবলৈ গ'লে বৰ্তমান সময়ত যুৱ সমাজৰ লগত সাহিত্য যথেষ্ট পৰিমাণে সম্বন্ধজড়িত আৰু এই ফালৰ পৰা যুৱ সমাজক সহায় কৰিব পৰা বিষয়সমূহৰ ভিতৰত সাহিত্যক গুৰুত্বসহকাৰে বিবেচনা কৰাৰ থল আছে।

### ৬.১.২ যুৱ সমাজৰ দৃষ্টিত সাহিত্যৰ উপযোগিতা

সাহিত্যৰ প্ৰয়োজন সম্পৰ্কে যুৱ সমাজে দুই ধৰণৰ মন্তব্য আগবঢ়াইছে। তাৰ পৰা সামগ্ৰিক ৰূপত ক'বলৈ গ'লে সাহিত্যৰ সহায়ত জীৱনৰ আঁত বিচাৰি পাব পাৰি। সাহিত্যৰ প্ৰয়োজন চিৰন্তন। কিন্তু সাহিত্যৰ অসাৰ্থকতা সম্পৰ্কে যুৱ সমাজৰ কিছু অংশই আগবঢ়োৱা মন্তব্যও উলাই কৰিব পৰা বিধৰ নহয়। ভৱিষ্যৎ সমাজত সাহিত্যই নিজৰ স্থিতি সুদৃঢ় কৰি ৰখাৰ খাতিৰত এই নেতিবাচক মন্তব্যসমূহ বৰ্তমানৰ সাহিত্য জগতখনে নিশ্চয় বিবেচনা কৰি চাব লাগিব।

### ৬.১.৩ যুৱ সমাজৰ প্ৰিয় আৰু গ্ৰহণযোগ্য সাহিত্য

প্ৰশ্নপত্ৰত সন্নিবিষ্ট কৰা প্ৰশ্নৰ উত্তৰৰ উপৰিও ব্যক্তিগতভাৱে যুৱ সমষ্টি একোটাহঁতক লগ ধৰি গ্ৰহণ কৰা বিৱৰণাত্মক সাক্ষাৎকাৰৰ পৰা সাহিত্যৰ বিষয়বস্তু সম্পৰ্কে যুৱ সমাজৰ যি ধাৰণা জানিব পৰা গ'ল সেই মতে চাবলৈ হ'লে আত্মোৎকৰ্ষমূলক, জীৱনীমূলক, সমাজ সম্পৰ্কীয় বিষয়, ভ্ৰমণমূলক, ব্যক্তিগত অভিজ্ঞতা সম্পৰ্কীয়, বিজ্ঞান-প্ৰযুক্তিৰ লগত জড়িত বিষয় আদি বিলাক যুৱ সমাজৰ প্ৰিয় বিষয়। ব্যৱসায়-বাণিজ্য সম্পৰ্কীয় বিষয়লৈ আমাৰ যুৱ সমাজে নিচেই কম আকৰ্ষণ অনুভৱ কৰে।

বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ ভিতৰত যুৱ সমাজ উপন্যাসৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা গ'ল। প্ৰশ্নকৰ্তাৰ ফালৰ পৰা আগবঢ়োৱা ৬বিধ বহু প্ৰচলিত সাহিত্য উপন্যাস, গল্প, নাটক, কবিতা, ব্যঙ্গ ৰচনা আৰু প্ৰবন্ধৰ ভিতৰত যুৱ সমাজৰ শেষৰ বিধৰ প্ৰতি

আকৰ্ষণ কম। যুৱক-যুৱতীসকল তথ্যমূলক বিশ্লেষণপ্ৰধান সাহিত্যতকৈ কল্পনামূলক সৃজনীশীল সাহিত্যৰ প্ৰতি অধিক আকৃষ্ট।

৬.১.৪ যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ

প্ৰস্তুত অধ্যয়নত তথ্যদাতাসকলৰ পৰা পোৱা বিভিন্ন তথ্য অনুসৰি একে আষাৰতে ক'বলৈ গ'লে যুৱ সমাজৰ মাজত সাহিত্যৰ ব্যৱহাৰ আগতকৈ কমি আহিছে যদিও যিসকলে এতিয়াও জীৱনৰ ভিন ভিন ক্ষেত্ৰত সাহিত্যত গুৰুত্ব প্ৰদান কৰি আছে সেইসকল সাহিত্যৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত। সাহিত্যৰ প্ৰভাৱত যুৱ সমাজৰ এক বৃহৎ অংশই জীৱনৰ দৃষ্টি আৰু দৰ্শন (vision-mission) সলনি কৰি লৈছে। ব্যক্তিগত আৰু সামাজিক জীৱনৰ গতিপথ সলনি কৰিবলৈ অনুপ্ৰাণিত হৈছে।

৬.১.৫ ই-সাহিত্য আৰু সাহিত্যৰ ভৱিষ্যৎ

জ্ঞান আহৰণ, মনোৰঞ্জনকে ধৰি সকলো ক্ষেত্ৰতে নৱ-উদ্ভাৱিত মাধ্যমবিলাকৰ জনপ্ৰিয়তা আৰু প্ৰচলন বাঢ়ি যোৱাৰ বিপৰীতে সাহিত্যৰ জনপ্ৰিয়তা আৰু প্ৰচলন কমি আহিছে। সেয়েহে আন বহুতো মাধ্যমতকৈ তুলনামূলকভাৱে উচ্চ আৰু গুৰুত্বপূৰ্ণ আসনত অধিষ্ঠিত হোৱা সত্বেও বৰ্তমান সময়ত সাহিত্য তেনেকৈ প্ৰভাৱশীল আৰু কাৰ্য্যশীল হ'ব পৰা নাই। গতিকে আজিৰ অৱস্থা-ব্যৱস্থাৰ লগত খাপ খোৱাকৈ সাহিত্যলৈও পৰিৱৰ্তন অনাৰ আৱশ্যক। আজিৰ মানুহ 'হাৰ্ড কপি'তকৈ 'ডিজিটেল কপি'ৰ প্ৰতি অধিক আগ্ৰহী। এই 'ডিজিটেল' মাধ্যমেৰে সাহিত্যৰ ভৱিষ্যৎ অধিক উজ্জ্বল আৰু সুৰক্ষিত হ'ব।

৬.২ অধ্যয়নৰ গুৰুত্ব আৰু কাৰ্যকাৰিতা

প্ৰভাৱ আৰু প্ৰাসঙ্গিকতাকে ধৰি বৰ্তমান সমাজত সাহিত্যৰ স্থিতি তথা সমাজৰ মেৰুদণ্ড স্বৰূপ যুৱ প্ৰজন্মৰ বাবে উপযুক্ত খোৰাকিৰ ৰূপত সাহিত্যৰ সম্ভাৱনাৰ সন্ধানত সম্পাদন কৰা এই গৱেষণা কৰ্মটিৰ অন্তত সামগ্ৰিক ৰূপত অধ্যয়নটিৰ গুৰুত্ব আৰু কাৰ্য্যকাৰিতা তলত উল্লেখ কৰা দিশ কেইটাৰে নিৰ্দিষ্ট কৰি দেখুৱাব পাৰিঃ

(ক) এই অধ্যয়নে সামগ্ৰিকভাৱে সমাজত সাহিত্যৰ প্ৰয়োজনীয়তা আৰু বিশেষভাৱে জীৱন আৰু জগতত বিজ্ঞান-প্ৰযুক্তিগত মাধ্যমৰ সৰ্বাত্মক আগ্ৰাসনৰ বৰ্তমান যুগত, তাৰো ভিতৰত আকৌ যুৱ প্ৰজন্মৰ মাজত সাহিত্যৰ প্ৰয়োজনীয়তা স্পষ্ট কৰিলে। ভৱিষ্যৎ সমাজৰ কৰ্তাও বৰ্তমানৰ যুৱ সমাজ আৰু ভোক্তাও যুৱ সমাজ। গতিকে বিষয় যিয়েই নহওক লাগিলে, বৰ্তমান সময়ৰ যি কোনো ধৰণৰ বিবেচনা-প্ৰয়োগ-প্ৰচলনৰ সময়ত যুৱ প্ৰজন্মৰ মতামতৰ গুৰুত্ব অপৰিসীম আৰু প্ৰশ্নাতীত। এনেকৈ চাবলৈ গ'লে সাহিত্যৰ নিচিনা এক প্ৰাচীন তথা প্ৰভাৱশালী মাধ্যম সম্পৰ্কে লাভ কৰা যুৱ সমাজৰ মতামতসম্বলিত এই অধ্যয়ন সাহিত্য আৰু সমাজ উভয় দৃষ্টিকোণৰ পৰাই বিশেষ গুৰুত্বপূৰ্ণ।

(খ) বিষয় আৰু বিধা, দুয়ো ফালৰ পৰাই কেনেকুৱা সাহিত্য যুৱ প্ৰজন্মৰ গ্ৰহণযোগ্য সেই কথা এই অধ্যয়নৰ দ্বাৰা পোহৰলৈ আহিছে। সেই কথাটোৱে যুৱ সমাজৰ বাবে আৰু অধিক গ্ৰহণযোগ্য তথা তেওঁলোকক উপকৃত কৰিব পৰাকৈ সাহিত্যক ভৱিষ্যতে কেনেদৰে প্ৰস্তুত কৰা উচিত সাহিত্য জগতখনৰ বাবে সেই কথা উপলব্ধি কৰাটো সহজ হ'ব।

(গ) বৰ্তমানৰ সমাজখন এফালেদি প্ৰাচীন বিচাৰ আৰু ব্যৱহাৰ তথা আনফালেদি নিত্য নতুন আবিৰ্ভাৱ ঘটি থকা বিচাৰ আৰু প্ৰযুক্তিগত ব্যৱহাৰৰ মাজত দোদুল্যমান। এনে পৰিস্থিতিত কেনেকুৱা সাহিত্যই উপযুক্তভাৱে সামাজিক পৰিবৰ্তন অনাত তথা তথাকথিত নতুন আৰু তথাকথিত পুৰণিৰ মাজত সন্তুলন স্থাপনত সহায় কৰিব পাৰিব এই অধ্যয়নৰ যোগেদি তাৰো আভাস পোৱা গৈছে।

(ঘ) নৱ প্ৰজন্মক পুৰণি প্ৰজন্মই পুৰণি ধ্যান-ধাৰণাৰে পিছ ফালৰ পৰা নিয়ন্ত্ৰণ কৰি থকা উচিত আৰু উপযুক্ত যেনেকৈ নহয়, তেনেকৈয়ে তেওঁলোকক মাটিৰ পৰা আঁতৰি আলাসত ওপঙি ফুৰিবলৈ এৰি দিয়াটোও সমানেই উচিত আৰু উপযুক্ত নহয়। যুৱ সমাজৰ বাবে উপযুক্ত দিশ নিৰ্ণয় কৰি দিয়া বা নিৰ্ণিত হোৱাটো নিশ্চয় এটা অত্যন্ত আৱশ্যকীয় কথা। এই দিশ নিৰ্ণয়ৰ কামটো কিন্তু যুৱ সমাজৰ ৰুচি, বোধশক্তি, আগ্ৰহ, দৃষ্টিভঙ্গী আদি

সম্পৰ্কীয় অজ্ঞানতাৰে কিম্বা ইবিলাকৰ উপেক্ষা আৰু অৱজ্ঞাৰে মুঠেও সম্ভৱ নহয়। যুৱ সমাজৰ এনে বহুতো দিশ উন্মোচিত কৰাৰ দৃষ্টিৰেও এই অধ্যয়নৰ বিশেষ গুৰুত্ব আছে।

৬.৩ অধ্যয়নৰ সীমাবদ্ধতা

স্বকীয় বিষয়-ক্ষেত্ৰৰ লগত জড়িত বা জড়িত কৰিব পৰাৰ সম্ভাৱনা থকা সমস্ত বিষয় সামৰি লোৱাটো কোনো অধ্যয়নৰ বাবেই সম্ভৱ নহয়। এই অধ্যয়নত প্ৰশ্নপত্ৰৰ জৰিয়তে ৮০০ আৰু বিৱৰণাত্মক সাক্ষাৎকাৰৰ জৰিয়তে মোটামুটি ২০০, সৰ্বমুঠ ১০০০ তথ্যদাতাৰ পৰা আৱশ্যকীয় তথ্যৰ সন্ধান কৰা হৈছিল। ক্ষেত্ৰ অধ্যয়নৰ স্থানিক পৰিসৰৰ দৃষ্টিৰে ই অসমৰ ৯খন জিলা সামৰি লৈছে। তথ্যদাতাৰ বয়সৰ সীমাৰ দৃষ্টিৰেও ই ১৫-ৰ পৰা ২৪ বছৰৰ মাজত সীমাবদ্ধ। সময়ৰ ফালৰ পৰা চাবলৈ গ'লে এই অধ্যয়নত ব্যৱহৃত তথ্যসমূহ ২০১৬ চনৰ আৰম্ভণিৰ পৰা ২০১৮ চনৰ মাৰ্চ মাহৰ ভিতৰত আহৰিত। তথ্য আহৰণৰ ক্ষেত্ৰত সুবিধাজনক হোৱাৰ বাবে এই অধ্যয়নত মহাবিদ্যালয় কিম্বা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীহে প্ৰধানভাৱে যুৱ-সমাজৰ প্ৰতিনিধিৰ ৰূপত গৃহীত হৈছে। গতিকে প্ৰস্তুত অধ্যয়নে এইখিনি সীমাৰ মাজতে যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ সম্বন্ধীয় অনুসন্ধানৰ প্ৰয়াস কৰিছে। অধ্যয়নটিৰ অন্তৰ্গত মূল দুটা দিশ সাহিত্য আৰু যুৱ সমাজ – কোনোটোৰে স্বৰূপ স্থিৰ নহয়; বৰঞ্চ নিৰন্তৰ গতিশীল। গতিকে এই অধ্যয়নে বিষয় সম্পৰ্কত কোনো স্থিৰ সিদ্ধান্তত উপনীত হোৱাৰ দাবী নিশ্চয় কৰিব নোৱাৰে।

৬.৪ ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনা

যুৱ সমাজৰ লগত জড়িতভাৱে সাহিত্য সম্পৰ্কত কেইবাটিও দিশৰ অনুসন্ধানেৰে এই অধ্যয়ন কিছুমান সিদ্ধান্তত উপনীত হৈছে। কিন্তু লগে লগে ভৱিষ্যৎ অধ্যয়নৰ বাবে অন্য কিছুমান প্ৰশ্নৰো উদয় ঘটাইছে। তাৰ ভিতৰত এটা প্ৰশ্ন হ'ল সাহিত্যৰ সৃষ্টিশীল দিশটোৱে নে ব্যৱহাৰিক দিশটোৱে যুৱ সমাজক অধিক আকৰ্ষিত কৰে? ব্যৱসায়-বাণিজ্যকে ধৰি ব্যৱহাৰিক কিছুমান প্ৰসঙ্গই আজিৰ অসমৰ যুৱ সমাজক কমকৈ আকৰ্ষণ কৰাৰ কাৰণ কি? নে সাহিত্যৰ লগত জড়িতভাৱেহে যুৱ সমাজে এনে ব্যৱহাৰিক বিষয়

পচন্দ নকৰে বা সাহিত্যৰ ৰূপত কাল্পনিক বিষয়হে তেওঁলোকৰ অধিক পচন্দৰ? এইবিলাক প্ৰসঙ্গৰ লগত জড়িত মূল প্ৰসঙ্গটো হ'ল সাহিত্যক কি ধৰণেৰে যুৱ সমাজৰ অধিক উপযুক্ত তথা গ্ৰহণযোগ্য কৰি তোলা যায়? বৰ্তমান সময়ত আগ্ৰহ থাকিও বহুতে সাহিত্যৰ লগত জড়িত হ'ব নোৱৰা বা সাহিত্য পঢ়াৰ বাবত বহুত সময় খৰচ কৰিব লগীয়া হয় আৰু এই কথাটো আজিৰ অত্যন্ত ব্যস্ততাৰ যুগত সম্ভৱ নহয় বুলিও আমাৰ অধ্যয়নত এটা প্ৰসঙ্গ উত্থাপিত হৈছে। গতিকে যুৱ সমাজৰ দৈনন্দিন জীৱন বৰ্তমান অত্যধিক বোজাৰে ভাৰাক্ৰান্ত হৈছে নেকি সেই প্ৰশ্নটো তথা তাৰ লগত জড়িতভাৱে সময় ব্যৱস্থাপনা(Time Management)ৰ দিশতো কিছুমান কথা নিশ্চয় বিবেচনা কৰিব লগীয়া আছে। এইটো দিশতে আকৌ ইলেক্ট্ৰনিক মাধ্যমত সাহিত্য চৰ্চাৰ সম্পৰ্কতো অধিক চিন্তা-চৰ্চাৰ থল আছে। এই অধ্যয়নত কেৱল সাহিত্যৰ প্ৰভাৱ আৰু তাকো যুৱ সমাজক জড়িত কৰিহে অনুসন্ধান-বিশ্লেষণ কৰা হ'ল। গতিকে সমাজৰ সকলো শ্ৰেণীকে জড়িত কৰি প্ৰভাৱৰ ক্ষেত্ৰত সাহিত্য আৰু অন্য কলা মাধ্যমসমূহৰ এক তুলনা তথা সাহিত্য আৰু ইলেক্ট্ৰনিক মাধ্যমৰ তুলনাৰ বাবেও এই অধ্যয়নে বাট কাটি দিয়া বুলি ক'ব পাৰি।

৬.৫ সামৰণী মন্তব্য

এই অধ্যয়নত তথ্যদাতাসকলে সাহিত্যৰ কথা ক'বলৈ গৈ প্ৰায় ক্ষেত্ৰতে কিতাপ আৰু সাহিত্য একাকাৰ কৰি পেলাইছে। কিতাপৰ ৰূপত সাহিত্য সমাজৰ শিক্ষা, টকা-পইচা আদি সকলো দিশৰে পৰা এক বিশেষ সমৰ্থবান শ্ৰেণীৰ মাজতে আবদ্ধ হৈ পৰাৰ বাবে যথোপযুক্তভাৱে সামাজিক ভূমিকা পালন কৰিব পৰাকৈ কিতাপৰ জগতখন হোৱা নাই।

সাহিত্যৰ সম্পৰ্কত ইতিবাচক আৰু নেতিবাচক দুয়ো ধৰণৰ মত পোৱা গৈছে। কিন্তু সাহিত্যৰ সপক্ষে ক'বলৈ যোৱাসকলৰ মতসমূহ যেনেদৰে যুক্তিনিষ্ঠ বিশ্লেষণৰ ওপৰত প্ৰতিষ্ঠিত, নেতিবাচক মন্তব্যসমূহৰ ক্ষেত্ৰত তেনে যুক্তি নিৰ্ভৰতা যথেষ্ট কম পৰিমাণে দৃষ্টিগোচৰ হৈছে।

সাহিত্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সাধাৰণ প্ৰসঙ্গ বহুত পোৱা গৈছে কিন্তু তাৰ সমানে সমানে আমাৰ সমাজৰ বিশেষ ক্ষেত্ৰত হোৱা প্ৰভাৱ-পৰিবৰ্তনৰ উদাহৰণ যুৱ সমাজে যথেষ্ট পৰিমাণে আগবঢ়োৱা নাই। অৰ্থনৈতিক-বৌদ্ধিক-কৌশলগতভাৱে পিছ পৰাসকলে সাহিত্যৰ ভূমিকাৰ ক্ষেত্ৰত পৰম্পৰাগত শ্ৰেষ্ঠত্বৰ ক্ষেত্ৰত অধিক মুখৰ হৈ পৰিছে। ইয়াৰ বিপৰীতসকলৰ বিশ্লেষণত সাহিত্য হয় গুৰুত্বহীন বিষয় হিচাপে আৰু নহয় গুণ বিশিষ্টতা তথা আৱশ্যকতা থকা সত্ত্বেও বাস্তৱ কাৰ্য্যকাৰিতা নথকা বিষয় এটা হিচাপে উপস্থাপিত হৈছে। অৰ্থনৈতিক-সামাজিক-আঞ্চলিক-প্ৰযুক্তিগত আদি কাৰণত ইলেক্ট্ৰনিক মাধ্যমবিলাক সকলোৰে সহজলভ্য হৈ উঠিব নোৱৰাৰ বাবেও হয়তো এই বিলাকৰ দ্বাৰা যুৱ সমাজৰ একাংশ উপকৃত হ'ব পৰা নাই।

সি যি কি নহওক, আমাৰ বৰ্তমানৰ যুৱ সমাজৰ এক বৃহৎ অংশই যথেষ্ট যুক্তিবাদী, বাস্তৱিক দৃষ্টিভঙ্গী আৰু বিচাৰ-বিবেকসম্পন্ন। বিভিন্ন তথ্যদাতাৰ পৰা লাভ কৰা সাহিত্যৰ প্ৰভাৱ সম্পৰ্কীয় মন্তব্যসমূহে সেই কথা প্ৰতিপন্ন কৰিছে। সংশ্লিষ্ট পক্ষসমূহে বিভিন্ন সিদ্ধান্ত গ্ৰহণৰ সময়ত যুৱ প্ৰজন্মৰ মতামত গুৰুত্বসহকাৰে লোৱা উচিত।

সৰ্বশেষত, সামগ্ৰিকভাৱে ক'বলৈ গ'লে যুৱ সমাজৰ গ্ৰহণযোগ্যতাৰ বাবে সকলো দিশৰে পৰাই সাহিত্যৰ আধুনিকীকৰণৰ প্ৰয়োজন।

# গ্ৰন্থপঞ্জী


অসমীয়াঃ

বেজবৰা, নীৰাজনা মহন্ত.পাঠকৰ দৰ্পণত অসমীয়া সাহিত্য, ডিব্ৰুগড়ঃ বনলতা, ২০০৭.

----------. সাহিত্যৰ সমাজতত্ত্বঃ সিদ্ধান্ত আৰু প্ৰয়োগ, ডিব্ৰুগড়ঃ বনলতা, ২০১১.

ইংৰাজীঃ

Ahmad, Rizwan and Parvez Azim. "Youth Population and The Labour Market Of Pakistan: A Micro Level Study." *Pakistan Economic and Social Review*, Vol. 48, No. 2 (Winter 2010), pp. 183-208. *JSTOR,* www.jstor.org/stable/25825361.

Alim, H. Samy, John Baugh and Mary Bucholtz. "Global Ill-Literacies: Hip Hop Cultures, Youth Identities, and the Politics of Literacy." *Review of Research in Education*, Vol. 35, Youth Cultures, Language, and Literacy (2011), pp. 120-146. *JSTOR,* www.jstor.org/stable/4 1349014.

Annas, Pamela J. and Robert C. Rosen. *Literature and Society: An introduction to Fiction, Poetry, Drama, Nonfiction.* Second Edition, New Jersey: Prentice Hall, 1994.

Anne-Marie Tupuola. "Participatory Research, Culture and Youth Identities: An Exploration of Indigenous, Cross-Cultural and Trans-National Methods." *Children, Youth and Environments*, vol. 16, no. 2, 2006, pp. 291–316. *JSTOR*, www.jstor.org/stable/10.7721/ chilyouten vi.16.2.0291.

Banning, Evelyn I. "Social Influences on Children and Youth." *Review of Educational Research*, Vol. 25, No. 1, The Philosophical and SocialFramework of Education (Feb., 1955), pp. 36-47. http://www.jstor.org/stable/1168997/

Baron, Stephen, Sheila Riddell and Alastair Wilson. "The Secret of Eternal Youth: Identity, Risk and Learning Difficulties." *British Journal of Sociology of Education*, Vol. 20, No. 4, Youth & Social Change(Dec., 1999), pp. 483-499. *JSTOR,* www.jstor.org/stable/1393275.

Batsleer, Janet and Bernard Davies. *What is Youth Work? (Empowering Youth and Community Work PracticeýLM Series)*. Exeter, Ex-1 HB: Learning Matters, 2010.

Baweja, R. S. *Studies in Psychology and Sociology of Literature*. New Delhi: Cyber tech, 2012.

Bennett, Tony and John Frow. *The SAGE Handbook of Cultural Analysis*. New Delhi: SAGE Publications Ltd, 2008.

Bitz, Michael. "The Comic Book Project: The Lives of Urban Youth" *Art Education*, Vol. 57, No. 2 (Mar., 2004), pp. 33-39. *JSTOR,* www.jstor.org/stabl e/3194113.

Blot, Richard K. *Language and Social Identity*. London: Greenwood Publishing Group, 2003.

Bora, Shiela and S.D. Goswami. Ed. *Youth at the Crossroads: A Study of North East India*. Guwahati: DVS Publishers, 2007.

Braithwaite, John. "Youth Development Circles." *Oxford Review of Education*, Vol. 27, No. 2 (Jun., 2001), pp. 239-252. *JSTOR,* www.jstor.org/stable/105 0682.

Bruce, Tina, Stella Louis and Georgie McCall. *Observing Young Children*. New Delhi: SAGE Publications Ltd, 2014.

Bucholtz, Mary. "Youth and Cultural Practice." *Annual Review of Anthropology*, Vol. 31 (2002), pp. 525-552. *JSTOR,* www.jstor.org/stable/4132891.

Burke, Charlanne. "They Cut Segametsi into Parts: Ritual Murder, Youth, and the Politics of Knowledge in Botswana." *Anthropological Quarterly*, Vol. 73, No. 4, Youth and the Social Imagination in Africa, Part 2 (Oct., 2000), pp. 204-214. *JSTOR,* www.jstor.org/stable/3 318252.

Catalano, Richard F., M. Lisa Berglund, Jean A. M. Ryan, Heather S. Lonczak and J. David Hawkins. "Positive Youth Development in the United States: Research Findings on Evaluations of Positive Youth Development Programs." *The Annals of the American Academy of Political and Social Science*, Vol. 591, Positive Development: Realizing the Potential of Youth (Jan., 2004), pp. 98-124. *JSTOR,* www.jstor.org/stable/4127638.

Chambers, M. M. "The Literature of Youth Problems." *The Annals of the American Academy of Political and Social Science*, Vol. 194, The Prospect for Youth (Nov., 1937), pp. 207-216. *JSTOR,* www.jstor.org/stable/40361700.

Checkoway, Barry, Lisa Figueroa and Katie Richards-Schuster. "Democracy Multiplied in an Urban Neighborhood: Youth Force in the South Bronx." *Children, Youth and Environments*, Vol. 13, No. 2, Collected Papers (2003), pp. 62-86. *JSTOR,* www.jstor.org/stable/10.7 721/chilyoutenvi.13.2.0062.

Clark, Jessica and Sarah Richards. *Introduction to Children, Young People and Policy*. New Delhi: SAGE Publications Ltd, 2012.

Coffey, Amanda and Tom Hall. *Researching Young People*. New Delhi: SAGE Publications Ltd, 2011.

Crowe, Chris. "Young Adult Literature: The Problem with YA Literature" *The English Journal*, Vol. 90, No. 3, The Lure of Young Adult Literature (Jan., 2001), pp. 146-150. *JSTOR,* www.jstor.org/stable/821338.

Curran, Sheila; Roger Harrison and Donald Mackinnon. *Working with Young People* (Published in association with The Open University), New Delhi: SAGE Publications Ltd, 2013.

Daiute, Colette. "Youth Genres and Literacy: Links Between Socio-cultural and Developmental Theories." *Language Arts*, Vol. 70, No. 5, Language Arts across the Age Levels (September 1993), pp. 402-416. *JSTOR,* www.jstor.org/stab le/41482111.

Darnton, Robert. *Reading, Writing and Publishing in Eighteenth Century France: A case study in the Sociology of Literature.* Daedalus, Vol. 100, No. 1, Historical Studies Today (Winter, 1971), pp. 214-256. *JSTOR*, www.jstor.org/stable/20023999

Dorsey, Scott W. “Youth and Student Activities.” *The Choral Journal*, Vol. 38, No. 4 (November 1997), pp. 41-43. *JSTOR,* www.jstor.org/stable/23551615.

Dowling, Marion, *Young Children's Thinking*. New Delhi: SAGE Publications Ltd, 2012.

Duncan, Hugh Dalziel . *Langauge and Literature in Society*. USA: Impact Global Publishing INC, 2016.

Durham, Deborah. “Disappearing Youth: Youth as a Social Shifter in Botswana.” *American Ethnologist*, Vol.31, No.4 (Nov., 2004), pp.589-60. *JSTOR,* www.jstor.org/stable/4098870.

English, James F."Everywhere and Nowhere: The Sociology of Literature After “the Sociology of Literature”." *New Literary History*, vol. 41 no. 2, 2010, pp. v-xxiii. *Project MUSE*, doi:10.1353/nlh.2010.0005.

Furstenberg, Frank F. “The Sociology of Adolescence and Youth in the 1990s: A Critical Commentary.” *Journal of Marriage and Family*, Vol. 62, No. 4 (Nov., 2000), pp. 896-910. *JSTOR,* www.jstor.org/stable/1566715.

Gaetz, Stephen. “Planning Community-Based Youth Services In Cork, Ireland: The Relevance Of The Concepts, "Youth" And "Community".” *Urban Anthropology and Studies of Cultural Systems and World Economic Development*, Vol.21, No.1 (Spring, 1992), pp.91-113. *JSTOR,* www.jstor.or g/stable/40553224.

Geldard, Kathryn (Ed) *Practical Interventions for Young People at Risk*. New Delhi: SAGE Publications Ltd, 2009.

Ginwright, Shawn, Julio Cammarota and Pedro Noguera. “Youth, Social Justice, and Communities: Toward a Theory of Urban Youth Policy.” *Social Justice*, Vol. 32, No. 3 (101), Waging War over Public Education and Youth Services (2005), pp. 24-40. *JSTOR,* www.jstor.org/stable/29768319.

Giroux, Henry A. “Where Have All the Public Intellectuals Gone? Racial Politics, Pedagogy, and Disposable Youth.” *JAC*, Vol. 17, No. 2, Special Issue: Race, Class, Writing (1997), pp. 191-205. *JSTOR,* www.jstor.org/stable/20866126.

Gold, Thomas B. “Youth and the State.” *The China Quarterly*, No. 127, Special Issue: The Individual and State in China (Sep.,1991), pp. 594-612. *JSTOR,* www.j stor.o rg/stable/654678.

Goldberg, Marvin E., Gerald J. Gorn, Laura A. Peracchio and Gary Bamossy. “Understanding Materialism among Youth.” *Journal of Consumer Psychology*, Vol. 13, No. 3 (2003), pp. 278-288. *JSTOR,* www.jstor.org/stable/1480217.

Goldmann, Lucien. *Towards a Sociology of the Novel*. trans. Alan Sheridan. London: Tavistock Publications, 1975.

Gordon, Hava Rachel. “Gendered Paths to Teenage Political Participation: Parental Power, Civic Mobility, andYouth Activism.” *Gender and Society*, Vol. 22, No. 1 (Feb., 2008), pp. 31-55. *JSTOR,* www.jstor.org/stable/27641037.

Gottlieb, David and Anne Lienhard Heinsohn. “Sociology and Youth.” *The Sociological Quarterly*, Vol. 14, No. 2 (Spring, 1973), pp. 249-270. *JSTOR,* www.jstor.org/stabl e/4105973.

Gough, Katherine V. "Guest Editorial Introduction: Nordic Geographies of Children and Youth." *Geografiska Annaler*. Series B, Human Geography, Vol. 90, No. 3, Geographies of Children and Youth (2008), pp. 217-226. *JSTOR,* www.jstor.org/stable/40205048.

Gray, Ann. *Research Practice for Cultural Studies: Ethnographic Methods and Lived Cultures*. New Delhi: SAGE Publications Ltd, 2002.

Gunter, B. G., and Harvey A. Moore. "Youth, Leisure, and Post-Industrial Society: Implications for the Family." *The Family Coordinator*, Vol. 24, No. 2 (Apr., 1975), pp. 199-207. *JSTOR,* www.jstor.org/stable/582285.

Guyot, Julie. "Child and Youth Participation in Protracted Refugee Situations." *Children, Youth and Environments*, Vol. 17, No. 3, Pushing the Boundaries: Critical International Perspectives on Child and Youth Participation - Focus on the Middle East and North Africa and Africa (2007), pp. 159-178. *JSTOR,* www.jstor.org/stable/10.7721/chilyoutenvi.17.3.0 159.

Harrison Jr., Alton, and Eldon G. Scriven. "TV and Youth: Literature and Research Reviewed." *The Clearing House*, Vol. 44, No. 2 (Oct., 1969), pp. 82-90. *JSTOR,* www.jstor.org/stable/3 0183966.

Henry, George. "Of Youth and Time." *The English Journal*, vol. 66, no. 5, 1977, pp. 9–96. *JSTOR,* www.jstor.org/stable/814589.

Horowitz, Murray M. "Youth and the Campus." *Improving College and University Teaching*, Vol. 24, No. 3, Learners and Learning (Summer, 1976), pp. 133-136. *JSTOR,* www.jstor.or g/stable/27564961.

Hull, Glynda, Jessica Zacher and Liesel Hibbert. "Youth, Risk, and Equity in a Global World." *Review of Research in Education*, Vol. 33, Risk, Schooling, and Equity (2009), pp.117-159. *JSTOR,* www.jstor.org/stable/40588120.

Ianni, Francis A. J. "The Caring Community as a Context for Joining Youth Needs and Program Services." *The Journal of Negro Education*, Vol. 65, No. 1 (Winter, 1996), pp. 71-91. *JSTOR,* www.jstor.org/stable/2967369.

Jarrett, Robin L. "Resilience among Low-Income African American Youth: An Ethnographic Perspective." *Ethos*, Vol. 25, No. 2, Ethnography and Socio-cultural Processes: A Symposium (Jun., 1997), pp. 218-229. *JSTOR,* www.jstor.org/stable/640356.

Jernigan, David H., Joshua Ostroff and Craig Ross. "Alcohol Advertising and Youth: A Measured Approach." *Journal of Public Health Policy*, Vol. 26, No. 3 (2005), pp. 312-325. *JSTOR,* www.jstor.org/stable/4125155.

Josephine, J. Ed. *Media, Youth and Values*. New Delhi: Authors Press, 2015.

Judith R. Kramer. "The Social Role of the Literary Critic." *The Sociology of Art and Literature*: *A reader.* Eds. Albrecht, Milton C. James H. Barnett, and Mason Griff. London: Gerald Duckworth & co. Ltd., 1970.

Kett, Joseph F. "Adolescence and Youth in Nineteenth-Century America." *The Journal of Interdisciplinary History*, Vol. 2, No. 2, The History of the Family (Autumn, 1971), pp. 283-298. *JSTOR,* www.jstor.org/stable/202846.

Kjeldgaard, Dannie and Søren Askegaard. "The Globalization of Youth Culture." *Journal of Consumer Research*, Vol. 33, No. 2 (September 2006), pp. 231-247. *JSTOR,* www.jstor.or g/sta ble/10.1086/506304.

Levin, Henry M. "Youth Unemployment and Its Educational Consequences." *Educational Evaluation and Policy Analysis*, Vol. 5, No. 2 (Summer, 1983), pp. 231-247. *JSTOR,* www.jstor.or g/stable/1163563.

London, Jonathan K. "Power and Pitfalls of Youth Participation in Community-Based Action Research." *Children, Youth and Environments*, Vol. 17, No. 2, Pushing the Boundaries: Critical International Perspectives on Child and Youth Participation - Focus on the United States and Canada, and Latin America (2007), pp.406-432. *JSTOR,* www.jstor.org/stable/1 0.772 1/chilyoutenvi.17.2.0 406.

Louw, P. Eric. *The Media and Cultural Production*. New Delhi: SAGE Publications Ltd, 2001.

Lowenthal, Leo. *Literature and the Image of Man*. Beacon Hill, Boston, 1957.

Marsiglio, William. "Men's Relations with Kids: Exploring and Promoting the Mosaic of Youth Work and Fathering." *The Annals of the American Academy of Political and Social Science*, Vol. 624, Fathering across Diversity and Adversity: International Perspectives and Policy Interventions (Jul., 2009), pp. 118-138. *JSTOR,* www.jstor.org/stable/40375956.

McGinley, Brian P. *Understanding Youth Work Law*. New Delhi: SAGE Publications Ltd, 2014.

McMaster, Juliet. "Youth, Writing, and Scholarship." *Victorian Review*, Vol. 22, No. 1 (Summer 1996), pp. 46-52. *JSTOR,* www.jstor.org/stable/27794823.

Monti, Alessandro. *Society, Culture, Diaspora*. New Delhi: Prestige, 2008.

Morrill, Calvin, Christine Yalda, Madelaine Adelman, Michael Musheno and Cindy Bejarano. "Telling Tales in School: Youth Culture and Conflict Narratives." *Law & Society Review*, Vol. 34, No. 3 (2000), pp. 521-565. *JSTOR,* www.jstor.org/stable/3115137.

Mujawar, W.R. *Research Methodology in Social Work*. New Delhi: Mangalam Publication, 2010.

Nongkynrih, A.K. "Problems of the Youth of North-East India: A Sociological Inquiry." *Sociological Bulletin*, Vol. 58, No. 3 (September - December 2009), pp. 367-382. *JSTOR,* www.jstor.org/stable/23620664.

Nulkar, Vinay Kumar and M. K. Muthumani. *Scheduled Caste and Scheduled Tribes in India*. New Delhi: Commonwealth Publishers, 2014.

Osa, Osayimwense. "The New Nigerian Youth Literature." *Journal of Reading*, Vol. 30, No. 2 (Nov., 1986), pp. 100-104. *JSTOR,* www.jstor.org/stable/400 17370.

Otto, Luther B. "America's Youth: A Changing Profile." *Family Relations*, Vol. 37, No. 4, The Contemporary Family: Consequences of Change (Oct., 1988), pp. 385-391. *JSTOR,* www.jstor.org/stable/584108.

Owens, Patsy Eubanks, Maggie La Rochelle, Alyssa A. Nelson and Kindra F. Montgomery-Block. "Youth Voices Influencing Local and Regional Change."

Children, *Youth and Environments*, Vol. 21, No. 1, Place-Based Education Theory and Pedagogy (2011), pp. 253-274. *JSTOR,* www.jstor.org/stable/10.77 21/chilyoutenvi.21.1.0253.

Palmer, Ruth J. "Telecommunication, Commercialism, and Boundary Crossing: The Impact on Youth and Families in Trinidad and Tobago." *The Journal of Negro Education*, Vol. 72, No. 4, Commercialism in the Lives of Children and Youth of Color: Education and Other Socialization Contexts (Autumn, 2003),pp. 495-505. *JSTOR,* www.jstor.org/stable/3211200.

Park, Nansook. "Character Strengths and Positive Youth Development." *The Annals of the American Academy of Political and Social Science*, vol. 591, 2004, pp. 40–54. *JSTOR*, www.jstor.org/stable/4127634.

Perkins, Everett V. "The Tree of Youth." *The Journal of Education*, Vol. 116, No. 8 (APRIL 17, 1933), pp. 195-196. *JSTOR,* www.jstor.org/stable/42849003/

Pins, Arnulf. "Youth and Recreational Services." *The American Jewish Year Book*, Vol. 53 (1952), pp. 198-209. *JSTOR,* www.jstor.org/stable/23604707.

Rappa, Michael and Koenraad Debackere. "Youth and Scientific Innovation: The Role of Young Scientists in the Development of a New Field." *Minerva*, Vol. 31, No. 1 (March 1993), pp. 1-20. *JSTOR,* www.jstor.org/stable/41827248.

Ray, Colin. "The Youth Libraries Group." *Elementary English*, Vol. 49, No. 3 (March, 1972), pp. 352-354. *JSTOR,* www.jstor.org/stable/41387107.

Reeves, Floyd W. "Youth and the World of Tomorrow." *The School Review*, Vol. 54, No. 5 (May, 1946), pp. 263-269. *JSTOR,* www.jstor.org/stable/1082399.

Rogers, John, Kavitha Mediratta, Seema Shah, Joseph Kahne and Veronica Terriquez. "Building Power, Learning Democracy: Youth Organizing as a Site of Civic Development." *Review of Research in Education*, Vol. 36, Education, Democracy, and the Public Good (2012), pp. 43-66. *JSTOR,* www.jstor.org/stable/41349023.

Schwendinger, Herman, and Julia R. Schwendinger. "Marginal Youth and Social Policy." *Social Problems*, Vol. 24, No. 2, Education: Straitjacket or Opportunity? (Dec., 1976),pp. 184-19. *JSTOR,* www.jstor.org/stable/800337.

Sefton-Green, Julian. "Youth, Technology, and Media Cultures." *Review of Research in Education*, Vol. 30, Special Issue on Rethinking Learning: What Counts as Learning and What Learning Counts (2006), pp. 279-306. *JSTOR,* www.jstor.org/stable/4129775.

Shepler, Susan. "Youth music and politics in post-war Sierra Leone." *The Journal of Modern African Studies*, Vol. 48, No. 4 (December 2010), pp. 627-642. *JSTOR,* www.jstor.or g/stable/40961831.

Sherman, George. "Soviet Youth: Myth and Reality." *Daedalus*, Vol. 91, No. 1, Youth: Change and Challenge (Winter, 1962), pp. 216-237. *JSTOR,* www.jstor.org/stable/20026704.

Sloan, Kris. "High-Stakes Accountability, Minority Youth, and Ethnography: Assessing the Multiple Effects."*Anthropology & Education Quarterly*, Vol. 38, No. 1 (Mar., 2007), pp. 24-41. *JSTOR,* www.jstor.org/stable/4126360.

Small, Stephen, and Marina Memmo. "Contemporary Models of Youth Development and Problem Prevention: Toward Integration." *Family Relations*, Vol. 53, No. 1 (Jan., 2004), pp. 3-11. *JSTOR,* www.jstor.org/stable/3700231.

Smith, Dora V. "American Youth and English." *The English Journal*, Vol. 26, No. 2 (Feb., 1937), pp. 99-113. *JSTOR,* www.jstor.org/stable/804581.

Snell, Patricia, Christian Smith, Carlos Tavares and Kari Christoffersen. "Denominational Differences in Congregation Youth Ministry Programs and Evidence of Systematic Non-Response Biases." *Review of Religious Research*, Vol. 51, No. 1 (Sep., 2009), pp. 21-38. *JSTOR,* www.jstor.org/stable/25593770.

Spergel, Irving A. "Youth Gangs: An Essay Review." *Social Service Review*, Vol. 66, No. 1 (Mar., 1992), pp. 121-140. *JSTOR,* www.jstor.org/stable/30012453.

Staël, Madame De. Introduction. *The Influence of Literature upon Society.* Trans. Baroness De Stael-Holstein., New-York: William Pearson & Co.; Philadelphia: Chappell and Co., 1835. *Internet Archive.* 18 Aug 2013, www.archive.org/details/influencelitera00goog.

Taylor, Ronald L. "African American Youth in the 1990s." *Humboldt Journal of Social Relations*, Vol. 21, No. 2, African Americans in the 1990s (1995), pp. 165-190. *JSTOR,* www.jstor.org/stable/23263015.

Weaver, Paul. "Youth and Religion." *The Annals of the American Academy of Political and Social Science*, Vol. 236, Adolescents in Wartime (Nov., 1944), pp. 152-160. *JSTOR,* www.jstor.org/stable/1025205.

Williams, Raymond. *The Long Revolution.* Harmondsworth: Penguin Books, 1961.

Wrenn, C. Gilbert. "Recreation for Youth Today." *The High School Journal*, Vol. 23, No. 3, The American Youth Commission (Mar.,1940), pp. 117-122. *JSTOR,* www.jstor.org/stable/4036 1698.

Yarros, Victor S. "Age and Youth in Social Ethics." *International Journal of Ethics*, Vol. 35, No. 3 (Apr., 1925), pp. 278-288. *JSTOR,* www.jstor.org/stabl e/2377275.

Youniss, James and Miranda Yates. "Youth Service and Moral—Civic Identity: A Case for Everyday Morality." *Educational Psychology Review*, Vol. 11, No. 4, Moral Development in Adolescents and Adults (December 1999), pp. 361-376. *JSTOR,* www.jstor.org/stable/23 361505.

Zimring, Franklin E. "American Youth Violence: Issues and Trends." *Crime and Justice*, vol. 1, 1979, pp. 67–107. *JSTOR*, www.jstor.org/stable/1147449.

हिन्दीः

कुमार, कृष्ण. *21वी सदी का युवा और भारतीय समाज*. कानपुरः विकास प्रकाशन, 2012.

-----. *आधुनिकता के आइने में भारतीय शिक्षित युवा*. कानपुरः विकास प्रकाशन, 2012.

कुमावत, नन्द किशोर और सतीश मीणा. *युवा संस्कृति*. जयपुरः ग्रन्थ विकास, 2011.

तिवारी, गोरखनाथ. *अंतिम दशक के हिन्दी उपन्यासों का समाजशास्त्रीय अध्ययन*, दिल्लीः पूजा प्रकाशन, 2008.

९२

पाण्डेय, मैनेजर. *साहित्य के समाजशास्त्र की भूमिका*. हरियाणा ग्रन्थ अकादमी, 1989.

लमाणी, एल. पी. *हिन्दी नाटकों में युवा मानसिकता*. अलीगढ़ः वाङ्मय बुक्स, 2012.

सतीश दुवे. *समाजशास्त्रीय परिप्रेक्ष में प्रेमचन्द साहित्य*, गजियाबादः साहित्य संस्थान, 2007

सेनगुप्ता, वृन्दा. *संचार माध्यम और युवा*. दिल्लीः नीरज बुक सेंतर, 2015.

# পৰিশিষ্ট

## অধ্যয়নত ব্যৱহৃত প্ৰশ্নসূচী

ক্ৰমিক সংখ্যা/Serial No:

## PRACTICAL EFFECTS OF LITERATURE ON YOUTH
## যুৱ সমাজৰ ওপৰত সাহিত্যৰ প্ৰভাৱ

তথ্যদাতাৰ নাম/Name of the informant: -------------------------------------

বয়স/Age: 15-18 ☐ 19-21 ☐ 22-24 ☐

লিঙ্গ/Gender: Male ☐ Female ☐

শিক্ষানুষ্ঠান/Educational Institution:

অধ্যয়নৰ শাখা/Branch of the Study:

Humanities ☐ Science ☐
Engineering ☐ Medical ☐
Commerce & Management ☐

প্ৰশ্ন-১: আপুনি সাহিত্য পঢ়াৰ প্ৰতি আগ্ৰহী নে? (আপোনাৰ পচন্দত √ এই চিনেৰে চিহ্নিত কৰক)
Q 1. Are you interested in reading literature? (Please mark √ on your appropriate choice)

(ক) অত্যন্ত আগ্ৰহী/ highly interested ☐

(খ) যথেষ্ট আগ্ৰহী/ Very much interested ☐

(গ) আগ্ৰহী/ interested ☐

(ঘ) সামান্যভাৱে আগ্ৰহী/ Seldom interested ☐

(ঙ) একেবাৰে আগ্ৰহী নহয়/ Not interested ☐

প্ৰশ্ন-২: আপোনাৰ সাহিত্য পঢ়াৰ অভ্যাস আছেনে? (আপোনাৰ পচন্দত √ এই চিনেৰে চিহ্নিত কৰক)
Q 2. Do you have habits of reading literature? (Please mark √ on your appropriate choice)

(ক) নিয়মীয়া অভ্যাস/Regularly ☐

(খ) যথেষ্ট অভ্যাস/Frequently ☐

(গ) মাজে-সময়ে/Time and again ☐

(ঘ) কদা কাচিৎ/Seldom ☐

(ঙ) একেবাৰে নাই/Not at all ☐

প্ৰশ্ন-৩ আপুনি জীৱনত সাহিত্যৰদ্বাৰা প্ৰভাৱিত নেকি? (আপোনাৰ পচন্দ অনুসৰি √ এই চিনেৰে চিহ্নিত কৰক)

Q 3. Are you influenced by literatures in your life? (Please mark √ on your appropriate choice)

(ক) অত্যন্ত প্ৰভাৱিত/ extremely influenced ☐

(খ) যথেষ্ট প্ৰভাৱিত/ Very much influenced ☐

(গ) সাধাৰণভাবে প্ৰভাৱিত/ Influenced ☐

(ঘ) সামান্যভাবে প্ৰভাৱিত/Seldom influenced ☐

(ঙ) একেবাৰে প্ৰভাৱিত নহয়/ Not at all influenced ☐

প্ৰশ্ন-৪: কেনে ধৰণৰ বিষয়বস্তু থকা সাহিত্যই আপোনাক অধিক আকৰ্ষিত কৰে? (আপোনাৰ পচন্দ অনুসৰি প্ৰত্যেক বিধকে ১,২,৩….. আদি সংখ্যাৰে চিহ্নিত কৰিব)

Q 4. Which of the following subject-matters in literatures attract you much? (Please indicate your preference from 1st to 11th against each type of subject matter.)

(ক) জীৱনী/ Biography ☐

(খ) ভ্ৰমণ / Travel ☐

(গ) বিজ্ঞান-প্ৰযুক্তি /Science and Technology ☐

(ঘ) আত্মোৎকৰ্ষমূলক/Self developmental ☐

(ঙ) ব্যৱসায়-বাণিজ্য /Commerce and Business ☐

(চ) ৰাজনীতি /Political ☐

(ছ) সমাজ/ Social issues ☐

(জ) ধৰ্ম-সংস্কৃতি /Culture and Religion ☐

(ঝ) ব্যক্তিগত অভিজ্ঞতা /Personal experiences ☐

(ঞ) সমসাময়িক বিষয়/ Current affairs ☐

(ট) দৈনন্দিন জীৱন/ Day-to-day life ☐

[আপোনাৰ দৃষ্টিত আৰু অন্য কিবা আছে যদি জনাই আপোনাৰ পচন্দ চিহ্নিত কৰক/If there is any subject matter other than the 11 subject matters in the above list, then please mention and give the preference within the bracket below]

বিষয়বস্তু/Subject matter: পচন্দ/preference: ☐

প্রশ্ন- ৫: কোন বিধৰ সাহিত্যৰ প্ৰতি আপোনাৰ আকৰ্ষণ বেচি? (আপোনাৰ পচন্দ অনুসৰি প্ৰত্যেক বিধকে ১,২,৩….. আদি সংখ্যাৰে চিহ্নিত কৰিব)

Q 5. Which of the following kinds of literatures attract you much? (Please indicate your preference from 1st to 6th against each kind of literature.)

(ক) উপন্যাস /Novels ☐

(খ) গল্প /Short Stories ☐

(গ) নাটক/ Plays ☐

(ঘ) কবিতা/ Poems ☐

(ঙ) ব্যঙ্গ ৰচনা /Satire ☐

(চ) প্ৰবন্ধ /Articles ☐

[আপোনাৰ দৃষ্টিত আৰু অন্য কিবা আছে যদি জনাই আপোনাৰ পচন্দ চিহ্নিত কৰক/ If there is any kind of literature other than the 6 kinds in the above list, then please mention and give the preference within the bracket bellow]

সাহিত্য প্ৰকাৰ/Kind of Literature: পচন্দ/preference: ☐

প্ৰশ্ন-৬: সাহিত্যই যুৱ-সমাজক তলত দিয়া দিশসমূহত প্ৰভাৱিত কৰিব পাৰে বুলি আপুনি ভাবে নেকি? (আপোনাৰ পচন্দ অনুসৰি প্ৰত্যেক বিধকে ১,২,৩….. আদি সংখ্যাৰে চিহ্নিত কৰিব)

Q 6. Do you think literatures can influence the youth in the following aspects? (Please indicate your preference from 1st to 8th against each.)

(ক) ব্যক্তিগত জীৱন/personal life ☐

(খ) জীৱিকা/ Profession ☐

(গ) ৰাজনৈতিক চিন্তা-চেতনা/ Political thinking ☐

(ঘ) আৰ্থ-সামাজিক পৰিবৰ্তন/ Socio-economic transformation ☐

(ঙ) ব্যৱসায়-বাণিজ্য/উদ্যমিতা /Business, Entrepreneurship ☐

(চ) উদ্ভাৱনা /Invention and Discovery ☐

(ছ) নৈতিকতা/ Morality ☐

(জ) মানৱীয়তা /Humanity ☐

[আপোনাৰ দৃষ্টিত আৰু অন্য কিবা আছে যদি জনাই আপোনাৰ পচন্দ চিহ্নিত কৰক/ If there is any aspect other than the 8 aspects in the above list, then please mention and give the preference within the bracket bellow]

দিশ/Aspect: পচন্দ/preference: ☐

প্ৰশ্ন-৭: বৰ্তমান সময়ত মনোৰঞ্জনৰ বিভিন্ন মাধ্যম আছে। সেইবিলাকৰ ভিতৰত সাহিত্যৰ স্থান বা গুৰুত্ব কেনে বুলি আপুনি ভাবে?

Q 7. What according to you is the importance and position of literature among the various mediums of entertainment available at present time?

প্ৰশ্ন-৮: বৰ্তমান সময়ত জ্ঞান অৰ্জনৰ বিভিন্ন মাধ্যম আছে। সেইবিলাকৰ ভিতৰত সাহিত্যৰ স্থান বা গুৰুত্ব সম্পৰ্কে আপোনাৰ ধাৰণা কি?

Q 8. What according to you is the importance and position of literature among the various mediums of learning?

প্ৰশ্ন-৯ আজিৰ দৈনন্দিন ব্যৱহাৰিক জীৱনত বাট দেখুওৱা বা সহায় কৰাৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা বা গুৰুত্ব আছে বুলি আপুনি ভাবেনে

আছে ☐ নাই ☐

যদি আছে, অনুগ্ৰহ কৰি কেনেকুৱা গুৰুত্ব জনাওক।

Q 9. Do you think literature plays an important role in guiding and helping our day to day life?

Yes ☐ No ☐

If yes, then please mention.

প্ৰশ্ন-১০: বৰ্তমান সময়ত সাহিত্যৰদ্বাৰা সমাজ-সংস্কাৰ/সামাজিক পৰিবৰ্তন সম্ভৱ হৈছে বুলি আপুনি ভাবেনে? হৈছে ☐ নাই হোৱা ☐

যদি হৈছে, তেনে অনুগ্ৰহ কৰি উদাহৰণ দিয়ক।

Q 10. Do you think literature have been able to bring socio-cultural transformation at present time?

Yes ☐ No ☐

If yes, then please mention examples.

প্ৰশ্ন-১১: সাহিত্যৰদ্বাৰা জাতীয়/গোষ্ঠীগত/বিশ্বাত্মক/আঞ্চলিকতাবাদী আদি ধৰণৰ ভাৱনা আৰু ধাৰণাৰ উত্থান,

জাগৰণ কিম্বা বিকাশত সহায় হৈছে বুলি আপুনি ভাবে নেকি?

ভাবে ☐ নেভাবে ☐

যদি ভাবে, তেনে কেনেকৈ সম্ভৱ হৈছে বুলি ভাবে জনাওক।

Q11. Do you think literature have been able to arouse global/ national/ regional/ ethnic feelings among the people?

Yes ☐ No ☐

If yes , then please mention examples.

প্ৰশ্ন-১২: সাহিত্যই আপোনাক বিভিন্ন উৎকণ্ঠা আৰু একঘেয়ামিৰপৰা মুক্তি পোৱা অথবা আবেগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত, মনলৈ অহা দোধোৰ-মোধোৰ ভাব, হতাশা আদি দূৰ কৰাৰ ক্ষেত্ৰত সহায় কৰিছে নেকি?

কৰিছে ☐ নাই কৰা ☐

যদি কৰিছে, তেনে অনুগ্ৰহ কৰি জনাওক।

Q 12: Have literature helped you to get relief from anxiety and boredom or to control your emotions, confusions, frustration etc?

Yes ☐ No ☐

It yes, then please explain.

প্ৰশ্ন-১৩. আপোনাৰ জীৱনৰ কোনোবা দিশত আপুনি সাহিত্যৰদ্বাৰা বিশেষভাবে প্ৰভাবিত হৈছে নেকি আৰু সাহিত্য পঢ়ি তাৰপৰা আপুনি নিজেও সাহিত্য ৰচনা কৰিবলৈ আগ্ৰহ অনুভব কৰিছে জনাওক।

Q 13: Have literature influenced in particular aspect of your life and have you become keen to write literature after reading literature?

সাক্ষাৎকাৰৰ তাৰিখ/Date of Interview

সংগ্ৰাহকৰ স্বাক্ষৰ/Signature